ভিতৰৰ পৃষ্ঠাত

অৰ্থনৈতিক স্বাধীনতা... পৃষ্ঠা ৪
ভাৰতীয় অৰ্থনীতি পৃষ্ঠা ৫
গ্ৰন্থ অধ্যয়নৰ... পৃষ্ঠা ৭
অৰ্শ ৰোগৰ হোমিঅ’... পৃষ্ঠা ৮
‘জুবিনদা’ আছে আৰু... পৃষ্ঠা ১০



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.com ত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol :13 ■ Issue : 15 ■ Guwahati ■ Wednesday ■ 19 November, 2025 ■ Rs. 5 ■ বছৰ - ১৩ ■ সংখ্যা- ১৫ ■ গুৱাহাটী ■ বুধবাৰ ■ ২ আঘোণ, ১৯৪৭ শক ■ মূল্য ঃ ৫ টকা


### ছিপাঝাৰত বেদখলকাৰীক উচ্ছেদ কৰিবলৈ প্ৰশাসনক নিৰ্দেশ বিধায়কৰ


# ধলপুৰত পুনৰ বেদখল হাজাৰ হাজাৰ বিঘা ভূমি

■ **কনক চন্দ্ৰ ডেকা, ছিপাঝাৰ ঃ** ছিপাঝাৰৰ ধলপুৰৰ উচ্ছেদিত বহু পৰিয়ালে পুনৰ বেদখল কৰিছে ইয়াৰ চৰ অঞ্চলৰ হাজাৰ হাজাৰ বিঘা চৰকাৰী ভূমি । উল্লেখ্য যে গৰুখুঁটি কৃষি প্ৰকল্প ৰূপায়ণৰ বাবে চৰকাৰ-প্ৰশাসনে বিগত ২০২১ বৰ্ষৰ ছেপ্টেম্বৰত ধলপুৰত উচ্ছেদ অভিযান চলাই ১,৪১৮টা সন্দেহযুক্ত বাংলাদেশী পৰিয়ালক উচ্ছেদ কৰিছিল। পৰৱৰ্তী সময়ত দৰং জিলা প্ৰশাসন, ছিপাঝাৰ সম জিলা ১৩ পৃষ্ঠাত



## প্ৰাণায়াম

**প্ৰফুল্ল বৰ্মন**



অতি প্ৰাচীন কালত ঋষি-মুনি আৰু যোগীসকলৰ শৰীৰ আছিল নিৰোগী অৰ্থাৎ সুন্দৰ-সুঠাম শাৰীৰিক গঠনেৰে তেওঁ লোক নিতোপল চেহেৰাৰ আছিল। ফলত তেওঁলোক শতাধিক বছৰ অৰ্থাৎ সুদীৰ্ঘ কাল জীয়াই আছিল বুলি ধৰ্মীয় শাস্ত্ৰত পোৱা যায়। ইয়াৰ কাৰণ হিচাপে তেওঁলোকে সাত্ত্বিক আহাৰ গ্ৰহণ কৰিছিল; বিশেষকৈ দুই পৃষ্ঠাত

## মৃত্যু আৰু ন্যায়

**ড° মুকুন্দ শৰ্মা**



জীৱন প্ৰিয় মানুহৰ কাৰণে মৃত্যুৰ আলোচনা কেতিয়াও সুখদায়ক হ’ব নোৱাৰে; কিন্তু মৃত্যু যেতিয়া এটা জাতিক সকলো দিশৰ পৰা জোকাৰি দিয়া মহাশক্তি হিচাপে পৰিগণিত হয় তেতিয়া তেনে মৃত্যুৰ মাজত লুকাই থাকে সামগ্ৰিক পৰিৱৰ্তনৰ সম্ভাৱনা।

মৃত্যু মানুহৰ জীৱনৰ বিষাদ ভৰা চৰম পৰিণতি। জীৱৰ পৰলোকলৈ দুই পৃষ্ঠাত

### সত্ৰ মহাসভাৰ ‘সত্ৰীয়া সংস্কৃতি দিৱস’ত মন্ত্ৰী ৰঞ্জিত দাস

# গুৰুজনাৰ আদৰ্শ, কৃষ্টি-সংস্কৃতি প্ৰসাৰ, সংৰক্ষণ-সংবৰ্ধনৰ আহ্বান



**ষ্টাফ ৰিপ’ৰ্টাৰ ঃ** ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে যোৱা দেওবাৰে গুৱাহাটীৰ পল্টন বজাৰস্থিত শ্ৰীমন্ত শংকৰ কৃষ্টি বিকাশ সমিতিৰ চৌহদত অসম সত্ৰ মহাসভাৰ উদ্যোগত তথা শ্ৰীমন্ত শংকৰ কৃষ্টি বিকাশ সমিতিৰ সহযোগত আয়োজন কৰা ‘সত্ৰীয়া সংস্কৃতি দিৱস’ৰ ৰূপালী জয়ন্তী সমাৰোহৰ মুকলি সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি গুৰুজনাৰ ১৫ পৃষ্ঠাত



## গানৰ ভগৱান জুবিনৰ বিশ্বজয়ী যাত্ৰা

**ধ্ৰুৱজ্যোতি শৰ্মা**

‘কামৰূপা মোৰ সুৰদি সুৰীয়া/অসমীয়া ভাষা জগত সভালৈ যাব/ উজ্জ্বল সুউজ্জ্বল কহিনুৰ পিন্ধি/হাঁহি জ্যোতিৰূপা হ’ব।’

অৱশেষত জ্যোতিপ্ৰসাদ আগৰৱালাৰ সপোনটি আমাৰ কালতে দিঠক ১৫ পৃষ্ঠাত

# নিজৰটো সত্য বুলি প্ৰতিপন্ন কৰাটোৱে অশুভ ধাৰণা বিয়পায়


## তথ্য-জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত প্ৰেছ দিৱস পালন



**ষ্টাফ ৰিপ’ৰ্টাৰ ঃ** সমগ্ৰ দেশৰ লগতে যোৱা দেওবাৰে অসমতো ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত ৰাজিক ভিত্তিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হয়। লোকনিৰ্মাণ বিভাগৰ দিছপুৰস্থিত সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত অনুষ্ঠিত এই অনুষ্ঠানত এইবাৰৰ বিষয় ‘বিভ্ৰান্তিমূলক তথ্যৰ মাজত সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতাক সুৰক্ষা প্ৰদান’ সম্পৰ্কত বক্তৃতা প্ৰদান কৰে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ডাঃ ধ্ৰুৱজ্যোতি বৰাই। ভাষণ প্ৰসংগত ১৫ পৃষ্ঠাত

### আফ্ৰিকান ছোৱাইন ফিভাৰ

## ৰাজ্যত গাহৰিৰ সৰবৰাহ-বিক্ৰীত নিষেধাজ্ঞা



**গুৱাহাটী ঃ** বিগত কিছুদিনৰ পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ ঘটিছে। বিশেষকৈ ধেমাজি, লখিমপুৰ, শিৱসাগৰ, দৰং, যোৰহাট, ডিব্ৰুগড় আৰু কামৰূপ জিলাত ৰোগবিধৰ সংক্ৰমণে ব্যাপক ৰূপ ধাৰণ ১৫ পৃষ্ঠাত

### প্ৰকৃতিপ্ৰেমী যুৱকৰ সহযোগত বন বিভাগৰ বিশেষ কাৰ্যসূচী

# লোহাৰঘাটত বৰটোকোলা সংৰক্ষণৰ প্ৰয়াস



**অসম ভূমি সেৱা, আজাৰা ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনস্থ লোহাৰঘাট বন বিভাগৰ কাৰ্যালয়ৰ অন্তৰ্গত মনিয়াৰি তিনিআলি আৰু খাটিয়ামাৰীত কিছু বছৰ ধৰি বিলুপ্তপ্ৰায় বৰটোকোলা চৰাইয়ে বাহ সাজি প্ৰজনন কৰি আহিছে। কিন্তু বিভিন্ন প্ৰাকৃতিক আৰু দুৰ্ঘটনাজনিত কাৰণত ওখ গছৰ পৰা পৰি বৃহৎ সংখ্যক পোৱালিৰ মৃত্যু হোৱা ঘটনাই প্ৰকৃতিপ্ৰেমীসকলক চিন্তিত কৰি আহিছে। এনে সময়তে যোৱা ১৪ নৱেম্বৰত দক্ষিণ কামৰূপৰ প্ৰকৃতিপ্ৰেমী যুৱক তথা বন্যপ্ৰাণী উদ্ধাৰকাৰী ফুলমণি দাস আৰু তেওঁৰ দলৰ সহযোগত ড° পূৰ্ণিমা দেৱী বৰ্মন আৰু ড° শচীন ৰানাদেৰ পৰামৰ্শত বনবিভাগে পোৱালি সুৰক্ষাৰ দুই পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# প্ৰাণায়াম

বনৰ ফল-মূল তথা শাক-পাচঁলিৰে নিৰামিষ আহাৰ গ্ৰহণ কৰিছিল। দ্বিতীয় কাৰণটো হ'ল— তেওঁলোকে শাৰীৰিক ব্যায়াম (শৰীৰ চৰ্চা) আৰু নিতৌ প্ৰাণায়াম কৰিছিল। তৃতীয় আৰু প্ৰধান কাৰণ বা কাৰক হিচাপে আমি পাওঁ— এই ঋষি, মুনি বা যোগী সকলে সাংসাৰিক বান্ধোনৰ পৰা বহু দূৰত্বত অৱস্থান কৰি এক সৰল আৰু শান্তিপূৰ্ণ পৰিৱেশত ঈশ্বৰৰ আৰাধনা কৰি জীৱন অতিবাহিত কৰিছিল।

আমি শৰীৰ চৰ্চা বা শাৰীৰিক অনুশীলন অৰ্থাৎ ব্যায়ামৰ কথা সকলোৱে জানো বা কম-বেছি পৰিমাণে আমি প্ৰত্যেকে ব্যায়াম কৰো। কিন্তু প্ৰাণায়াম? প্ৰথমে জানো আহক, কি এই প্ৰাণায়াম আৰু প্ৰাণায়ামৰ উপকাৰিতা কি?

আজিকালি বিভিন্ন আশ্ৰম তথা যোগ সাধন কৰা বা শিকোৱা প্ৰতিষ্ঠানবোৰত যোগ শাস্ত্ৰত ব্যুৎপত্তি থকা কিছুমান লোকে নিজে যোগাভ্যাস কৰাৰ উপৰিও যোগ শিকিবলৈ আগ্ৰহ থকা ব্যক্তিক পাৰিশ্ৰমিক লৈ বা স্ব-ইচ্ছাই কোনো পাৰিশ্ৰমিক নোলোৱাকৈ যোগ বিদ্যা শিকায়। ফলত শুদ্ধ ৰূপত যোগ শিকোৱা আৰু শিক্ষাগ্ৰহণ কৰা সকলে শাৰীৰিক তথা মানসিকভাৱে উপকৃত হৈ জীৱনৰ উৎকৰ্ষ সাধন কৰে। এই যোগ শিক্ষাৰ এটা প্ৰধান অংশ হৈছে প্ৰাণায়াম; কিন্তু আমি বহুতে নেজানো আচলতে প্ৰাণায়ামনো কি?

যোগশাস্ত্ৰত শ্বাস-প্ৰশ্বাসক নিয়ন্ত্ৰিত কৰিবৰ বাবে যিটো পদ্ধতিৰ বিষয়ে উপদেশ দিয়া আছে তাকে প্ৰাণায়াম বোলে। বিভিন্ন পদ্ধতিৰে এই প্ৰাণায়াম কৰা হয়। প্ৰাণায়ামৰ প্ৰকৃত উদ্দেশ্য হ'ল, ইন্দ্ৰিয়ক সংযত কৰি আধ্যাত্মিক উপলব্ধিৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰা। সাধাৰণতে অনুলোম-বিলোম, কঁপালভাতিকে আদি কৰি কৃত্ৰিমভাৱে শ্বাস-প্ৰশ্বাস ৰোধ আৰু নিষ্কাষণ আদি প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰাণায়াম যোগ কৰা হয়।

আমাৰ শৰীৰৰ ভিতৰত সৰ্বমুঠ ১০ বিধ বায়ু আছে। এই ১০ বিধ বায়ুৰ ক্ৰিয়া আৰু প্ৰভাৱক উশাহ-নিশাহৰ পৰিক্ৰমাৰ পৰা বুজিব পৰা যায়। আমাৰ শৰীৰত থকা পঞ্চ জ্ঞানেন্দ্ৰিয়ই আত্মাৰ বাহিৰত থকা বিষয়ৰ ওপৰত ক্ৰিয়া কৰে। পঞ্চ জ্ঞানেন্দ্ৰিয় হ'ল— চকু, কাণ, নাক, জিভা আৰু ছাল। এই পঞ্চ জ্ঞানেন্দ্ৰিয় অতি সংবেদনশীল আৰু প্ৰত্যেকে নিজস্ব কামত ব্যস্ত থাকে। যেনে— চকুৱে দেখা কাম, নাকে ঘ্ৰাণ লোৱা কাম, কাণে শুনা কাম, জিভাই সোৱাদ লোৱা কাম আৰু ছালে স্পৰ্শ কৰা কামত ব্যস্ত থাকি ভিন্ন জ্ঞান অৰ্জন কৰে; কিন্তু এইসমূহ কৰ্মই আত্মাক স্পৰ্শ কৰিব নোৱাৰে। কাৰণ আত্মা অজৰ, অমৰ, আত্মাৰ জন্ম নহয়, শৰীৰৰ মৃত্যু হ'লেও আত্মাৰ মৃত্যু নহয়। গীতাৰ সাংখ্য যোগৰ ২০ নং শ্লোকত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে—

ন জায়তে মৃয়তে বা কদাচিন।<br>
নায়ং ভুত্বা ভৱিতা বা ন ভুয়ঃ।।<br>
অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো।<br>
ন হন্যতে হন্যমানে শৰীৰে।।

আমাৰ শৰীৰত পাঁচবিধ প্ৰাণ বায়ু থাকে। সেই পঞ্চ প্ৰাণ বায়ু হ'ল— প্ৰাণ, অপান, ব্যান, উদান আৰু সমান। এই পাঁচবিধ বায়ুক ভিন্ন ধৰণে নিয়ন্ত্ৰণ কৰা হয়। সেয়াই প্ৰাণায়াম। পতঞ্জলি যোগ শাস্ত্ৰত প্ৰাণায়ামৰ পঞ্চ বায়ু বা পঞ্চ প্ৰাণৰ কথা উল্লেখ আছে। পাঁচবিধ বায়ুৰ বিষয়ে শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল এনেদৰে— (১) সাধাৰণভাৱে উশাহ-নিশাহ লোৱা কাৰ্যক প্ৰাণ, (২) বায়ুক শৰীৰৰ নিম্নাংশলৈ প্ৰৱেশ অৰ্থাৎ বায়ুৰ অধোগতি কৰোৱা কাৰ্যক অপান, (৩) বায়ুক সংকোচন আৰু প্ৰসাৰণ কৰা কাৰ্যক ব্যান, (৪) বায়ুক নিয়ন্ত্ৰণ কৰি সমতা স্থাপন কৰা কাৰ্যক সমান আৰু (৫) বায়ুক উৰ্দ্ধ গমন কৰোৱা কাৰ্যক উদান বোলা হয়। আচলতে এই পঞ্চ বায়ু (পঞ্চ প্ৰাণ) নিয়ন্ত্ৰণ কৰা অৰ্থাৎ প্ৰাণায়ামৰ দ্বাৰা শৰীৰ আৰু মনক নিয়ন্ত্ৰণ কৰাৰ ফলত মানুহ সংযমী হয়। সেই গুৰুত্বপূৰ্ণ কথাখিনি কুৰুক্ষেত্ৰৰ যুদ্ধৰ সময়ত শ্ৰীকৃষ্ণই সখা অৰ্জুনক বুজাই সংযমী হ'বলৈ পৰামৰ্শ দিছিল। শ্ৰীমদ্ভাগৱত গীতাৰ জ্ঞান যোগৰ ২৭ নং শ্লোকত উল্লেখ আছে এনেদৰে—

'সৰ্বাণীন্দ্ৰিয়কৰ্মাণি প্ৰাণকৰ্মাণি চাপৰে।<br>
আত্মসংযমযোগাগ্নৌ জুহুতি জ্ঞান দীপিতে।।'

ইয়াৰ অৰ্থ হ'ল— যি সকলে মন আৰু ইন্দ্ৰিয় সংযত কৰি আত্মজ্ঞান লাভ কৰিবলৈ ইচ্ছা কৰে, তেওঁ লোকে নিজৰ সকলো ইন্দ্ৰিয় আৰু প্ৰাণবায়ুৰ কৰ্মসমূহ জ্ঞানৰ প্ৰেৰণাত উজ্বলি উঠা আত্মসংযমী ৰূপী যোগ অগ্নিত আহুতি দিয়ে।

সেয়ে আমি প্ৰত্যেকে এলাহ ত্যাগ কৰি সাধ্যানুসাৰে যিমান পৰা যায় পুৱা-গধূলি প্ৰাণায়াম কৰিব লাগে। প্ৰাণায়ামৰ দ্বাৰা মানসিক সন্তুষ্টি, শাৰীৰিক পুষ্টি লাভৰ উপৰি নিৰোগী হৈ থকাৰ মহৌষধ লাভ হয়। চিকিৎসা শাস্ত্ৰই শাৰীৰিক ব্যায়াম বা কচৰতৰ লগতে প্ৰাণায়ামৰ উপকাৰিতাৰ কথা মানি লয়। আনকি প্ৰাণায়ামৰ দ্বাৰা কিছু বেমাৰৰ উপশম হয় বুলি চিকিৎসা বিজ্ঞানে বিশ্বাস কৰে। শৰীৰত যাতে বেমাৰ উৎপন্ন হ'ব নোৱাৰে সেই ক্ষেত্ৰতো প্ৰাণায়ামৰ বিশেষ উপকাৰিতা আছে বুলিও বিজ্ঞানে কৈছে; কিন্তু আমি সদায়ে এটা কথা লক্ষ্য কৰা উচিত যে প্ৰাণায়ামৰ বিষয়ে সম্যক জ্ঞান লৈ বা যোগ গুৰুৰ পৰামৰ্শ মতেহে যোগ বা প্ৰাণায়াম কৰিব লাগে। নহ'লে কেতিয়াবা ই হিতে বিপৰীত হ'ব পাৰে। কিন্তু সঠিকভাৱে প্ৰাণায়াম কৰিলে যে তাৰ পাৰ্শ্বক্ৰিয়া নহয় বৰঞ্চ শৰীৰ আৰু মনৰ কিছু নহয় কিছু উপকাৰ যে হয় সেয়া ধ্ৰুৱ।

# লোহাৰঘাটত বৰটোকোলা সংৰক্ষণৰ প্ৰয়াস

বাবে বৰটোকোলাৰ বাহসমূহৰ তলত বিজ্ঞানসন্মত পদ্ধতিৰে জাল স্থাপন কৰে। ই ভৱিষ্যত সময়ত নিশ্চিতভাৱে বৰটোকোলাৰ পোৱালিৰ মৃত্যুৰ হাৰ ৰোধ কৰাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব। এই কাৰ্যসূচীত লোহাৰঘাট বন বিভাগৰ বন বিষয়া নয়নজ্যোতি দাস আৰু বন বিভাগৰ কৰ্মচাৰীসকলৰ লগতে প্ৰকৃতিপ্ৰেমী ফুলমণি দাস, হিৰকজ্যোতি দাস, ৰঘু ৰণন দাস, ধ্ৰুৱ জ্যোতি দাস, ভাৰ্গৱ তালুকদাৰ, বনজ্যোতি নাথ, বাণী স্থিত শগুণ প্ৰজনন কেন্দ্ৰৰ কৰ্মচাৰীসকল উপস্থিত থাকে। বন বিভাগৰ এনে কাৰ্যসূচীক সচেতন ৰাইজে প্ৰসংশনীয় বুলি মতপোষণ কৰাৰ লগতে বিপদাপন্ন সাপ, চৰাইৰ লগতে বিভিন্ন জীৱ-জন্তু উদ্ধাৰ আৰু পুনঃ সংস্থাপন আৰু সংৰক্ষণৰ কাৰণে স্বেচ্ছাসেৱক হিচাপে কাম কৰি অহা ফুলমণি দাস আৰু তেওঁৰ দলটোৰ শলাগ লৈছে।

# মৃত্যু আৰু ন্যায়

গমনেই মৃত্যু। জীৱৰ জীৱন কালৰ যিকোনো সময়তে মৃত্যু ৰোধ কৰিব নোৱৰা সত্য হৈ উঠিব পাৰে। মৃত্যু বা মৰণক দৈহিক স্থিতিৰ অৱসান হিচাপে আখ্যা দিয়া হয়। মৃত্যু এটা অপ্ৰত্যাৱৰ্তী প্ৰক্ৰিয়া যাৰ ফলস্বৰূপে কোনো প্ৰাণীৰ জীৱনৰ বাবে দায়বদ্ধ সমগ্ৰ জৈৱিক প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বন্ধ হৈ যায়।

বিজ্ঞানৰ সৰল ব্যাখ্যাত অপ্ৰত্যাৱৰ্তী প্ৰক্ৰিয়া হৈছে এনে এটা প্ৰক্ৰিয়া যিটো বিপৰীত দিশলৈ উভতি যাব নোৱাৰে। এনে প্ৰক্ৰিয়াত এটা অনুক্ৰম বা প্ৰণালী আৰু পৰিৱেশৰ মাজত তাপৰ বিনিময়ৰ ফলত কোনো ভৌত অথবা বস্তু সম্পৰ্কিত ব্যৱস্থাত উপস্থিত থকা বিশৃংখলাৰ মাত্ৰা বৃদ্ধি পায়। চিকিৎসা বিজ্ঞানৰ সৰল দৃষ্টিভংগীত শ্বাস-প্ৰশ্বাস আৰু হৃদস্পন্দন বন্ধ হৈ পৰাকে মৃত্যু হিচাপে অভিহিত কৰা হয়। অৱশ্যে এনে প্ৰক্ৰিয়াক এচাম চিকিৎসা বিজ্ঞানীয়ে অপ্ৰত্যাৱৰ্তী প্ৰক্ৰিয়া হিচাপে বিবেচনা নকৰি মস্তিষ্কৰ ক্ৰিয়াকলাপ সম্পূৰ্ণ বন্ধ হৈ পৰা প্ৰক্ৰিয়াকহে মৃত্যু বুলি ক'ব খোজে।

হিন্দু ধৰ্মৰ দৃষ্টিভংগীত অস্থায়ী জড় দেহৰ পৰা আত্মা অথবা চেতনা পৃথক হৈ পৰা প্ৰক্ৰিয়াকে মৃত্যু হিচাপে বিবেচনা কৰা হয়। আত্মাক জড় দেহৰ চেতনাৰ কাৰণ বুলি অভিহিত কৰা হয়। আত্মা যেতিয়া শৰীৰৰ পৰা বাহিৰ হৈ যায় তেনে অৱস্থাত জীৱই চৈতন্য বা জীৱন ধৰি ৰাখিব নোৱাৰে। এনে পৰিস্থিতিত জীৱই বৈষয়িক বাসনা অনুসৰি কাম কৰিবলৈ অপাৰগ হয় আৰু এয়াই হৈছে মৃত্যু।

বৌদ্ধ মতবাদ অনুসৰি মৃত্যু দুখৰ পৰা মুক্তি লাভ কৰি জীৱনৰ সত্য উপলব্ধিৰ এক বিশেষ প্ৰাকৃতিক পৰিঘটনা। মৃত্যুৰ সজীৱ চেতনাৰ মাধ্যমেৰে জীৱই নিজৰ সকলো কথা মনত প্ৰাণৱন্ত কৰি ল'ব পাৰে আৰু এনে উপলব্ধিয়েই মানুহক জীৱনৰ প্ৰতি অৱহেলা কৰাটো যে অনুচিত তেনে সত্যত উপনীত কৰায়।

সামগ্ৰিক দৃষ্টিভংগীত মৃত্যু সকলোৰে বাবে এটা এৰাব নোৱৰা বাস্তৱ। এনে বাস্তৱৰ জীৱন্ত অনুভূতিয়ে জীয়াই থকাৰ আকাংক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰে। মৃত্যুৰ বাস্তৱতাৰ গভীৰ উপলব্ধিয়ে মানুহক আদৰ্শ জীৱন যাপনৰ প্ৰেৰণা দিয়ে। এনে প্ৰেৰণাই জীৱনৰ বহু কথা সুনিয়ন্ত্ৰিতভাৱে পৰিচালনা কৰাৰ প্ৰয়োজনীয় শিক্ষা আৰু জ্ঞান প্ৰদান কৰে। মৃত্যুৰ সৌন্দৰ্য উপলব্ধি কৰি সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যই লিখিছিল— 'মৃত্যুওতো এটা শিল্প। জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।'

আহিন মাহৰ দুই তাৰিখ শুকুৰবাৰ, ঊনৈশ ছেপ্টেম্বৰত ছিংগাপুৰৰ মহাসাগৰৰ বিস্তীৰ্ণ বালিৰ ওপৰত জাতিৰ প্ৰাণশক্তি, সংগীত আৰু মানৱীয় সেৱাৰ সহায়েৰে নিজৰ পৰিচিতি চিৰসেউজ কৰি ৰখা শিল্পীসত্তা, জুবিন গাৰ্গৰ অস্থায়ী জড় দেহৰ পৰা চেতনা পৃথক হৈ পৰা ৰহস্যপূৰ্ণ খবৰটোৱে বিগত সময়ছোৱাত মৃত্যুৰ লগত ন্যায়ৰ দাবীৰ সংযোগ ৰুধিব নোৱৰা ধৰণে শক্তিশালী কৰি তুলিছে। সমাজ জীৱনৰ প্ৰতিটো খোজতে মাথোঁ এটাই চিন্তা আমি ন্যায় পামনে? ৰাজনৈতিক ক্ষমতাধাৰী লোকসকলে এটা অনাকাংক্ষিত ৰহস্যপূৰ্ণ মৃত্যুৰ প্ৰকৃত কাৰণ কি আছিল সেই সৰল প্ৰশ্নটোৰ উত্তৰ দিয়াৰ মাজেৰে সুবিচাৰ অৰ্থাৎ, ন্যায় প্ৰদানত অসুবিধাৰ সন্মুখীন হোৱাৰ কাৰণ কি? মৃত্যুৰ ন্যায়, অৰ্থাৎ শিল্পীসত্তাৰ জীৱন অৱসানৰ যুক্তিযুক্ত উত্তৰ বিচাৰি কিয় পৰিয়াল, পৰিজন আৰু সমাজে হাহাকাৰ কৰিব লগা হ'ল।

কাৰ্যৰ পৰা কাৰণ আৰু কাৰণৰ পৰা কাৰ্য নিশ্চিত কৰা বিদ্যাই হৈছে ন্যায়। ন্যায়ৰ সৰল অৰ্থ হৈছে উচিত, যুক্তিযুক্ত। জুবিনৰ মৃত্যুৰ ন্যায় বুলি কোৱা কথাষাৰৰ অৰ্থ হৈছে— কি পৰিস্থিতি, কি কাৰণত জাতীয় শিল্পীসত্তাৰ দেহাৱসান হ'ল— সেই কথাৰ যুক্তিযুক্ত উত্তৰ প্ৰদান। গণতান্ত্ৰিক শাসন প্ৰণালী আৰু সমাজ জীৱনত ন্যায় প্ৰাপ্তিৰ বাবে আদালতৰ ওচৰ চপাটো জৰুৰী। অৰ্থাৎ আদালত, আইনজীৱীৰ আবেদন, অভিযোগকাৰী এই সকলো প্ৰক্ৰিয়া ন্যায় প্ৰদানৰ লগত জড়িত। ৰাজনৈতিক শাসন প্ৰক্ৰিয়াত অধিষ্ঠিত লোকসকলে ন্যায় বিচাৰ প্ৰদানত ব্যৰ্থ হ'লে, প্ৰক্ৰিয়াটোৱে নিৰ্দিষ্ট বিচাৰ প্ৰক্ৰিয়া প্ৰতিষ্ঠা কৰি ন্যায় প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰে।

বিশেষ অনুসন্ধান সংস্থা আৰু সংগঠিত দলৰ কাম হৈছে কোনো বিষয় বা ঘটনাৰ গভীৰভাৱে তথ্য সংগ্ৰহ কৰা অথবা ঘটনাৰ বিষয়ে পুংখানুপুংখভাৱে পৰীক্ষা কৰা আৰু অভিযোগনামা বা চূড়ান্ত প্ৰতিবেদন দাখিল কৰা। ন্যায়ালয়ত এনে অভিযোগনামাৰ আইনগত ব্যাখ্যা কৰাৰ অন্তত যথাযথ প্ৰমাণৰ ভিত্তিত বিবাদ নিষ্পত্তি কৰা, অপৰাধীক শাস্তি প্ৰদান কৰা আৰু নাগৰিকৰ মৌলিক অধিকাৰ ৰক্ষা কৰাৰ যথাযথ ব্যৱস্থা গ্ৰহণ কৰা হয়।

কোনো নিৰ্দিষ্ট ঘটনা সম্বন্ধীয় বিশেষ অনুসন্ধান সংস্থাই দাখিল কৰা অভিযোগৰ ভিত্তিত এটা নিৰ্দিষ্ট আইনী বিষয় নিষ্পত্তিৰ কাৰণে নিৰ্দিষ্ট সময়লৈ অপেক্ষা কৰাটো জৰুৰী। জাতিৰ স্বাভিমান জুবিন গাৰ্গ ডাঙৰীয়াৰ বিদেশৰ মাটিত ৰহস্যজনক মৃত্যুৰ ন্যায় দিম বুলি ৰাজনৈতিক নেতাসকলে সামাজিকভাৱে ঘোষণা কৰা কথাবোৰ কিমান যুক্তিসংগত এনে ঘোষণা দিব পৰা অধিকাৰ ৰাজনৈতিক নেতাসকলৰ আছেনে?

অসমৰ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ মহানায়কগৰাকী আমাৰ মাজত নাই। পৰিয়ালে বিচাৰিছে কেনেভাৱে এগৰাকী জাতীয় সম্পদ আপোন মানুহৰ মাজত চিৰদিনৰ বাবে হেৰাই গ'ল— সেই বিষয়ে যুক্তিসিদ্ধ বিৱৰণ। ক্ষমতাশালী ৰাজনৈতিক কৰ্তৃত্বৰ পৰা জাতীয় জীৱনে বিচাৰিছে এটা সৰল আৰু পতীয়ন যাব পৰা উত্তৰ। অসমৰ সামাজিক ইতিহাসত এতিয়ালৈকে কেইবাগৰাকী নাগৰিকৰ মৃত্যু সম্বন্ধীয় কথাবোৰ যথাযথ উত্তৰবিহীনভাৱে বৈ যোৱা কথাবোৰে ইতিমধ্যে ৰাজনৈতিক ক্ষমতাশালী লোকসকলৰ বহু কথাৰ বিশ্বাসযোগ্যতাৰ ওপৰত সন্দেহৰ ধাৰণা প্ৰকট কৰিছে। এগৰাকী বিশ্ব বৰেণ্য জাতীয় সম্পদৰ জীৱন অৱসানৰ ঘটনাক্ৰমে ৰাজনৈতিক প্ৰক্ৰিয়াৰ ওপৰত বিশ্বাসৰ ভেটি দুৰ্বল কৰিবলৈ ওলোৱা কথাটো গণতান্ত্ৰিক ব্যৱস্থাৰ কাৰণে শুভ লক্ষণ বুলিব নোৱাৰি। এনে পৰিস্থিতিয়ে যাতে জাতীয় সংকটৰ ৰূপ নলয় তাৰ প্ৰতি সকলো সচেতন হোৱা জৰুৰী। ৰাজনীতি সৰ্বোচ্চ পৰিৱেশে সামাজিক শৃংখলা বিনষ্ট কৰিলে জাতিয়ে কষ্ট ভুগিবলগীয়া হয়। বিগত সময়ৰ অভিজ্ঞতা, সমূহীয়া অশান্তিৰ কাৰণ যাতে হ'ব নোৱাৰে সেই কথাৰ প্ৰতি সকলো সচেতন হোৱাটো জাতিৰ ভালৰ বাবে অধিক জৰুৰী। জনতাৰ হৃদয়ৰ আপোন, জাতিৰ পৰিচিতি আৰু মহাপ্ৰতিভাধাৰী জুবিন গাৰ্গৰ মৃত্যু আৰু ন্যায়ৰ দাবীৰ বিশ্বাসযোগ্য সিদ্ধান্তই সামাজিক বিশ্বাসৰ ভেটি শক্তিশালী কৰিব নিশ্চয়।

### শিক্ষাৰ উত্তৰণ আৰু সামাজিক পৰিৱৰ্তনৰ হকে গঠিত পৰেশ বৈশ্য ফাউণ্ডেচনৰ উদ্যোগ

# শিশু সাহিত্য বিষয়ক ফেল'শ্বিপৰ বাবে আবেদন আহ্বান

**গুৱাহাটী ঃ** শিক্ষাৰ উত্তৰণ আৰু সামাজিক পৰিবৰ্তনৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনে অসমীয়া সাহিত্য বিষয়ক গৱেষণাধৰ্মী পাণ্ডুলিপি লিখাৰ বাবে ফেল'শ্বিপ প্ৰদানৰ ব্যৱস্থা কৰিছে। প্ৰতিবছৰে একো একোটা নিৰ্দিষ্ট বিষয়ত গৱেষণা কৰাৰ বাবে এই ফেল'শ্বিপ প্ৰদান কৰা হ'ব। ২০২৫ বৰ্ষৰ পাণ্ডুলিপিৰ বিষয় হ'ল— 'অসমীয়া শিশু সাহিত্যঃ ২০০১-২০২৫'। পাণ্ডুলিপি অসমীয়া ভাষাত লিখা হ'ব লাগিব। ২০২৫ চনৰ ৩১ ডিচেম্বৰত ৩০ বছৰৰ অনুৰ্দ্ধৰ ব্যক্তিয়ে এই ফেল'শ্বিপৰ বাবে আবেদন কৰিব পাৰিব। এই ফেল'শ্বিপৰ বাবে আবেদন কৰা সকলে আবেদনৰ লগত প্ৰথমতে বিষয়বস্তুৰ ওপৰত এটি সংক্ষিপ্তসাৰ প্ৰস্তুত কৰি এই সময়ছোৱাৰ কোনো কোনো শিশু-সাহিত্যিকৰ গ্ৰন্থ সামৰি ল'ব তাৰ তালিকা প্ৰেৰণ কৰিব লাগিব। ২০০১ চনৰ পৰা ২০২৫ চনৰ ভিতৰত প্ৰকাশিত অসমীয়া শিশু সাহিত্যৰ অধিক লেখকৰ ৰচনাৰাজিক সামৰি ল'ব পৰা আবেদনকাৰীক এই ফেল'শ্বিপৰ বাবে নিৰ্বাচিত কৰা হ'ব। আবেদন পত্ৰৰ লগত আবেদনকাৰীয়ে নিজৰ সম্পূৰ্ণ ঠিকনা, ই-মেইল, ম'বাইল নম্বৰ, বৃত্তি, বয়সৰ প্ৰমাণ পত্ৰ, একপি পাছপ'ৰ্ট আকাৰৰ ফটো আৰু এগৰাকী সাহিত্যিক বা অসমীয়া বিষয়ত অধ্যাপনা কৰা ব্যক্তিৰ ৰেফাৰেন্স লেটাৰ গাঁঠি দিব লাগিব। গৱেষণাধৰ্মী কামৰ প্ৰতি উৎসাহিত কৰাৰ বাবে বিশ্ববিদ্যালয় বা মহাবিদ্যালয়ত অসমীয়া বিষয়ত স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থকা বা অসমীয়া ভাষাৰ গৱেষক ছাত্ৰ-ছাত্ৰীক অগ্ৰাধিকাৰ দিয়া হ'ব। আবেদনকাৰীসকলৰ মাজৰ পৰা ন্যাসৰ বাছনি সমিতিয়ে ফেল'শ্বিপৰ বাবে নিৰ্বাচিত কৰিব। ফেল'শ্বিপৰ বাবে নিৰ্বাচিতজনক পাণ্ডুলিপিৰ মান অধিক উন্নত আৰু সমৃদ্ধ কৰাৰ বাবে পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰামৰ্শদাতা সমিতিয়ে প্ৰয়োজনীয় ইনপুট দিব। ফেল'শ্বিপৰ বাবে নিৰ্বাচিতজনক দুটা কিস্তিত মুঠ ২০ হাজাৰ টকা দিয়া হ'ব। নিৰ্বাচিতজনৰ সৈতে ন্যাসে এই সংক্ৰান্তত এখন চুক্তি কৰিব। চুক্তিবদ্ধ হোৱাৰ ১০ মাহৰ ভিতৰত চূড়ান্ত পাণ্ডুলিপি জমা দিব লাগিব। চূড়ান্ত পাণ্ডুলিপিখন প্ৰয়োজনীয় সংশোধনী সাপেক্ষে ন্যাসে ছপা আকাৰত প্ৰকাশ কৰিব। ইচ্ছুকসকলক উক্ত ফেল'শ্বিপৰ বাবে আবেদনসমূহ ২০২৬ বৰ্ষৰ ৩১ জানুৱাৰীৰ ভিতৰত প্ৰেৰণ কৰিবলৈ জনোৱা হৈছে। আবেদন পঠিওৱাৰ ঠিকনা ঃ পৰেশ বৈশ্য, পৰিচালন ন্যাসৰক্ষী, পৰেশ বৈশ্য ফাউণ্ডেচন, গৃহ নম্বৰ- ৫, হাউছফেড হাউছিং কমপ্লেক্স, পশ্চিম বৰাগাঁও, ডাক- গড়চুক, গুৱাহাটী- ৩৫, কামৰূপ মহানগৰ। ম'বাইল নম্বৰ ঃ ৯৮৫৯২-৬৩৯৭৩।

## সাংবাদিক নিপজ্যোতি মেধিলৈ ৰাষ্ট্ৰীয় বঁটা ঘোষণা



**নলবাৰী ঃ** অসম ৰাজ্যিক সাংবাদিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক, 'দৈনিক জনমভূমি' কাকতৰ নলবাৰী সদৰৰ বিশেষ প্ৰতিনিধি, কবি, সাহিত্যিক নিপজ্যোতি মেধি ৰাষ্ট্ৰীয় বঁটা-২০২৫ৰ বাবে মনোনীত হৈছে। সুদীৰ্ঘকাল সাহিত্যসেৱা, সংবাদসেৱা, সমাজসেৱা কৰি অহা মেধিয়ে ইতিমধ্যে ডেৰকুৰিখনতকৈও অধিক গ্ৰন্থ লিখি উলিয়াইছে। নলবাৰী জিলাৰ টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত শিয়ালমাৰী গাঁৱত জন্মগ্ৰহণ কৰা নিপজ্যোতিয়ে স্কুলীয়া কালৰে পৰা পিতৃৰ আদৰ্শ অনুসৰণ কৰি সাহিত্যসেৱা কৰি আহিছে। ইতিমধ্যে তেওঁ কেইবাটাও ৰাজ্যিক, ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্তিৰ খবৰ পোৱাৰ পিছত তেওঁক বিভিন্ন দল-সংগঠন, ব্যক্তি বিশেষে শুভেচ্ছা জনাইছে। উল্লেখ্য যে নিপজ্যোতি মেধি সদৌ অসম সাংবাদিক সন্থা (আজু) আৰু নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত ৰোহিনী মেধি আৰু অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী গিৰিজা মেধিৰ জ্যেষ্ঠ পুত্ৰ। অহা ৩০ নৱেম্বৰত গুৱাহাটীত ৰাষ্ট্ৰীয় মহিলা সুৰক্ষা সংগঠনে নিপজ্যোতি মেধিক ৰাষ্ট্ৰীয় বঁটা-২০২৫ প্ৰদান কৰিব।


জনতাৰ চৰকাৰ | my GOV मेरी सरकार

सत्यमेव जयते

অসম চৰকাৰ

উচ্চ আৰু বিদ্যালয় শিক্ষা বিভাগ

নিযুত মইনা ২.০ৰ

চেক বিতৰণ

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি



উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ



জিলা অনুসৰি ছাত্ৰীৰ সংখ্যা

| জিলা | উচ্চ শিক্ষা | বিদ্যালয় শিক্ষা | এছ চি ই আৰ টি | মুঠ |
|---|---|---|---|---|
| কামৰূপ | ১০৯৭৫ | ১১৪৩৩ | ১৩ | ২২৪২১ |
| কামৰূপ (মহানগৰ) | ১৩১৬৩ | ৭৯০১ | ২০ | ২১০৮৪ |
| নগাঁও | ৯৬৩৩ | ৯৭৩৬ | ৭ | ১৯৩৭৬ |
| বৰপেটা | ৭২৭২ | ১১০৩১ | ৪৬ | ১৮৩৪৯ |
| কাছাৰ | ৬১০৭ | ১০৫৫৮ | ১৯ | ১৬৬৮৪ |
| ধুবুৰী | ৫৭৯২ | ১০১৮১ | - | ১৫৯৭৩ |
| লখিমপুৰ | ৬৬২২ | ৮৫৭৯ | ২৪ | ১৫২২৫ |
| ধেমাজি | ৫২৪৪ | ৭৬৫৬ | ১৪ | ১২৯১৪ |
| কোকৰাঝাৰ | ৬০৯২ | ৬৫৯৯ | ৪৭ | ১২৭৩৮ |
| ডিব্ৰুগড় | ৫৯৪২ | ৬৩২৩ | ৪৯ | ১২৩১৪ |
| গোৱালপাৰা | ৪৫৭৩ | ৭৪১১ | ৫৪ | ১২০৩৮ |
| মৰিগাঁও | ৪০৬৯ | ৭৮০১ | ১১৪ | ১১৯৮৪ |
| নলবাৰী | ৫৮৮৩ | ৫৯১৯ | ৪৭ | ১১৮৪৯ |
| গোলাঘাট | ৪৮৫৪ | ৬৬৭৬ | ৩৫ | ১১৫৬৫ |
| শোণিতপুৰ | ৫৪৭৩ | ৫৮১৬ | ৮৩ | ১১৩৭২ |
| যোৰহাট | ৫৫৫২ | ৫২৭২ | ৬৯ | ১০৮৯৩ |
| শ্ৰীভূমি | ৪৫৩১ | ৫৪৮৭ | ২৪ | ১০০৪২ |
| তিনিচুকীয়া | ৪০৩০ | ৫৭৭১ | - | ৯৮০১ |

| জিলা | উচ্চ শিক্ষা | বিদ্যালয় শিক্ষা | এছ চি ই আৰ টি | মুঠ |
|---|---|---|---|---|
| দৰং | ৪৫৪৪ | ৪৩৮০ | ৮ | ৮৯৩২ |
| শিৱসাগৰ | ৩৭১২ | ৪৪১৭ | - | ৮১২৯ |
| ওদালগুৰি | ৪২৪৫ | ৩৭২০ | - | ৭৯৬৫ |
| বঙাইগাঁও | ৩৭৯১ | ৩৯৪৩ | ৫৫ | ৭৭৮৯ |
| হোজাই | ৪২১১ | ৩৪৮২ | - | ৭৬৯৩ |
| বিশ্বনাথ | ২৭৪৪ | ৪৪৫৫ | ৩২ | ৭২৩১ |
| হাইলাকান্দি | ২৫৪৭ | ৪৩৫৪ | ২৪ | ৬৯২৫ |
| বাক্সা | ১৯১৭ | ৩৪৭১ | - | ৫৩৮৮ |
| বজালী | ২৯২৫ | ২২৬১ | - | ৫১৮৬ |
| তামুলপুৰ | ১২৭০ | ৩৩৩৪ | - | ৪৬০৪ |
| চিৰাং | ২৪৭১ | ২১২০ | - | ৪৫৯১ |
| চৰাইদেউ | ১৭০৬ | ২৭৮৫ | - | ৪৪৯১ |
| কাৰ্বি আংলং | ২১৭২ | ২২২৭ | ১৯ | ৪৪১৮ |
| দক্ষিণ শালমাৰা-মানকাচৰ | ১৮৬৯ | ১৮০২ | - | ৩৬৭১ |
| মাজুলী | ১৪৫৩ | ১৬১৫ | - | ৩০৬৮ |
| ডিমা হাছাও | ৯৯০ | ১৭২৫ | ৩২ | ২৭৪৭ |
| পশ্চিম কাৰ্বি আংলং | ১৬৩ | ৬৫২ | - | ৮১৫ |
| মুঠ | ১৫৮৫৩৭ | ১৯০৮৯৩ | ৮৩৫ | ৩৫০২৬৫ |

২০২৪-২৫
১.৬ লাখ ছাত্ৰীলৈ ১৩৩ কোটি টকা মুকলি

২০২৫-২৬
৩.৫ লাখ+ ছাত্ৰীলৈ নিযুত মইনা আঁচনিৰ সুবিধা

সামাজিক ফলপ্ৰসূতা

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ প্ৰতিৰোধ তথা কিশোৰী অৱস্থাৰ মাতৃত্বৰ হাৰ হ্ৰাস
- আৱেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ক বয়সৰ নোহোৱালৈকে কন্যাসকলৰ বিবাহ প্ৰতিৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

*RO No. 3055/25/19-Nov-25*

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

অসম ভূমি ■ ১৯ নৱেম্বৰ, ২০২৫

সম্পাদকৰ মেজৰ পৰা...

# অসমত মুছলমানক লৈ ৰাজনীতি

অসমত ২০২৬ চনত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনক লৈ বিভিন্ন ৰাজনৈতিক দল তৎপৰ হৈ পৰিছে। প্ৰতিটো দলেই ৰাজ্যৰ ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰি দিছপুৰৰ ক্ষমতা দখলৰ বাবে কাম-কাজ আৰম্ভ কৰিছে। ৰাজ্যৰ শাসকীয় বিজেপি-অগপ মিত্ৰজোঁটৰ পৰা আৰম্ভ কৰি বিৰোধী কংগ্ৰেছ, অসম জাতীয় পৰিষদ, ৰাইজৰ দল, চিপিআইএম, এআইইউডিএফ আদি কোনো এটা দলেই এই ক্ষেত্ৰত পিছপৰি থকা নাই। বিগত কেইবাটাও নিৰ্বাচনত ধাৰাবাহিকভাৱে মুখ থেকেচা খালেও বিজেপি-অগপ মিত্ৰজোঁটৰ বিৰুদ্ধে পুনৰ ঐক্যবদ্ধভাৱে নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ প্ৰস্তুতি চলাইছে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী দলসমূহে। বিৰোধীৰ এনে প্ৰস্তুতিৰ মাজতেই ৰাজ্যৰ ৰাজনীতিত আবিৰ্ভাৱ ঘটিছে ৰাষ্ট্ৰীয় উলামা কাউন্সিলৰ। যোৱা দেওবাৰে দলটোৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইগৰাকীমান নেতাই দিছপুৰ প্ৰেছ ক্লাবত এখন সংবাদমেল অনুষ্ঠিত কৰি ২০২৬ৰ বিধানসভাৰ নিৰ্বাচনত অসমৰ ১৩খন জিলাৰ সংখ্যালঘু অধ্যুষিত প্ৰায় ৩৫ টা সমষ্টিত প্ৰাৰ্থিত্ব আগবঢ়াব বুলি ঘোষণা কৰিছে। প্ৰয়োজনত বদৰুদ্দিন আজমল নেতৃত্বাধীন এআইইউডিএফৰ লগলাগি অসমত মুছলমানসকলৰ এক তৃতীয় বিকল্প গঠনৰ কথাও সংবাদমেলত সদৰী কৰিছে দলটোৰ ৰাষ্ট্ৰীয় মহাসচিব তালহা আমীৰ ৰাশ্বাদীয়ে। উল্লেখ্য যে অসমত মুছলমান সমাজক লৈ ৰাজনীতি এয়াই প্ৰথম নহয়। মূলতঃ মুছলমানক লৈ ৰাজ্যৰ ৰাজনীতিত জন্ম হোৱা একাধিক ৰাজনৈতিক দলৰ অপমৃত্যু ঘটাৰ পিছত শেহতীয়াকৈ ৰাজ্যৰ ৰাজনীতিত সক্ৰিয় হৈ আছে বদৰুদ্দিন আজমল নেতৃত্বাধীন এআইইউডিএফ দল। অসম বিধানসভাত বৰ্তমান এই দলটোৰ ১৬ গৰাকী বিধায়ক আছে। ইয়াৰে প্ৰায় সংখ্যকেই সংখ্যালঘু অধ্যুষিত অঞ্চলৰ পৰা নিৰ্বাচিত। এই দলটো সক্ৰিয় হৈ থকা পিছত ৰাজ্যৰ ৰাজনীতিত ৰাষ্ট্ৰীয় উলামা কাউন্সিলে নতুন বিকল্পৰ সন্ধান বিচৰাতো এটা গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। উল্লেখ্য যে অসমত সংখ্যালঘু অধ্যুষিত অঞ্চলত কংগ্ৰেছৰো বিশেষ প্ৰভাৱ আছে। আগত বিধানসভা নিৰ্বাচনক লৈ কংগ্ৰেছে সংখ্যালঘু অধ্যুষিত অঞ্চলত ইতিমধ্যে কুচ-কাৱাজ আৰম্ভ কৰিছে। আনহাতে, বিগত লোকসভা নিৰ্বাচনত এআইইউডিএফৰ সভাপতি বদৰুদ্দিন আজমলৰ শোচনীয় পৰাজয়ৰ পিছত মুছলমান সমাজত এই দলটোৰ জনপ্ৰিয়তা হ্ৰাস পোৱা বুলি চৰ্চ্চিত হৈছে। ইয়াৰ সুযোগ লৈ কংগ্ৰেছে সংখ্যালঘু অধ্যুষিত অঞ্চলত নিজৰ ভেটি সবল কৰিবলৈ চেষ্টা চলাইছে। লক্ষ্যণীয়ভাৱে ৰাজ্যৰ একাংশ সংখ্যালঘু অধ্যুষিত অঞ্চলক লক্ষ্য কৰি লৈছে অখিল গগৈ নেতৃত্বাধীন ৰাইজৰ দলেও। ইপিনে, বিজেপি চৰকাৰে চলোৱা উচ্ছেদ অভিযানক লৈ ঘাইকৈ ক্ষুণ্ণ হৈ আছে ৰাজ্যৰ মুছলমান সমাজ। এনে অৱস্থাত ৰাজ্যৰ মুছলমান সমাজক একত্ৰিত হোৱাৰ পৰা বাধা দিবলৈয়েই অসমত ৰাষ্ট্ৰীয় উলামা কাউন্সিলৰ নেতৃত্ব তৎপৰ হৈ পৰা বুলিও চৰ্চ্চিত হৈছে। উল্লেখ্য যে সদ্য সমাপ্ত বিহাৰৰ বিধানসভা নিৰ্বাচনতো মুছলমান সমাজৰ ভোট বিভাজনেৰে প্ৰকাৰন্তৰে আছাদুদ্দিন ওৱেইছিয়ে বিজেপিক সহায় কৰাৰ অভিযোগ উত্থাপন হৈছে। তেনে ক্ষেত্ৰত উচ্ছেদৰ বিৰোধিতা কৰি আৰু উচ্ছেদিতসকলক পুনৰ সংস্থাপনৰ ৰাজনীতিৰে অসমটো সংখ্যালঘু অধ্যুষিত অঞ্চলত প্ৰভাৱ বিস্তাৰ কৰি নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ ৰাষ্ট্ৰীয় উলামা কাউন্সিলৰ নেতৃত্ব তৎপৰ হৈ পৰা বুলি চৰ্চ্চিত হৈছে। বিভিন্ন ৰাজনৈতিক দলে সংখ্যালঘু অধ্যুষিত অঞ্চলৰ ৰাইজক নিজৰ ভোট বেংক হিচাপে ব্যৱহাৰ কৰি অহাতো নতুন কথা নহয়। ইয়াৰ বিপৰীতে যদি আৰম্ভণিৰে পৰাই এই অঞ্চলসমূহত উন্নয়নৰ বাবে চৰকাৰে কাম কৰিলেহেঁতেন তেনেহ'লে আজি চৰকাৰে উচ্ছেদ চলাবলগীয়া পৰিস্থিতিৰ সৃষ্টি নহ'লহেঁতেন। এই কথা যেতিয়ালৈকে বুজি নুঠিব তেতিয়ালৈকে ৰাজনৈতিক শোষণৰ পৰা মুক্তি লাভ নকৰিব সংখ্যালঘু অধ্যুষিত অঞ্চলৰ ৰাইজে।

**ব্ৰিটিছৰ দিনত দেশ উদ্ধাৰ আৰু স্বাধীনৰ বাবে বহু অসমীয়াই হাঁহিমুখে ফাঁচিকাঠত ওলমিছিল। বহু কৃষকৰ ৰক্তৰে ৰঞ্জিত কৰিছিল দেশৰ মাটি। ঠিক তেনেদৰে অসম আন্দোলনতো বহুত ডেকাই প্ৰাণ আহুতি দিছিল। এনেবোৰ কাৰণতেই মনত এক অদম্য সাহস জাগ্ৰত হৈ থাকে যে অসম কেতিয়াও নমৰে আৰু মৰিব নোৱাৰে। অৰ্থনৈতিক স্বাধীনতাও আমাৰ প্ৰাপ্য আৰু আঁজুৰি আনিবলৈ সংকল্প লোৱা উচিত আৰু নতুন সংগ্ৰাম এখনৰ প্ৰস্তুতিৰ সময় সমাগত। 'ভাৰতবৰ্ষৰ অৰ্থনীতি নিয়ন্ত্ৰণ কৰি আছে আজি কেইজনমান ধনকুবেৰে। দেশৰ বেছিভাগ সম্পত্তি কুক্ষিগত হৈ আছে পুঁজিবাদী সাম্ৰাজ্যবাদী কেইজনমান ধনকুবেৰৰ হাতত!' চৰকাৰী বহুতো প্ৰতিষ্ঠান, বিভাগ, ব্যক্তিগতকৰণৰ নীতিয়ে জনবিৰোধী, শ্ৰমিকবিৰোধী অৰ্থনীতিত কুঠাৰাঘাত কৰিছে। সাম্ৰাজ্যবাদী পুঁজিবাদী গোষ্ঠীৰ দ্বাৰাই বজাৰ নিয়ন্ত্ৰণ হৈছে। স্বাধীন ভাৰতবৰ্ষত আজি সৰ্বসাধাৰণৰ বাবে অৰ্থনৈতিক স্বাধীনতা নাই! অৰ্থনৈতিক স্বাধীনতা অবিহনে আজি ৰাজনৈতিক স্বাধীনতা মূল্যহীন।**

# অৰ্থনৈতিক স্বাধীনতা বনাম ৰাজনৈতিক স্বাধীনতা

অনিল কুমাৰ কলিতা

ভাৰতত ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত স্বাধীনতা আন্দেলন আৰম্ভ হয়। গান্ধীজীয়ে ১৯১৫ চনত দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ আহে আৰু দেশৰ স্বাধীনতা আন্দোলনত যোগদান কৰে। ১৯১৭ চনত ৰুছ বিপ্লৱ সফল হয় আৰু কমিউনিজমৰ আদৰ্শই সমগ্ৰ বিশ্বৰেই দৃষ্টি আকৰ্ষণ কৰে। ৰুছ বিপ্লৱ আৰু ভাৰত স্বাধীনতা আন্দোলনক সমসাময়িক বুলি ক'ব পাৰি। ছোভিয়েট ৰাছিয়াৰ বলছেভিক বিপ্লৱে বিশেষকৈ ভাৰতীয় প্ৰগতিশীল মনৰ ব্যক্তিসকলক বিশেষভাৱে প্ৰভাৱিত কৰে। কলিকতাৰ সাহিত্য-সংস্কৃতি আৰু ৰাজনীতিত ৰুছ বিপ্লৱৰ প্ৰভাৱ বেছিকৈ পৰে; কিন্তু এফালে মহাত্মা গান্ধীৰ অহিংস আন্দোলন আৰু ৰুছ বিপ্লৱৰ সশস্ত্ৰ সংগ্ৰামৰ ধাৰা এই দুয়োটাই বহুতকে দ্বিধাগ্ৰস্তও কৰি তোলে। অহিংস পথেৰেই আন্দোলন কৰি ইংৰাজক খেদিব পাৰিব বুলি বহুতেই বিশ্বাস কৰিব পৰা নাছিল। মাত্ৰ ১০ দিনতে বলছেভিক বিপ্লৱৰ জৰিয়তে অত্যাচাৰী জাৰ সম্ৰাটক গাদীচ্যুত কৰি শ্ৰমজীৱী মানুহৰ চৰকাৰ গঠন কৰা কাৰ্যই বহুতকেই উৎসাহিত কৰি তুলিছিল। সেই উৎসাহী যুৱ নেতাসকলৰ অন্যতম আছিল সৌমেন্দ্ৰ নাথ ঠাকুৰ। কলিকতাৰ ইণ্ডিয়ান এছ'চিয়েচন হলত অনুষ্ঠিত সভাত সৌমেন্দ্ৰ নাথ ঠাকুৰৰ ওপৰত গুৰুদায়িত্ব অৰ্পিত হয়। সৌমেন্দ্ৰ নাথ ঠাকুৰে সাম্যবাদী নীতি-আদৰ্শৰে ভাৰতৰ স্বাধীনতা লাভ কৰিলে ৰাজনৈতিক স্বাধীনতাৰ লগতে অৰ্থনৈতিক স্বাধীনতাও সুৰক্ষিত হ'ব বুলি আশা কৰিছিল। ভাৰতৰ ৰাজনৈতিক পটভূমিত মাৰ্ক্সবাদৰ ৰূপায়ণ কিদৰে সম্ভৱ কৰিব পাৰি, তাৰেই উদ্দেশ্যে ১৯২৭ৰ এপ্ৰিল মাহত পৰিস্থিতি অধ্যয়ন কৰিবলৈ মস্কোলৈ যোৱাৰ পথত তেওঁ পেৰিছত কমিউনিষ্ট নেতাসকলৰ স'তে বিশদভাৱে আলোচনা কৰিছিল। ফ্ৰান্সৰ বাওঁপন্থী নেতাসকলে সৌমেন্দ্ৰ নাথ ঠাকুৰক ভাৰতৰ স্বাধীনতা আন্দোলনত সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। তাত তেওঁ বিভিন্ন বাতৰি কাকতৰ সম্পাদকসকলৰ স'তেও আলোচনা কৰে আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰতি তেওঁলোকৰ সমৰ্থন আদায় কৰিবলৈ সক্ষম হয়। যিহেতু ইংৰাজ আৰু ফৰাচীসকলৰ মাজত সততে বিৰোধ অব্যাহত আছিল, গতিকে সৌমেন্দ্ৰ নাথ ঠাকুৰে লগ পোৱা প্ৰায়ভাগেই ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰতি সমৰ্থন আগবঢ়ায়। ঠাকুৰে পেৰিছৰ পৰা জাৰ্মানীৰ বাৰ্লিনত উপস্থিত হয় আৰু পৰিস্থিতি অধ্যয়ন কৰে। তেওঁ কমিউনিষ্ট আন্তৰ্জাতিক (কুমিণ্টাৰ্ন)ৰ ষষ্ঠ কংগ্ৰেছত ভাৰতৰ প্ৰতিনিধি হিচাপে যোগদান কৰি ভাৰত ভূমিত শ্ৰেণী সংগ্ৰামৰ বাবে অনুকূল বুলি যুক্তি দৰ্শায়। সেই সন্মিলনতে ব্ৰিটিছ কমিউনিষ্ট পাৰ্টিৰ সদস্যৰ স'তে তেওঁৰ মত বিৰোধ হয়। ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে ব্ৰিটিছ কমিউনিষ্ট পাৰ্টিৰ নিৰ্দেশাৱলী মানি চলাটো উচিত বুলি যুক্তি দৰ্শোৱাত সৌমেন্দ্ৰ নাথ ঠাকুৰে তাৰ তীব্ৰ প্ৰতিবাদ কৰে। সেই সময়তে ঠাকুৰৰ যুক্তি মানি লোৱা হ'লে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ আজিৰ দৰে দুৰ্দশা নিশ্চয় নহ'লহেঁতেন। ব্ৰিটিছ কমিউনিষ্ট পাৰ্টিৰ নিৰ্দেশ মানি অহাৰ ফলস্বৰূপে ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে বাৰে বাৰে উজুটি খাব লগা হৈছিল। সময়ত ভাৰতৰ কমিউনিষ্ট পাৰ্টিক ব্ৰিটিছ কমিউনিষ্ট পাৰ্টিৰ দালাল আৰু দেশদ্ৰোহী আখ্যা দিয়া হৈছিল। ব্ৰিটিছ কমিউনিষ্ট পাৰ্টিয়ে যে সাম্ৰাজ্যবাদৰ স্বাৰ্থ বিসৰ্জন দিব পৰা নাছিল, সেই কথা মূৰকত প্ৰকট হৈ উঠিছিল। ব্ৰিটিছ কমিউনিষ্ট পাৰ্টিয়ে সাম্ৰাজ্যবাদৰ স্বাৰ্থ অটুট ৰাখিহে ভাৰতৰ কমিউনিষ্ট পাৰ্টিক দিহা-পৰামৰ্শ দিয়াৰ কথা ভাৰতৰ সমগোত্ৰীসকলে অনুধাৱন কৰিব পৰা নাছিল। আপোচহীন সংগ্ৰামী সৌমেন্দ্ৰ নাথ ঠাকুৰে ইয়াৰ ব্যতিক্ৰম। তেওঁ ছোভিয়েট ৰাছিয়াত থকাৰ কালছোৱাতেই নিকলাই বুখাৰিনৰ পৰা মাৰ্ক্সবাদ সম্পৰ্কে পাঠ গ্ৰহণ কৰে। ঠাকুৰে ৰুছ ভাষা শিকি গাঁও-নগৰ, কল-কাৰখানা, শিক্ষা-প্ৰতিষ্ঠান আদি পৰিদৰ্শন কৰে। ছোভিয়েট ইউনিয়নৰ কৃষক-বনুৱাসকলৰ সুন্দৰ জীৱন নিৰ্বাহে সৌমেন্দ্ৰ ঠাকুৰক বিশেষভাৱে আকৰ্ষিত কৰে। তেওঁ ৰুছ দেশৰ ভিতৰুৱা অঞ্চল ভ্ৰমণ কৰি সুন্দৰ ছবি এখন দেখিবলৈ পায়। তেওঁ মস্কোৰ পৰা বাৰ্লিনলৈ আহে। ইয়াতেই আন দুগৰাকী কমিউনিষ্ট নেতা বীৰেন্দ্ৰ নাথ চট্টোপাধ্যায় আৰু ক্লিমেণ্ট দত্তৰ স'তে ভাৰতৰ কমিউনিষ্ট আন্দোলন সবল কৰি তুলিবলৈ এটি সচিবালয় গঢ়ি তোলে। সৌমেন্দ্ৰ নাথ ঠাকুৰ জাৰ্মান কমিউনিষ্ট পাৰ্টিৰো সদস্য হয়। সেই সময়তেই জাৰ্মানীৰ বৌদ্ধিক মহলত গান্ধীবাদী চিন্তাই প্ৰবলভাৱে গা কৰি উঠিবলৈ লোৱাত তেওঁ অসন্তুষ্টি প্ৰকাশ কৰে। গান্ধীবাদক যিকোনো প্ৰকাৰে ভেটিবলৈ ছ'চিয়েলিষ্ট আৰু কমিউনিষ্টসকলৰ এটি যুক্ত ফ্ৰণ্ট গঠন কৰিবলৈ জাৰ্মানবাসীলৈ আবেদন জনায়। জাৰ্মানীতেই তেওঁ 'লাল হিন্দুস্তান' নামেৰে এখন পত্ৰিকা জাৰ্মান ভাষাত প্ৰকাশ কৰি ভাৰতৰ আন্দোলনক সমৰ্থন জনাবলৈ জাৰ্মানীসকলৰ প্ৰতি আহ্বান জনায়। সেই সময়তে ইংলেণ্ডত থকা ভাৰতীয় ছাত্ৰসকলৰ দ্বাৰা প্ৰকাশিত 'ভাৰত' নামৰ পত্ৰিকাতো তেওঁ নিয়মীয়াকৈ ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি সমৰ্থন জনাই প্ৰবন্ধ লিখিছিল। নাজীবাদৰ বিৰোধিতা কৰা হেতুকে তেওঁ শেষত জাৰ্মানীৰ কাৰাগাৰতো আবদ্ধ হৈ থাকিবলগীয়া হৈছিল। কাৰাগাৰৰ পৰা মুক্তি লাভ কৰি ভালেমান বুদ্ধিজীৱীৰ স'তে আলোচনা কৰি ১৯৩৪ৰ জানুৱাৰীত ভাৰতলৈ ঘূৰি আহে। ঠাকুৰে ১৯৩৭ৰ শেষৰ ফালে কমিউনিষ্ট আন্দোলনৰ সংগঠনৰ বাবে গুৱাহাটীলৈ আহে।

১১ পৃষ্ঠাত

> ভাৰতৰ এই উচ্চাকাংক্ষী অৰ্থনৈতিক উত্থানৰ কেন্দ্ৰবিন্দু হৈছে ইয়াৰ জনগাঁথনিগত সুবিধা, যিটো পৃথিৱীৰ আন কোনো বৃহৎ অৰ্থনীতিৰ বাবে এই মাত্ৰাত উপলব্ধ নহয়। দেশখনৰ কৰ্মক্ষম জনসংখ্যাৰ সংখ্যা তুলনাহীন আৰু এই যুৱ জনতাই অৰ্থনীতিৰ সকলো খণ্ডলৈ নতুন শক্তি আৰু উদ্যম কঢ়িয়াই আনিব পৰা ক্ষমতা ৰাখে। অৱশ্যে এই জনশক্তিৰ কেৱল সংখ্যাগত উপস্থিতি যথেষ্ট নহয়; ইয়াক একবিংশ শতিকাৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ উন্নত দক্ষতা আৰু গুণগত শিক্ষাৰে সজ্জিত কৰা উচিত। বৰ্তমানৰ শিক্ষা ব্যৱস্থাক উদ্যোগৰ প্ৰয়োজনীয়তাৰ সৈতে সংলগ্ন কৰিবলৈ কৌশলগত সংস্কাৰ, বৃত্তিমূলক প্ৰশিক্ষণৰ সম্প্ৰসাৰণ আৰু গৱেষণা আৰু উদ্ভাৱনৰ সংস্কৃতি গঢ়ি তোলাৰ প্ৰয়োজন আছে। যুৱক-যুৱতীসকলক কেৱল শ্ৰমিক হিচাপেই নহয়, উদ্ভাৱক আৰু উদ্যোগী হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিলেহে এই জনগাঁথনিগত সুবিধা দীৰ্ঘম্যাদী অৰ্থনৈতিক বিকাশৰ এক স্থায়ী উৎস হ'ব পাৰিব।

# ভাৰতীয় অৰ্থনীতি


**হিমাংশু ৰঞ্জন ভূঞা**

ভাৰতীয় অৰ্থনীতিয়ে বিশ্ব অৰ্থনৈতিক ক্ষেত্ৰত বৰ্তমান এক নিৰ্ণায়ক সন্ধিক্ষণত উপনীত হৈছে আৰু ইয়াৰ ভৱিষ্যৎ গতিপথ কেৱল দেশখনৰ বাবেই নহয়, সমগ্ৰ বিশ্বৰ স্থিৰতাৰ বাবেও অপৰিহাৰ্য। এক বিশাল আৰু ক্ৰমবৰ্ধমান বজাৰ, এক সজীৱ গণতান্ত্ৰিক ব্যৱস্থা আৰু এক বিশাল যুৱ জনশক্তিৰ সৈতে ভাৰত বিশ্বৰ অন্যতম ক্ষিপ্ৰতম গতিত বিকাশ লাভ কৰা বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। দীৰ্ঘদিন ধৰি অৰ্থনৈতিক উন্নয়নৰ ধীৰ গতিৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ পাছত, দেশখনে এতিয়া এক নতুন গতি লাভ কৰিছে, য'ত উদ্ভাৱন, প্ৰযুক্তি আৰু সংস্কাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই ভৱিষ্যতৰ পথ কেৱল মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ ওপৰতে নিৰ্ভৰ নকৰে, বৰং ই সামগ্ৰিক বিকাশ, বিত্তীয় শৃংখলা আৰু বহনক্ষম পৰিৱেশ নীতিৰ ওপৰতো নিৰ্ভৰ কৰে। ভাৰতৰ অৰ্থনৈতিক সপোনক বাস্তৱ ৰূপ দিয়াৰ বাবে আন্তঃগাঁথনিৰ দুগুণীকৰণ, উৎপাদন খণ্ডৰ এক বৈপ্লৱিক উত্থান আৰু জনশক্তিৰ দক্ষতাৰ সম্পূৰ্ণ বিকাশৰ প্ৰয়োজনীয়তা আছে।

ভাৰতৰ এই উচ্চাকাংক্ষী অৰ্থনৈতিক উত্থানৰ কেন্দ্ৰবিন্দু হৈছে ইয়াৰ জনগাঁথনিগত সুবিধা, যিটো পৃথিৱীৰ আন কোনো বৃহৎ অৰ্থনীতিৰ বাবে এই মাত্ৰাত উপলব্ধ নহয়। দেশখনৰ কৰ্মক্ষম জনসংখ্যাৰ সংখ্যা তুলনাহীন আৰু এই যুৱ জনতাই অৰ্থনীতিৰ সকলো খণ্ডলৈ নতুন শক্তি আৰু উদ্যম কঢ়িয়াই আনিব পৰা ক্ষমতা ৰাখে। অৱশ্যে এই জনশক্তিৰ কেৱল সংখ্যাগত উপস্থিতি যথেষ্ট নহয়; ইয়াক একবিংশ শতিকাৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ উন্নত দক্ষতা আৰু গুণগত শিক্ষাৰে সজ্জিত কৰা উচিত। বৰ্তমানৰ শিক্ষা ব্যৱস্থাক উদ্যোগৰ প্ৰয়োজনীয়তাৰ সৈতে সংলগ্ন কৰিবলৈ কৌশলগত সংস্কাৰ, বৃত্তিমূলক প্ৰশিক্ষণৰ সম্প্ৰসাৰণ আৰু গৱেষণা আৰু উদ্ভাৱনৰ সংস্কৃতি গঢ়ি তোলাৰ প্ৰয়োজন আছে। যুৱক-যুৱতীসকলক কেৱল শ্ৰমিক হিচাপেই নহয়, উদ্ভাৱক আৰু উদ্যোগী হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিলেহে এই জনগাঁথনিগত সুবিধা দীৰ্ঘম্যাদী অৰ্থনৈতিক বিকাশৰ এক স্থায়ী উৎস হ'ব পাৰিব।

এই বিশাল কৰ্মক্ষম জনশক্তিৰ সম্পূৰ্ণ সদ্ব্যৱহাৰৰ বাবে, স্বাস্থ্য সেৱাৰ প্ৰতি গুৰুত্ব দিয়াটোও অৰ্থনৈতিক নীতিৰ এক অবিচ্ছেদ্য অংশ। উন্নত স্বাস্থ্য সেৱা আৰু পুষ্টিৰ যোগানে শ্ৰমিকৰ উৎপাদনশীলতা বৃদ্ধি কৰে আৰু অৰ্থনীতিৰ ওপৰত স্বাস্থ্যজনিত ব্যয়ৰ বোজা কমায়। বিশেষকৈ, গ্ৰাম্য আৰু দৰিদ্ৰ জনসাধাৰণৰ বাবে সুলভ আৰু মানসম্পন্ন স্বাস্থ্য সেৱাৰ সুবিধা নিশ্চিত কৰাটো সমাজৰ সকলো স্তৰৰ লোকৰ বাবে এক শক্তিশালী কৰ্মময় জীৱন নিশ্চিত কৰাত সহায়ক হ'ব। ইয়াৰ উপৰি ভাৰতীয় শ্ৰমিক শক্তিত মহিলাৰ অংশগ্ৰহণ বৰ্তমান বিশ্বৰ বহু দেশৰ তুলনাত কম আৰু এই বিশাল অংশক অৰ্থনৈতিক মূলসুঁতিলৈ আনিব পাৰিলে মুঠ ঘৰুৱা উৎপাদনৰ বিকাশত এক উল্লেখযোগ্য ত্বৰণ আহিব। মহিলাৰ বাবে নিৰাপদ কৰ্মক্ষেত্ৰ, উপযুক্ত যত্ন সেৱা আৰু বিত্তীয় সা-সুবিধাৰ যোগান নিশ্চিত কৰাটোৱে এই বৃহৎ অৰ্থনৈতিক সম্ভাৱনাক বাস্তৱলৈ ৰূপান্তৰিত কৰিব।





আন্তঃগাঁথনিৰ ক্ষেত্ৰত বৃহৎ পৰিমাণৰ আৰু স্থিতিশীল বিনিয়োগ হৈছে ভাৰতৰ অৰ্থনৈতিক ভৱিষ্যতৰ মেৰুদণ্ড। দেশৰ ভৌতিক আন্তঃগাঁথনি, যেনে— পথ, ৰে'ল, বন্দৰ, বিমানবন্দৰ আৰু শক্তিৰ যোগানৰ ক্ষেত্ৰত চলি থকা মূলধনী ব্যয়ৰ হাৰ বৃদ্ধি এক গুৰুত্বপূৰ্ণ ইতিবাচক পদক্ষেপ। এই বিনিয়োগে সামগ্ৰী পৰিবহণৰ ব্যয় কমোৱা, বজাৰৰ সংযোগ বৃদ্ধি কৰা আৰু সামগ্ৰিকভাৱে উদ্যোগসমূহৰ দক্ষতা বৃদ্ধি কৰাত সহায় কৰে। বিশেষকৈ মাল্টিমডেল লজিষ্টিকছ ব্যৱস্থাৰ উন্নয়নে যোগান শৃংখলৰ বাধা দূৰ কৰি উৎপাদন আৰু বাণিজ্যক অধিক সহজ আৰু ক্ষিপ্ৰ কৰি তুলিব। চৰকাৰী পুঁজিৰ উপৰি ব্যক্তিগত খণ্ডৰ বিনিয়োগক আন্তঃগাঁথনি প্ৰকল্পসমূহলৈ আকৰ্ষণ কৰিবলৈ দীৰ্ঘম্যাদী নীতি আৰু বিত্তীয় আৰ্হিৰ প্ৰয়োজন। উন্নত আৰু সুসংহত আন্তঃগাঁথনিৰ দ্বাৰাহে ভাৰতে বিশ্বৰ এক উৎপাদন কেন্দ্ৰ হিচাপে নিজৰ স্থান দৃঢ় কৰিব পাৰিব।

ভৌতিক আন্তঃগাঁথনিৰ সমান্তৰালভাৱে, ভাৰতৰ ডিজিটেল আন্তঃগাঁথনিৰ উন্নয়নো বিশ্বৰ বাবে এক লেখত ল'বলগীয়া সফলতা। আধাৰ, ইউনিফাইড পেমেণ্টছ ইণ্টাৰফেচ (ইউ পি আই) আৰু অন্যান্য ডিজিটেল পাব্লিক গুডছসমূহে দেশৰ অৰ্থনৈতিক লেনদেনৰ পদ্ধতি সম্পূৰ্ণৰূপে সলনি কৰিছে। এই ডিজিটেল আধাৰৰ জৰিয়তে গ্ৰামাঞ্চললৈকে বিত্তীয় সমাবেশ সম্ভৱ হৈছে, যিয়ে কেৱল দৰিদ্ৰ লোকসকলক বিত্তীয় সেৱাৰ সুবিধা দিয়াতেই নহয়, বৰং চৰকাৰী আঁচনিসমূহৰ লাভালাভ পোনপটীয়াকৈ হিতাধিকাৰীৰ ওচৰলৈ হস্তান্তৰ কৰাত সহায় কৰি দুৰ্নীতি হ্ৰাস

১৩ পৃষ্ঠাত



# দুৰ্বিসহ

পৰেশ কুমাৰ চাহু

মোক নিঃসংগ হ'বলৈ দিয়া,
নিঃসংগতাক ভয় কৰি
মইতো তোমাৰ কাষ নাচাপো!
পাৰিলে সকলো কাঢ়ি নিয়া,
শীতত কঁপি কঁপি মই এনেদৰেই ৰ'ম,
নিঃসংগতালৈ মোৰ যে ভয় নাই!
শুকান পাত গচকি তুমি-
আহিবও পাৰা,
আহিলে উভতিও যাব পাৰা,
বা নাযাবাও পাৰা।
মইতো আপোচ নকৰো
তোমাৰ অনাৰীত্ব, মানসিক দৈন্যতা,
অপ্ৰগলভতা আৰু শামুকৰ খোলাৰ
ভিতৰত সোমাই থাকিব বিচৰা
মানসিকতাৰ স'তে!!

# শেৱালি

ৰূপালী গগৈ চুতীয়া

মোলৈ থকা হেঁপাহবোৰ
সদায় বুকুত ৰাখিবা
জীৱনত লগ পোৱাৰ আশা
হেৰুৱাই নেপেলাবা।
এদিন লগ হ'ম
অন্তৰ খুলি কথা পাতিম
হাতত হাত থৈ
আপোন পাহৰি
দুয়ো দুয়োৰে চকুত
বিভোৰ হৈ এক হৈ চাম।
সেই ক্ষণত...
বাউলী বতাহে লাজত
আঁতৰি গৈ
বোৱঁতী নদীত আশ্ৰয় ল'ব,
নাচি থকা ফুলে থমকি ৰ'ব।
আবেলি বেলিয়ে ডুব গৈ
আন্ধাৰক সাবটি ল'ব
ওভতনি পখীয়ে বৈ বৈ চাব।
তোমাৰ সান্নিধ্যত
ধৰালৈ এজাক চিপচিপীয়া
বৰষুণ নামি উমান দিব
এয়া শৰতৰ বতৰ
শৰতৰ বতৰ!

# তুমি বৰ অভিমানী

পৰীস্মিতা শইকীয়া

তুমি নিস্তব্ধ হ'লে শব্দবোৰে আঘাত কৰে।
তোমাৰ শব্দহীন উত্তৰতো আছে
অসংখ্য অনুভৱৰ স্তব্ধতা!
মই কেতিয়াবা বুজি নাপাওঁ,
তোমাৰ অভিমানৰ
আঁৰত মই কিয় লুকাওঁ
অভিমানী তুমি, তোমাৰ সেই নীৰৱ
নিস্তব্ধতাত যেন প্ৰেম আছে,
তোমাৰ তিক্ত কথাবোৰো যেন
সপোনেৰে গঁথা এক প্ৰাৰ্থনা।
মই নোসোধো কিয় অভিমান?
কাৰণ যেতিয়া তুমি অভিমান কৰা,
মই নিশ্চিত তুমি মোৰ, আৰু মোৰেই হ'বলা।

# ঘেণ্টা কাকো খাতিৰ নকৰো...

চন্দ্ৰশেখৰ পৰাজুলী

মোৰ কোনো জাতি নাই...
মোৰ কোনো ধৰ্ম নাই...
এয়া আছিল দাদাৰ ভাষ্য...
বেছি ধনী মানুহ মোক ভাল নালাগে...
ঠেলাৱালা,ৰিক্সাৱালাবোৰ বন্ধু...
গুৱাহাটীত বহু পাগল আছে...
যিবোৰে মোক পাগলৰ দৰে ভাল পায়...
মানুহে তেওঁলোকক পাগল বুলি কয়...
কিন্তু মই নাভাবো সিহঁত পাগল বুলি....
মানসিকভাৱে বিকাৰগ্ৰস্ত মানুহকো...
আপোন কৰি মৰম বিলোৱা...
এক অদ্ভুত মানুহ আছিল অসমত...
কোনো এজনকে খাতিৰ নকৰাকৈ...
অসমৰ অলিয়ে-গলিয়ে ঘূৰি ঘূৰি...
গানৰ মাধ্যমৰে সকলোকে বান্ধি ৰাখিছিল...
মঞ্চৰ মাজেদিয়েই বুকু ফুলাই কৈছিল...
ঘেণ্টা কাকো খাতিৰ নকৰো...
এনেকুৱা আছিল আমাৰ জুবিনদা...
কিমান যে কান্দি আছে আজি জনতা...
তাৰ কোনো এক সীমা নাই...
সাগৰ তই কিমান দিনৰ ভোকাতুৰ আছিলি...
জুবিন দাদাকে গৈ কৰিলি আলিংগন....
দাদা আপোনাক বিদায় দিওঁতো দিওঁ কেনেকৈ...
তথাপি আপুনি ঘেণ্টা কাকো খাতিৰ নকৰাকৈ...
পুনৰ এবাৰ জন্ম লৈ আহিবনে আমাৰ মাজত... ?



# প্ৰকৃতিৰ প্ৰশান্তিৰ হাঁহি

মৰমী আহমেদ

শৰীৰ কঁপা অনুভূতিৰে
নামি আহিছে ধৰাৰ বুকুলৈ
এজাক শীতল বৰষুণ

উত্তাপে জুৰুলা কৰি তোলা
অশান্ত দেহবোৰলৈ
আনি দিছে ই প্ৰশান্তিৰ হাঁহি।

ধূলিৰ অতিষ্ঠতাত
বিৰক্তি হৈ উঠা
বাটৰুৱাসকলৰ হৃদয়বোৰো
আজি সঁচাকৈয়ে শান্ত।

প্ৰকৃতিৰ সেউজীয়াখিনিও
আজি নাচি উঠিছে
বৰষুণৰ সান্নিধ্য পায়।

মৰহি যোৱা আশাবোৰেও
নতুনকৈ পোখা মেলিছে—
সপোনৰ ঠাল ঠেঙুলি,
ডাল-পাতৰ নতুন হাঁহি দেখি।

আমেজসনা শীতৰ এই পৰশে
আজি বাৰুকৈয়ে জীয়াই তুলিলে
প্ৰকৃতিৰ মনোমোহা ছবি।



# চিৰপ্ৰবহমান জুবিন গাৰ্গ

অনন্ত কুমাৰ ভুঞা

মানৱতাৰ এখনি হিয়া
স্পন্দিত বন্দিত এই হিয়াই
বিহংগম হৈ উৰি ফুৰে
কৃষ্টিৰ গেঁৰধৰা সেউজী পথাৰত
বিচাৰি সৃষ্টিৰ নতুন সোৱাদ।
আন্ধাৰৰ আঁৰকাপোৰ তৰি
দিনত ভাগৰ পলুৱাই,
নিঃসংগ গভীৰ নিশা সৃষ্টি কৰে সুৰ
প্ৰতি নিশা উজান উঠে নৱ সৃষ্টি গীতৰ।
মিচিকিয়া হাঁহিভৰা মুখ
সেয়া যেন লগৰী জীৱন বাটৰ
যি বাটত পাহৰি যায় নিজৰ জীৱন,
যি বাটত ধেমালি কৰে এজাক তৰালিয়ে
যি বাট পোহৰাই কোমল অনুভৱেৰে
যাৰ উদাৰতাই সংগী জীৱনৰ
সৰলতাই জীৱন দৰ্শন।
কিনকিন বৰষুণত বিচাৰি ফুৰে
মাদকতা জীৱনৰ,
কৃষ্টি সৃষ্টিৰ পথাৰত উমলি থাকোতেই
ঢাপলিয়াই গুচি গ'ল
কৈশোৰ আৰু যৌৱনৰ দিনবোৰ,
জনঅৰণ্যত
হাঁহি হাঁহি থাপিলে সুমধুৰ প্ৰাণ
জনসমুদ্ৰই যাচিলে সন্মান।
মায়াবিনী জোনাক ৰাতি সাৰে থাকে মন
ভাগৰ পলুৱাই ৰক্তবৰ্ণ সূৰ্যৰ সাহসত,
জাতি নাই ধৰ্ম নাই বুলি চিঞৰে
মঞ্চ কঁপায়,
কিমান উদাৰ হ'লে এনে স্বপ্ন কঢ়িয়াব পাৰে
কিমান সাহস হ'লে আনিব পাৰে
প্ৰণয় প্লাৱন,
সৃষ্টি হয় উখল-মাখল।
কাঞ্চনজংঘাৰ দৰে ধ্যানমগ্ন
ঘূৰ্ণিবতাহৰ দৰে চঞ্চল মন
তুমি সাগৰ ভাল পোৱা জুবিন গাৰ্গ
আকাশ চুব বিচৰা জুবিন গাৰ্গ
তুমি হাঁহিভৰা সৰলতাৰ খনিকৰ
দৰিদ্ৰজনৰ অনুভৱী সত্তা
স্পষ্টবাদিতাৰ এক নিদৰ্শন
যুৱপ্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গ
তুমি চিৰপ্ৰবহমান এটি জ্যোতি।

**গ্ৰন্থ অধ্যয়নৰ জৰিয়তে বৌদ্ধিক ক্ষমতাৰো বিকাশ ঘটে। নিয়মীয়া পঢ়াৰ অভ্যাসে আমাৰ শব্দৰ ভঁৰাল যথেষ্ট পৰিমাণে বৃদ্ধি কৰে। নতুন নতুন শব্দ আৰু বাক্যৰ গাঁথনিৰ সৈতে পৰিচয় হোৱাৰ ফলত আমাৰ ভাষাগত দক্ষতা উন্নত হয়, যি সমাজত ভাব বিনিময়ৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। ইয়াৰ উপৰি গ্ৰন্থ অধ্যয়নে আমাৰ স্মৃতিশক্তি আৰু একাগ্ৰতা বৃদ্ধি কৰে। এটা দীঘলীয়া কাহিনী বা জটিল বিষয় বস্তু পঢ়ি থাকোতে, আমাৰ মগজুৱে তথ্যসমূহ ধৰি ৰাখিবলৈ, বিশ্লেষণ কৰিবলৈ আৰু ইয়াৰ মাজৰ সম্পৰ্কসমূহ বিচাৰি উলিয়াবলৈ চেষ্টা কৰে। এই প্ৰক্ৰিয়াই আমাৰ বিশ্লেষণাত্মক আৰু সমালোচনাত্মক চিন্তাধাৰাৰ দক্ষতা (Critical Thinking Skill) বৃদ্ধি কৰে, যিবোৰ ব্যক্তিগত আৰু পেছাদাৰী জীৱনৰ সফলতাৰ বাবে অপৰিহাৰ্য।**



# গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু সুফল

নলিনী ৰঞ্জন ভূএগ

অসমৰ বৰেণ্য সাহিত্যিক সত্যনাথ বৰাই প্ৰায় ছকুৰি বছৰৰ পূৰ্বেই তেখেতৰ দ্বাৰা ৰচিত ‘সাৰথি’ নামৰ পুথিখনৰ ‘পুথি অধ্যয়ন’ শীৰ্ষক এটি লেখাত উল্লেখ কৰিছিল যে— ‘পুথিৰ বিদ্যা থূপাই থোৱা ধনৰ নিচিনা। আনে থূপাই থোৱা ধন হাতত পৰিলে অৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ ধনৰ ফল ভোগ কৰিব পাৰি। সেইদৰে আনে থূপাই থোৱা বিদ্যা হাতত পৰিলে অৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ বিদ্যাৰ ফল ভোগ কৰিব পাৰি।’

সঁচা অৰ্থতেই, প্ৰত্যেকখন পুথি মানৱ জ্ঞানৰ বাবে থূপাই থোৱা বিদ্যাৰ এক অমূল্য ভঁৰাল। লেখকে বহু যত্ন আৰু অধ্যৱসায়ৰ সৈতে নিজৰ অভিজ্ঞতা, চিন্তা আৰু বিদ্যাৰে সেই ভঁৰালটো গঢ়ি তোলে। পুথিখনৰ পাতত তেওঁ নিজৰ জ্ঞান, অনুভৱ আৰু জীৱনৰ শিক্ষাবোৰ সযত্নে সংৰক্ষণ কৰে। আমি যেতিয়া সেই পুথিখন পঢ়ো, তেতিয়া যেন লেখকৰ আৰ্জিত জ্ঞানৰ ভঁৰালখনৰ দ্বাৰ আমাৰ বাবে মুকলি হয়। এইদৰে পুথি পঢ়ি আমি সহজে অন্য এজন ব্যক্তিৰ দীৰ্ঘ সাধনাৰ ফল লাভ কৰিব পাৰো আৰু নিজৰ জ্ঞান ভাণ্ডাৰকো সমৃদ্ধ কৰিব পাৰো। এক কথাত গ্ৰন্থ মানে কেৱল কিতাপ নহয়, ই জ্ঞানৰ ভঁৰাল, সংস্কৃতিৰ ধাৰক আৰু মানৱ সভ্যতাৰ ঐতিহ্যৰ বাহক। প্ৰাচীন কালৰ পৰা আজিলৈকে গ্ৰন্থই মানুহৰ মন-মগজুক সমৃদ্ধ কৰি আহিছে। লিখিত শব্দৰ জন্মৰ পৰাই গ্ৰন্থই তথ্য আৰু জ্ঞানৰ প্ৰধান উৎস হিচাপে কাম কৰি আহিছে। আজিৰ অত্যাধুনিক ডিজিটেল যুগতো, য'ত ইণ্টাৰনেট আৰু বৈদ্যুতিক মাধ্যমেৰে সহজে তথ্য উপলব্ধ হৈছে, তেনে অৱস্থাতো গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব অকণো হ্ৰাস পোৱা নাই; বৰঞ্চ ইয়াৰ প্ৰয়োজনীয়তা আৰু সুফল অধিক গভীৰভাৱে অনুভৱ কৰা হয়। আমাৰ এই লেখাত গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ সুদূৰপ্ৰসাৰী সুফলসমূহৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।

গ্ৰন্থ অধ্যয়নৰ প্ৰথম আৰু সৰ্বোচ্চ প্ৰয়োজনীয়তা হৈছে জ্ঞান অৰ্জন। কিতাপ জ্ঞানৰ এক বিশাল ভাণ্ডাৰ। ইতিহাসৰ মহৎ ঘটনাবোৰৰ পৰা আৰম্ভ কৰি বিজ্ঞানৰ জটিল সূত্ৰসমূহ, দৰ্শনৰ গভীৰ তত্ত্ব, সাহিত্যৰ ৰসময় সৃষ্টি, শিশু-কিশোৰৰ উপযোগী লেখা নতুবা বিভিন্ন সংস্কৃতিৰ বিচিত্ৰ আচাৰ-ব্যৱহাৰ আদিৰ সীমাহীন অনেক তথ্য কিতাপত পোৱা যায়। গ্ৰন্থ অধ্যয়নৰ বাবে বয়সৰ কোনো নিৰ্ধাৰিত সীমা নাথাকে। প্ৰত্যেকজন ব্যক্তিয়েই অৰ্থাৎ শিশুৱেই হওক বা বৃদ্ধই হওক গ্ৰন্থ অধ্যয়ন কৰাটো নিতান্তই উচিত। নিয়মিত গ্ৰন্থ অধ্যয়নে কোনো এটা বিষয় বা বিষয়বস্তুৰ ওপৰত আমাৰ দৃষ্টিভংগী গভীৰ কৰে। ই পঢ়ুৱৈক অন্তৰ্দৃষ্টি লাভ কৰাত সহায় কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত বিদ্যালয় বা মহাবিদ্যালয়ৰ পাঠ্যপুথিয়েই নহয়, আনুষংগিক গ্ৰন্থসমূহেও জ্ঞানৰ পৰিসৰ বহল কৰে। যেতিয়া এখন কিতাপ পঢ়া হয়, তেতিয়া লেখকজনৰ বছৰ বছৰজোৰা গভীৰ চিন্তা আৰু গৱেষণাৰ সাৰমৰ্ম লাভ কৰিব পৰা যায়। জ্ঞান অৰ্জনে বিশ্বখনক এক সঠিক আৰু বিজ্ঞানসন্মত দৃষ্টিকোণেৰে উপলব্ধি কৰিবলৈ সুযোগ দিয়ে। গতিকে এনে জ্ঞানেৰে পুষ্ট হৈ উঠা ব্যক্তিয়েহে সমাজ বা জাতিটোকো মহীয়ান কৰি তুলিব পাৰে।

গ্ৰন্থ অধ্যয়নৰ জৰিয়তে বৌদ্ধিক ক্ষমতাৰো বিকাশ ঘটে। নিয়মীয়া পঢ়াৰ অভ্যাসে আমাৰ শব্দৰ ভঁৰাল যথেষ্ট পৰিমাণে বৃদ্ধি কৰে। নতুন নতুন শব্দ আৰু বাক্যৰ গাঁথনিৰ সৈতে পৰিচয় হোৱাৰ ফলত আমাৰ ভাষাগত দক্ষতা উন্নত হয়, যি সমাজত ভাব বিনিময়ৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। ইয়াৰ উপৰি গ্ৰন্থ অধ্যয়নে আমাৰ স্মৃতিশক্তি আৰু একাগ্ৰতা বৃদ্ধি কৰে। এটা দীঘলীয়া কাহিনী বা জটিল বিষয় বস্তু পঢ়ি থাকোতে, আমাৰ মগজুৱে তথ্যসমূহ ধৰি ৰাখিবলৈ, বিশ্লেষণ কৰিবলৈ আৰু ইয়াৰ মাজৰ সম্পৰ্কসমূহ বিচাৰি উলিয়াবলৈ চেষ্টা কৰে। এই প্ৰক্ৰিয়াই আমাৰ বিশ্লেষণাত্মক আৰু সমালোচনাত্মক চিন্তাধাৰাৰ দক্ষতা (Critical Thinking Skill) বৃদ্ধি কৰে, যিবোৰ ব্যক্তিগত আৰু পেছাদাৰী জীৱনৰ সফলতাৰ বাবে অপৰিহাৰ্য।

বৰ্তমানৰ ব্যস্ততাপূৰ্ণ আৰু যান্ত্ৰিক জীৱনত মানসিক শান্তি আৰু আত্মসন্তুষ্টিৰ অভাৱ দেখা যায়। এনে সময়ত গ্ৰন্থ অধ্যয়নে এক উত্তম মানসিক চাপ নিৰাময়কাৰী হিচাপে কাম কৰে। মানসিক চাপত ভুগি থকা অৱস্থাত এখন সুন্দৰ গ্ৰন্থৰ মাজত নিজকে বিলীন কৰি দিব পৰাটো যথেষ্ট ইতিবাচক ব্যৱস্থা। বিশেষজ্ঞৰ মতে— দৈনিক মাত্ৰ ১৫ মিনিট পঢ়িলেও মানসিক চাপ সৃষ্টিকাৰী ‘কৰ্টিছল হৰম'নৰ’ মাত্ৰা বহুখিনি হ্ৰাস হয়। পঢ়াৰ সময়ত দৈনন্দিন জীৱনৰ চিন্তা আৰু চাপৰ পৰা আঁতৰি থাকি এখন নতুন পৃথিৱীত নিমজ্জিত হ'ব পাৰি আৰু তেতিয়াই মনটো সতেজ হৈ উঠে। গ্ৰন্থৰ মনোৰম কাহিনীয়ে পঢ়ুৱৈক হাঁহি, কান্দোন, বিষাদ আৰু আনন্দ প্ৰদান কৰে। আৰু তেতিয়াই হতাশাকে ধৰি সকলো দিশৰ পৰা প্ৰশান্তি অনুভৱ কৰিব পৰা যায়। গ্ৰন্থ অধ্যয়নে মানুহৰ আৱেগিক বুজাবুজি আৰু সহমৰ্মিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

গ্ৰন্থ অধ্যয়ন মানে কেৱল পঢ়া নহয়, ই এক চিন্তা আৰু অনুভৱৰ যাত্ৰা। মানুহে যেতিয়া বিভিন্ন ধৰণৰ গ্ৰন্থ পঢ়ে— সাহিত্য, বিজ্ঞান, ইতিহাস, জীৱনীগাথা বা কাব্য— তেতিয়া তেওঁৰ মন নতুন নতুন ভাবনা, দৃশ্য আৰু অনুভৱৰ সৈতে পৰিচিত হয়। এই অভিজ্ঞতাই কল্পনাশক্তি আৰু সৃষ্টিশীলতাৰ বিকাশ ঘটায়। সাহিত্য বা কাব্য পঢ়িলে পাঠকৰ মগজুত শব্দৰ জগতৰ পৰা এক দৃশ্যমান ছবি ভাঁহি উঠে। অৰ্থাৎ লেখকে লিখা কোনো পৰিৱেশ, দৃশ্য বা ঘটনা পাঠকৰ মনত জীৱন্ত হৈ উঠে। এইভাৱেই গ্ৰন্থ পঢ়ি পাঠকে নিজৰ মনত ছবিৰ দৰে নানা কল্পনা গঢ়ি তোলে। যিমান অধিক পঢ়ে, তিমানেই মনৰ সেই কল্পনাৰ পৰিসৰ বিস্তৃত হয়। অনেক গ্ৰন্থত বিভিন্ন চৰিত্ৰৰ জীৱন, সমস্যা, সুখ-দুখ আদিৰ বিষয়ে পঢ়ি উঠাৰ পিছত আন মানুহৰ ঠাইত নিজকে কল্পনা কৰি চোৱাৰ শিক্ষাও লাভ কৰা হয়। ইয়াৰ ফলত পঢ়ুৱৈগৰাকীৰ আনৰ প্ৰতি সহানুভূতি আৰু মমতা গঢ় লৈ উঠে। উপন্যাস, নাটক বা আত্মজীৱনীয়ে বিভিন্ন সংস্কৃতি, সমাজ আৰু ভিন্ন পৰিৱেশৰ লোকৰ জীৱন ধাৰণ আৰু চিন্তাধাৰাৰ বিষয়ে অনন্য দৃষ্টিভংগী প্ৰদান কৰে। এনে দৃষ্টিভংগীয়ে বুজাবুজি আৰু সহমৰ্মিতা শক্তিশালী কৰি মানৱীয় সম্পৰ্ক গঢ়াত আৰু সমাজত শান্তি-সম্প্ৰীতি বজাই ৰখাত শক্তিশালী ভূমিকা গ্ৰহণ কৰে।

বিজ্ঞান বিষয়ক গ্ৰন্থ অধ্যয়নে মানুহক কেৱল জ্ঞানী নহয়, দায়িত্বশীল আৰু সচেতন নাগৰিক হিচাপে গঢ়ি তোলে। এনে গ্ৰন্থ অধ্যয়নৰ ফলত মানুহৰ মগজু যুক্তিবাদী হয়, প্ৰমাণ আৰু বিশ্লেষণৰ ওপৰত ভিত্তি কৰি চিন্তা কৰিবলৈ প্ৰেৰণা দিয়ে। ফলত মানুহে কুসংস্কাৰ, অন্ধবিশ্বাস আৰু ভ্ৰান্ত ধাৰণাৰ পৰা মুক্তি লাভ কৰে। লগতে বিজ্ঞান বিষয়ক গ্ৰন্থ অধ্যয়নে মানুহৰ কৌতূহল আৰু অনুসন্ধিৎসা বৃদ্ধি কৰে। নতুন নতুন বিষয় জানিবলৈ আৰু নতুন চিন্তা সৃষ্টি কৰিবলৈ ই উৎসাহ যোগায়। এইভাৱেই মানুহৰ মনত উদ্ভাৱন শক্তি বিকাশ পায়, যাৰ ফলত সমাজত নতুন

১২ পৃষ্ঠাত

*পাইলছ বা অৰ্শ ৰোগ ভিতৰুৱা ৰোগৰ পৰাহে সৃষ্টি হয়। অৰ্শ বা পাইলছ ৰোগীৰ গুহ্যদ্বাৰত আঙুৰৰ থোপাৰ দৰে মাংসপিণ্ডৰ থোপা গঠন হৈ গুহ্যদ্বাৰ ফুলি উঠে। এই থোপাবোৰ ফাটি ৰোগীৰ কেতিয়াবা তেজ ওলায়। কিছুমানৰ তেজ নোলায়। কিছুমান গুহ্যদ্বাৰত বিষ নাথাকে যদিও শৌচৰ শেষত টোপ টোপকৈ তেজ ওলায়। অৰ্শ ৰোগ হ'লে আৰম্ভণিতে শৌচ কৰোতে বা শৌচৰ কৰাৰ আগতে অথবা শৌচ কৰি উঠাৰ পাছত অসহ্য বিষ হয়। অৰ্শ ৰোগীৰ গুহ্যদ্বাৰৰ ভিতৰফালে আঙুৰৰ দৰে হোৱা মাংসপিণ্ডবোৰ শৌচ কৰোতে বাহিৰলৈ ওলাই আহে। সহজে ভিতৰলৈ সোমাই নাযায়। কিছুমানে আঙুলিৰে হেঁচি ভিতৰলৈ সুমুৱাই দিয়ে। নতুন অৱস্থাত টান মাংসপিণ্ডবোৰ ভিতৰলৈ ঠেলি দিলে অত্যন্ত বিষ হয়। কিছুমান ৰোগীৰ এই ৰোগ গুহ্যদ্বাৰৰ ভিতৰত হয়। মাজে মাজে তেজ ওলায় আৰু শৌচ কৰোতে অসহ্য বিষ হয়। লগতে যদি শৌচ কঠিন হয় তেন্তে প্ৰচণ্ড বিষ হয়। কিছুমান অৰ্শ ৰোগীৰ অৰ্শ গুহ্যদ্বাৰৰ সন্মুখত ওলমি থকা মাংসপিণ্ডবোৰ ফাটি ঘা হয়। অনবৰতে তেজ, পূঁজ বা জুলীয়া পদাৰ্থ ওলাই থাকে। কিছুমান লোকৰ শৌচৰ আকাৰ ডাঙৰ হোৱাৰ কাৰণে গুহ্যদ্বাৰত ফাট মেলে।*




# অৰ্শ ৰোগৰ হোমিঅ' চিকিৎসা

**ডাঃ প্ৰণামিকা হাজৰিকা**

অৰ্শ ৰোগক ইংৰাজীত Piles (পাইলছ) বুলি কোৱা হয়। Piles শব্দটো গ্ৰীক শব্দ। Pilaৰ পৰা আহিছে। আনহাতে, Piles শব্দৰ বৈজ্ঞানিক নাম হৈছে, Haemorrhoids ই গ্ৰীক Haima আৰু Rhoos, শব্দ দুটাৰ পৰা আহিছে। ইয়াৰ অৰ্থ হ'ল Haima মানে তেজ আৰু Rhoos মানে বৈ থকা।

পাইলছ বা অৰ্শ ৰোগ ভিতৰুৱা ৰোগৰ পৰাহে সৃষ্টি হয়। অৰ্শ বা পাইলছ ৰোগীৰ গুহ্যদ্বাৰত আঙুৰৰ থোপাৰ দৰে মাংসপিণ্ডৰ থোপা গঠন হৈ গুহ্যদ্বাৰ ফুলি উঠে। এই থোপাবোৰ ফাটি ৰোগীৰ কেতিয়াবা তেজ ওলায়। কিছুমানৰ তেজ নোলায়। কিছুমান গুহ্যদ্বাৰত বিষ নাথাকে যদিও শৌচৰ শেষত টোপ টোপকৈ তেজ ওলায়। অৰ্শ ৰোগ হ'লে আৰম্ভণিতে শৌচ কৰোতে বা শৌচৰ কৰাৰ আগতে অথবা শৌচ কৰি উঠাৰ পাছত অসহ্য বিষ হয়। অৰ্শ ৰোগীৰ গুহ্যদ্বাৰৰ ভিতৰফালে আঙুৰৰ দৰে হোৱা মাংসপিণ্ডবোৰ শৌচ কৰোতে বাহিৰলৈ ওলাই আহে। সহজে ভিতৰলৈ সোমাই নাযায়। কিছুমানে আঙুলিৰে হেঁচি ভিতৰলৈ সুমুৱাই দিয়ে। নতুন অৱস্থাত টান মাংসপিণ্ডবোৰ ভিতৰলৈ ঠেলি দিলে অত্যন্ত বিষ হয়। কিছুমান ৰোগীৰ এই ৰোগ গুহ্যদ্বাৰৰ ভিতৰত হয়। মাজে মাজে তেজ ওলায় আৰু শৌচ কৰোতে অসহ্য বিষ হয়। লগতে যদি শৌচ কঠিন হয় তেন্তে প্ৰচণ্ড বিষ হয়। কিছুমান অৰ্শ ৰোগীৰ অৰ্শ গুহ্যদ্বাৰৰ সন্মুখত ওলমি থকা মাংসপিণ্ডবোৰ ফাটি ঘা হয়। অনবৰতে তেজ, পূঁজ বা জুলীয়া পদাৰ্থ ওলাই থাকে। কিছুমান লোকৰ শৌচৰ আকাৰ ডাঙৰ হোৱাৰ কাৰণে গুহ্যদ্বাৰত ফাট মেলে।





**কি কি কাৰণত এই ৰোগ হ'ব পাৰে ঃ**

১। নানা কাৰণত যকৃতত বেছিকৈ তেজ জমা হ'লে অথবা যকৃত গধুৰ অনুভৱ হ'লে এই ৰোগ হ'ব পাৰে।

২। যকৃতৰ বিসংগতি অথবা Hepatitis আদি হ'লে এই ৰোগ হ'ব পাৰে।

৩। লিভাৰৰ পুৰণি ৰোগ বা চিৰ'চিছ আদি ৰোগ হ'লে।

৪। পুৰণি কোষ্ঠকাঠিন্য, শৌচ কৰাৰ সময়ত বাৰে বাৰে শৌচদ্বাৰত জোৰ দিয়াৰ ফলতো এই ৰোগ হ'ব পাৰে।

৫। বহুদিন ধৰি আমাশয় বা Colitis ৰোগত ভুগি থাকিলেও এই ৰোগ হ'ব পাৰে।

৬। প্ৰষ্টেট গ্ৰন্থি বেছি কৈ বাঢ়ি গ'লে এই ৰোগ হ'ব পাৰে।

৭। মূত্ৰাশয় ৰোগ বা Rental Stone থাকিলেও এই ৰোগ হ'ব পাৰে।

৮। বিভিন্ন কাৰণত সিৰাত চাপ পৰিলেও এই ৰোগ হ'ব পাৰে।

**এই ৰোগৰ লক্ষণসমূহ হৈছে ঃ**

মলদ্বাৰৰ বাহিৰত উভয় ফালেই সৰু মটৰ গুটিৰ দানাৰ নিচিনাকৈ বহুত টেমুনা হয়, টেমুনাবোৰ যেতিয়ালৈকে ভিতৰত থাকে তেতিয়ালৈকে তাৰ পৰা তেজ নোলায়। মলদ্বাৰৰ সময়ত ভিতৰৰ টেমুনাও বাহিৰলৈ ওলাই আহে আৰু তেনে সময়ত তেজ ওলাই থাকে। পাতল শৌচ হ'লে ৰক্তপাত হোৱাৰ সম্ভাৱনা কম থাকে। শৌচৰ দ্বাৰত ফোঁহা বা ঘা হয় পাৰে। মলাশয় শৌচৰ দ্বাৰৰ বাহিৰত ওলমি থাকিব পাৰে। শৌচ কৰাৰ পিছতো মলদ্বাৰত মল জমি থকা যেন অনুভৱ হয়। মলদ্বাৰত কিট কিটকৈ কেতিয়াবা কামুৰি থাকে। এই লক্ষণবোৰ থাকিলে মূৰ ঘূৰণি, মূৰৰ বিষ, হাৰ্টৰ দুৰ্বলতা আৰু তেজ কমি যোৱা যেন লাগিব পাৰে। অৰ্শ ৰোগ জটিল ৰোগ যদিও উপযুক্ত নিয়ম-নীতি মানি চলিলে হোমিঅ'পেথিক চিকিৎসাৰে এই ৰোগৰ পৰা পৰিত্ৰাণ পাব পাৰি।

এই ৰোগৰ পৰা বাচি থাকিবৰ বাবে হোমিঅ'পেথিক চিকিৎসকৰ ওচৰ চাপিব পাৰে।


হোমিঅ'পেথিকৰ হ'ল, Arsenic Album, Lycopodium, Carbo Reg, Aloe Soc, Acid Nitric, Nuxvomica, Sulphur, Aesculus, Hip আদি।

অৰ্শ ৰোগত হোমিঅ'পেথিক চিকিৎসা কৰাৰ উপৰি কোনো কোনোৱে কেঁচুমতাৰ বাষ্প ল'বলৈও পৰামৰ্শ দিয়ে। এই ৰোগক কেঁচুমুৰীয়া ৰোগ বুলিও কোৱা হয়। অৰ্শ ৰোগ আৰোগ্য হ'লেও শৰীৰৰ ভিতৰুৱা ৰোগসমূহ সম্পূৰ্ণ আৰোগ্য নোহোৱালৈকে হোমিঅ' ঔষধ খাই থাকিব লাগে। এই চিকিৎসা কৰাৰ উপৰি কুচিয়া মাছ মানিমুনি শাকৰ লগত এসপ্তাহমান দিনে দুবাৰকৈ আঞ্জা ৰান্ধি খালেও অৰ্শ ৰোগ সম্পূৰ্ণ আৰোগ্য হয়।

অৰ্শ ৰোগীসকলে মচলাযুক্ত খাদ্য খাব নালাগে। সহজে হজম হোৱা খাদ্য খাব লাগে। মদ্যপায়ীসকল এই ৰোগৰ বাবে সাৱধানে থকা উচিত। এই ৰোগৰ ৰোগীসকলে চাইকেল, বাইক, গাড়ী চলোৱাও উচিত নহয়। বিষ হৈ থাকিলে আসন কৰাসকলে আসন নকৰাই ভাল। সদায় অলপ সময় খোজ কাঢ়িব লাগে। পানী বেছিকৈ খোৱাৰ অভ্যাস কৰিব পাৰিলে ভাল। সেউজীয়া শাক-পাচলি, দৈ, বেলৰ চৰবত, পকা কল নিয়মীয়াকৈ খাব পাৰিলে ভাল। শৌচ কৰাৰ সময়ত বেছি বল প্ৰয়োগ কৰিব নালাগে। উপবাসে থকা, ৰাতি উজাগৰে নথকাই ভাল। এই ৰোগৰ ৰোগীসকলৰ বাবে নাৰিকলৰ পানী, ফলৰ ৰস, বেল, পকা অমিতা আদি উপযোগী। চিকিৎসকৰ পৰামৰ্শ মতে চলিলে এই ৰোগৰ পৰা সহজে পৰিত্ৰাণ পোৱাৰ সম্ভাৱনা আছে।

## ধাৰাবাহিক উপন্যাস

# কথকতা




“এদিন সপোনৰো আয়তন
আছিল
সোণালী সুদিন এতিয়া আৰু
নাই।
জীৱন নামৰ নৈখনৰ দুয়োপাৰত
ৰৈ থকাৰ অযুহাত
সপোন সাকাৰ নহয়
কাহানিও ...”

কালিৰে পৰা অদিতিৰ মনটো বৰ বেছি ভাল নহয়। এক যেন অজানা দুখবোধে তাইক খেদি ফুৰিছে। নিশা পৰাশৰক খবৰ ল’বলৈ বুলি ফোন কৰিছিল। তেওঁৰ হেনো গা বৰ ভাল নহয়। মহাবাহু ব্ৰহ্মপুত্ৰৰ মাজৰ চাপৰিত তেওঁৰ বিশাল খেতি আছে। তাতেই পাম সাজি লৈছে। নিশাটো হেনো ৰুগীয়া গাৰে তাতেই কটাইছে। আজি পুৱা ফোন কৰি খবৰ লোৱাৰ সময়টো গা ভাল পোৱা নাই বুলিয়েই কৈছিল । ঘৰলৈও আহিব খোজা নাই। আজিকালি তেওঁ যেন নিঃ সংগ নিৰ্বাক এগৰাকী পথিকৰ দৰেই দিনবোৰ পাৰ কৰিবলৈ লৈছে। তাতেই আকৌ দুখৰ সময়ত কাৰো ওচৰলৈ নাযায়। সেয়েহে এইকেইদিন ঘৰলৈও অহা নাই। আবেলি অফিচৰ পৰা ওলোৱা সময়ত পুনৰ তেওঁলৈ ফোন কৰিলে। নাই, জ্বৰ হেনো বেছিহে হৈছে। ঘৰলৈ আহিবলৈ কোৱাত বেমাৰৰ কথা কোৱাই নাই বুলিহে উত্তৰ দিলে। ক’লেও কোনো লাভ নাই বাবেই হেনো খেতিতে ব্যস্ত আছে বুলি সামৰি থৈছে।

মনটো গধুৰ হৈ থকা বাবে অদিতিয়ে অফিচৰ পৰা ওলাই ঘৰলৈ নগৈ চালকজনৰ সৈতে পৰাশৰৰ প্ৰিয় সেই বুঢ়ালুইতৰ পাৰলৈ আহিছে। সন্ধিয়াটোক আদৰিবলৈ অস্তাচলৰ সুৰুযে বুঢ়ালুইতৰ বুকুত হেঙুলীয়াৰ দলিচা পাৰি দিছে। তাই নৈপাৰৰ ঘাঁহনিডৰাতে বহি উদাস মনেৰে নৈখনৰ বিশাল বুকুলৈ চাইছে। এৰা, নৈখনৰো জীৱন আছে। পৰাশৰৰ হেনো আজন্ম প্ৰেম আছে এই নৈখনৰ সৈতে। সকলো কথাতেই পৰাশৰে নৈখনক ভালপোৱাৰ কথা উল্লেখ কৰে। এইগৰাকী নৈপৰীয়া কবিৰ সৈতে তাই চিনাকী হোৱাৰ দিনটো, সেইদিনা তাই ভাষণত কোৱা কথাবোৰ আজিও মনত আছে। সঁচাকৈয়ে সুকীয়া জীৱন শৈলীৰে নিজক উদ্‌যাপন কৰিব খোজা মানুগৰাকীয়ে আজি যেন কিবাকেহে জীয়াইছে জীৱন। এৰা, সেই প্ৰথম লগ পোৱা দিনটো তাইৰ মনলৈ আহে।

সন্মুখত শ শ ছাত্ৰ-ছাত্ৰী আৰু বিশেষ ব্যক্তিসকলে আসন গ্ৰহণ কৰি থকাৰ সমান্তৰালভাৱে সভা চলি থকাৰ মাজতেই অদিতি উপস্থিত হৈছিলগৈ। মঞ্চত তাইৰ বাবে নিৰ্দিষ্টকৈ ৰাখি থোৱা আসনখনত তাই লগে লগেই বহিছিল। পলমকৈ উপস্থিত হোৱাৰ বাবে ভাষণ দিবলৈও তাই বেছি সময় ৰৈ থাকিব লগা নহ’ল। অদিতিৰ এনে লাগিছিল যেন সভাত উপস্থিত সকলোৱে তাইৰ বাবেই ৰৈ আছিল। ভাষণৰ মাজে মাজে ছাত্ৰ-ছাত্ৰীসকলে ভালপোৱাৰ প্ৰতি লক্ষ্য ৰাখি দুই-এটা গীতৰ কলিও তাই গুণ-গুনাবলৈ চেষ্টা কৰিছিল । কিছু সময় পিছত পুনৰ মঞ্চৰ সেই নিৰ্দিষ্ট চকীখনত তাই বহিছিল। সভাৰ কাৰ্যসূচী চলিয়েই আছিল। কম সময়ৰ ভিতৰতেই মঞ্চত বহি থকা সকলোৰে সৈতে সৌজন্যমূলকভাৱে চা-চিনাকীও হৈছিল। কিন্তু তাৰ মাজতে তাই আচৰিত হৈছিল, মঞ্চলৈ উঠি অহা নাছিল এগৰাকী বিশেষ মানুহ। যিগৰাকী মানুহক ওচৰৰ পৰা লগ পোৱাৰ হেঁপাহ এটা বুকুত গুজি অদিতিয়ে ইয়ালৈ ঢাপলি মেলি অহাৰ আগ্ৰহ কৰিছিল। যিগৰাকী ব্যক্তি কিছুবছৰ আগলৈ নিষিদ্ধ সংগঠনৰ সদস্য আছিল। তেৰেই এসময়ত ছদ্মনামেৰে কবিতা লিখিছিল। পাঠকে পঢ়ে অথচ কবিগৰাকীক বহুদিন ধৰি চিনি পোৱা নাছিল। আজিও বহুতেই এইগৰাকী কবিক চিনি নাপায়। অদিতিয়ে জানে, সেই বিশেষ মানুহগৰাকী এই সভাৰ মুখ্য অতিথি। তেওঁক আজি লগ পাব বুলিয়েই অদিতিয়ে বৰ আগ্ৰহেৰে আহিছে। তেওঁ মঞ্চৰ সন্মুখত সাধাৰণ দৰ্শকৰ দৰেই আসনত বহি আছে। এতিয়া তেওঁ নিষিদ্ধ সংগঠনৰ সৈতে নাই। এগৰাকী সাধাৰণ মানুহ, যিয়ে কবি হিচাপেও কাৰোবাৰ ওচৰত চিনাকী দি ভাল নাপায়। বহু সময় উৎকণ্ঠাৰ অন্তত তেওঁক পুনৰ মঞ্চলৈ আমন্ত্ৰণ জনোৱা হ’ল। অদিতি আহি পোৱাৰ আগতে তেওঁক আদৰণি জনাইছিল যদিও মানুহগৰাকীয়ে মঞ্চত আসন গ্ৰহণ নকৰি সাধাৰণ দৰ্শকৰ লগত বহি আছিল। আমন্ত্ৰণ গ্ৰহণ কৰি তেওঁ পুনৰ মঞ্চলৈ আহিল। মাইক্ৰ’ফোনটোৰ ওচৰলৈ গৈ তেওঁ মনৰ কথাবোৰ ক’বলৈ আৰম্ভ কৰিছে। মলিয়ন চুলি ডাঢ়িৰে তেওঁক আপচু যেন লাগিছে। দুচকুত শুকাই বালিময় হৈ পৰা এখন নৈ যেন বিদ্যমান। পিন্ধনতো যেন কোনোধৰণৰ পৰিপাটি নাই, এক কথাত বেহিচাপি এগৰাকী মানুহ। অদিতিয়ে অনুভৱ কৰিছিল, নতুনত্বহীন এখন ধূসৰ পৃথিৱীৰ বুকুলৈ সন্ধিয়াটো নামি আহিব খোজা এটা যেন আবেলি অনিচ্ছাকৃতভাৱে তেওঁ প্ৰতিপল বোকোচাত কঢ়িয়াই ফুৰিছে। সভাত উপস্থিত সকলোকে সম্বোধন কৰি কৈ যোৱা বহু কথাই আজিও তাই মনত ৰাখিছে। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বহু কথাই কৈছিল তেওঁ- “মই কোনো বিখ্যাত ব্যক্তি নহয়। ইমানবোৰ আপোন মানুহৰ সন্মুখত ভাষণ ৰাখিব পৰাকৈ মোৰ জ্ঞানৰো অভাৱ।.................... । আচলতে কি জানে, কেতিয়াবা কেতিয়াবা মনৰ কথাবোৰ লিখিছিলো। সেইবোৰকে কেতিয়াবা কবিতাৰ কামিজ, আৰু কেতিয়াবা গল্পৰ কামিজ পিন্ধাবলৈ চেষ্টা কৰিছিলো। অস্বীকাৰ নকৰো, সেইবোৰ কাকত আলোচনীত প্ৰকাশ হ’লে পাঠকে পঢ়ি যে ভাল পাইছিল সেইবোৰ কথাও জানিছিলো। কিন্তু এতিয়া এই সকলোবোৰ অতীত। .......................... । জীৱনটোক উদ্‌যাপন কৰিব খোজা মানুহেও এদিন কোনোমতে জীৱনটো যাপন কৰি জীয়াই থাকে।.................... । ভৰিলেই আচৰিত লাগে যে প্ৰতিপল আমি মৃত্যুৰ ওচৰলৈ অগ্ৰসৰ হৈ আছো। তাৰ পিছতো স্বীকাৰ কৰিবলৈ অপৰাগ..........।”

বহু কথাই কৈ গৈছিল পৰাশৰে, পৰাশৰ কাকতি নামৰ মানুহগৰাকীয়ে। তাৰ মাজতেই সকলোকে হতবাক কৰি তেওঁ শেষৰফালে কোৱা কথাবোৰ অদিতিৰ স্পষ্ট মনত আছে। সেই কথাবোৰ মনত পৰিলে আজিও তাই অজানা পুলক অনুভৱ কৰে। তেওঁ কৈছিল- “কেইদিনমান আগতে আগশাৰীৰ কাকত এখনত এগৰাকী নাৰীয়ে লিখা জীৱন বিষয়ক লেখা এটা পঢ়িছিলো। লেখাটো পঢ়ি জীৱন সম্পৰ্কীয় ধ্যান-ধাৰণাই সলনি হৈ গৈছে। মানুহ হেনো জীৱনমুখী হ’ব লাগে। জীৱনে আমাক হেনো বহুত কিবা কিবি দিছে। আমিহে জীৱনটোক একো দিব পৰা নাই। আচলতে জীৱনটোক আমি কি দিলো সেইবোৰ কথাহে ভাবিব লাগে। নিজক ভালপোৱা মানুহে এনেবোৰ কথাই ভাৱে। এনেধৰণৰ কথাৰে জীৱন বিষয়ক লৈ লিখা তত্বগধুৰ লেখাটোৰ আঁৰৰ নাৰীগৰাকীক জানিবলৈ মন যোৱা নাইনে। মোৰ যদি ভুল হোৱা নাই, সেইগৰাকী চিন্তাশীল নাৰীগৰাকী আপোনাসৰৰ সন্মুখত বহি থকা অদিতি গগৈ বাইদেউ.......!”

অদিতিয়ে বাকীবোৰ আৰু শুনা নাছিল। তাই হতবাক হৈ গৈছিল। পৰাশৰৰ ভাষণ শুনি সন্মুখৰ সকলোৱে হাত চাপৰিৰ বৰষুণত সভাৰ পৰিৱেশেই সলনি হৈ গৈছিল। অদিতিয়ে কল্পনাই কৰা নাছিল যে পৰাশৰৰ দৰে এগৰাকী বিশেষ ব্যক্তিয়ে নিজৰ ভাষণত সকলোৰে সন্মুখত এইদৰে তাইক প্ৰসংশাৰে উপচাই পেলাব। ক্ষন্তেকৰ বাবে হ’লেও তাইৰ মনৰ পখিটি অন্য এখন কল্পনাৰ পৃথিৱীলৈ উৰা মাৰিছিল। তাৰ পিছত পৰাশৰে আৰু কি কৈছিল সেইবোৰ তাইৰ কাণত নোসোমাল। কিন্তু যিগৰাকী মানুহক লগ পোৱাৰ বাবে তাই ব্যাকুল হৈ আছিল। আৰু দেখাৰ পিছত হেজাৰটা কৌতুহলে তাইৰ মন মগজু ভৰাই তুলিছিল। সেইগৰাকী মানুহৰ মুখত এইদৰে প্ৰসংশা শুনি তাই অবাক নহৈ নোৱাৰিলে।

সভা শেষ হোৱাৰ পিছত সকলোৱে অধ্যক্ষৰ কোঠাত সোমাই চাহৰ আড্ডাত বহিছিল। তেতিয়াও অদিতি সহজ হ’ব পৰা নাছিল। বহু সময় পিছত পৰাশৰে নিজেই তাইৰ ফালে চাই মাত লগাছিল-‘সেইদিনা আপোনাৰ লেখাটো পঢ়ি বৰ ভাল লাগিছে। আমি যাপন কৰি থকা জীৱনটোক লৈ অন্য ধৰণেও যে ধণাত্মক চিন্তাৰে ভৰাই তুলিব পাৰি সেয়া বাৰুকৈয়ে উপলব্ধি কৰাব পাৰিছে। আন নহ’লেও মোৰ দৰে পাঠকৰ বাবে মনোগ্ৰাহী হৈছে।’

ঃ ধন্যবাদ।

অদিতিয়ে আচলতে ক’বলৈ ভাষা বিচাৰি পোৱা নাছিল। পৰাশৰ ভাষণ শুনাৰ পিছত তাই তেওঁৰ ওচৰত এক প্ৰকাৰ মুক-বধিৰ হৈ পৰিছিল। ধন্যবাদ শব্দটো উচ্চাৰণ কৰি তাই পুনৰ হাতত থকা চাহৰ কাপটোক লৈ ব্যস্ত হৈ পৰিছিল। কোঠাটোত চাহৰ আড্ডাৰ সমান্তৰালভাৱে কথা বতৰাও চলিয়েই আছিল। কিছু সময় পিছত বিদায় লোৱাৰ সময়ত অদিতিৰ ওচৰলৈ গৈ পৰাশৰে নিজেই ফোন নম্বৰটো খুজি ললে। কেতিয়াবা যোগাযোগ কৰিম বুলিও ক’লে। অদিতিয়ে ফোন নম্বৰৰ আদান-প্ৰদান কৰিয়েই মাত লগালে- ‘আপোনাৰ কবিতাত জীৱন আছে, প্ৰাণ আছে। ভাল লাগে। কিন্তু আজিকালি আপোনাৰ নতুন কবিতাহে নোপোৱা হ’লো। কেতিয়াবা ফোন কৰিব।’

ঃ কবিতা লিখিবলৈ কেতিয়াবাই এৰিলো। কাৰোবাই বিচাৰিলে উপায়হীন হৈ ডায়েৰীৰ পাতৰ পৰা বিচাৰি বিচাৰি পুৰণিবোৰকে দি-দিও। কেতিয়াবা ফোন কৰিম বাৰু।’

তাৰ পিছত তেওঁলোক উভতিছিল নিজৰ নিজৰ গন্তব্য স্থানলৈ। সময় গৈ আছিল। অদিতিয়ে ভাবিছিল পৰাশৰে কেতিয়াবা ফোন কৰিব। কিন্তু তাই ভৱা নাছিল নিজে ফোন কৰাৰ কথা। আৰু এদিন অপ্ৰত্যাশিকভাৱে অদিতিয়ে অফিচত **১২ পৃষ্ঠাত**



# ‘জুবিনদা’ আছে আৰু থাকিব সদায় আমাৰ মাজত

**চন্দন কুমাৰ নাথ**

কেনেকৈ মানি ল'ব পাৰো আমি যে আমাৰ মৰমৰ শিল্পী, আমাৰ সকলোৰে হিয়াৰ আমঠু, নৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ৱ জুবিনদা আমাৰ মাজৰ পৰা চিৰদিন আৰু চিৰকাললৈ আমাক কন্দুৱাই এৰি গুচি গ'ল। অসমীয়া সংগীত জগতৰ নাম উঠিলে এটা প্ৰজন্মৰ প্ৰথমতে যিজন সংগীত শিল্পীৰ কথা মনলৈ আহে তেৰেঁই আছিল আমাৰ মৰমৰ জুবিনদা। তেওঁ নৱপ্ৰজন্মক সদায় প্ৰতিনিধিত্ব কৰিছিল আৰু অসমৰ হকে কাকো খাতিৰ নকৰি মুকলিকৈ মাত মাতিছিল সেয়ে জুবিন গাৰ্গ কেৱল এজন সংগীত শিল্পীয়েই নহয়, তেওঁ এক প্ৰজন্মৰ স্বপ্ন, অনুভূতি আৰু জীৱনৰ সুৰ হৈ পৰিছিলে। তেওঁৰ সংগীতৰ মাজত আছে এক অপূৰ্ব মাধুৰ্য, যিয়ে কোটি কোটি হৃদয় জয় কৰিছিল। সেই কাৰণেই আজিৰ দিনত তেওঁক লৈ যিমানেই আলোচনা কৰা নহওক, তেওঁ সদায় অমৰ হৈ থাকিব— এইটো নিশ্চিত।

জুবিন গাৰ্গৰ সংগীত কেৱল বিনোদনতেই সীমাবদ্ধ নহয় তেওঁৰ গীতত আছিল জীৱনৰ এক দাৰ্শনিক দিশ। প্ৰেম, বিৰহ, আশা, হতাশা, মানৱীয়তা আৰু প্ৰায় সকলো মানসিক অৱস্থাক তেওঁ সুৰৰ মাজত বন্দী কৰিছিল। তেওঁ গাইছিল— ‘আকাশে গাতে ল'বৰে মন, সাগৰ তলিত শুবৰে মন, মনৰ চিলা উৰুৱাই জীৱনে’ উফ্ কি মধুৰ আৰু গভীৰ যি শুনিলে এক গভীৰ অনুৰাগৰ অনুভূতি জাগে। আনহাতে ‘অন্ধ শাসন ভণ্ড শাসক অৰ্থ লোভৰ নগ্ন যুঁজত’ শুনিলে সমাজ তথা শাসন ব্যৱস্থাৰ এক সজীৱ চিত্ৰ আঁকিব পাৰি। তেওঁৰ কণ্ঠত আছিল এক অদ্ভুত বৈচিত্ৰ্য। কেতিয়াবা তীব্ৰ, কেতিয়াবা কোমল, কেতিয়াবা উদ্দাম, কেতিয়াবা স্নিগ্ধ। এই বৈচিত্ৰ্যই তেওঁক সকলো বয়সৰ শ্ৰোতাৰ প্ৰিয় শিল্পী কৰি তুলিছিল। এজন তৰুণৰ উন্মাদনা হওক বা এজন বৃদ্ধৰ নষ্টালজীয়া— জুবিন গাৰ্গৰ কণ্ঠত সকলোৱে যেন নিজৰ নিজৰ গল্প বিচাৰি পাইছিল। অসমীয়া সংস্কৃতিৰ মূলসুঁতি ভাওনা, বিহু, লোকগীত আদি জুবিন গাৰ্গে নিজৰ স্বতন্ত্ৰ ধাৰাত উপস্থাপন কৰিছে। বিশেষকৈ বিহুগীতক আধুনিক ৰূপত উত্থাপন কৰি তেওঁ এক নতুন যুগ সৃষ্টি কৰিছিল। গাঁৱৰ মাটিৰ গোন্ধ আৰু নগৰীয়া উন্মাদনা একেলগে মিলাই তেওঁ যি গীত উপহাৰ দিছে, সেয়া প্ৰতিজন অসমীয়াৰ হৃদয়ত বাজি থাকিব।

অসমীয়া সমাজৰ বাবে তেওঁ মাথোঁ এজন গায়ক বা সংগীত শিল্পী নহয়, তেওঁ এক সাংস্কৃতিক পৰিচয়। তেওঁ যেতিয়া মঞ্চত উঠিছিল, লাখ লাখ লোকৰ মাজত এক উন্মাদনা সৃষ্টি হৈছিল। অসমৰ মাটিৰ সৈতে জুবিন গাৰ্গৰ সম্পৰ্ক এনে এটা আছিল যেনে ব্ৰহ্মপুত্ৰৰ সৈতে নদীৰ। জুবিন নামটোৰেই অসমীয়াৰ হৃদয়ত এটা সুৰৰ মাজলৈ যেন বহি গৈছিল আৰু সেই সুৰেই অসমক এখন জাতীয় সংস্কৃতিৰ প্ৰতীক কৰি তুলিছিল। ১৯ ছেপ্টেম্বৰ, ২০২৫ চন, ছিংগাপুৰৰ সাগৰতলিত তেওঁৰ অকাল মৃত্যুৱে সমগ্ৰ অসমক কন্দুৱায় আৰু প্ৰতিজন অসমীয়াৰ হৃদয় জুলাই দিলে; কিন্তু জুবিন গাৰ্গ সঁচাই গুচি গ'লনে? নহয়, তেওঁ তেওঁৰ গীতবোৰৰ জৰিয়তে সদায় আমাৰ মাজত চিৰজীৱী হৈ আছে আৰু থাকিব। ১৯৯২ চনত তেওঁৰ প্ৰথম এলবাম ‘অনামিকা’ মুক্তি পাইছিল। এই এলবামটিয়ে অসমীয়া সংগীত জগতত এটা বিপ্লৱ আনিছিল। পূৰ্বৰ অসমীয়া গান যেনে লোকসংগীত আৰু ভক্তিমূলক হৈ থাকিলেও, জুবিনৰ গানসমূহত আছিল এটা আধুনিকতাৰ জোৱাৰ। তেওঁৰ কণ্ঠত আছিল ব্ৰহ্মপুত্ৰৰ সেই গভীৰতা, যি শুনিলে আমাৰ সকলোৰে হৃদয়ক স্পৰ্শ কৰি যায়। ‘মায়াবিনী’, ‘মায়া মাথোঁ মায়া'ৰ দৰে গানসমূহে অসমীয়া যুৱক-যুৱতীক নতুন শক্তি দিছিল। জুবিন গাৰ্গ আছিল আমাৰ অসমীয়া সংস্কৃতিৰ সুৰক্ষক। ২০১৩ চনত যেতিয়া সংগঠনসমূহে বিহু মঞ্চত হিন্দী গান গাবলৈ নিষেধ কৰিছিল, তেতিয়া জুবিনে ‘য়া আলি’ গাই কৰি সকলোকে আতংকিত কৰি তুলিছিল আৰু এই আছিল তেওঁৰ সাহস।

জুবিন গাৰ্গৰ সংগীত যাত্ৰা অসমৰ সীমা অতিক্ৰম কৰি ৪০টা ভাষাত প্ৰসাৰিত হৈছিল। হিন্দী চলচ্চিত্ৰ ‘গেংষ্টাৰ'ৰ ‘য়া আলি’ গানটোৰে তেওঁক ২০০৭ চনত গ্ল'বেল ইণ্ডিয়ান ফিল্ম এৱাৰ্ড আৰু চাৰ্ডাষ্ট এৱাৰ্ড লাভ কৰাইছিল। বাংলা চলচ্চিত্ৰ ‘শুধু তুমিৰ কাৰণে'ত তেওঁৰ সংগীত পৰিচালনাৰ বাবে ২০০৫ চনত শ্ৰেষ্ঠ সংগীত পৰিচালকৰ পুৰস্কাৰ পাইছিল; কিন্তু এই সকলো সফলতাৰ পিছতো তেওঁ অসমক কেতিয়াও এৰিব নোৱাৰিলে। তেওঁ অসমীয়া চলচ্চিত্ৰত অভিনয় কৰিছিল, পৰিচালনা কৰিছিল আৰু ৩৮,০০০তকৈ অধিক গান গাইছিল। তেওঁৰ গানসমূহত আছিল অসমৰ লোকজীৱনৰ ছবি, ব্ৰহ্মপুত্ৰৰ কাহিনী, চাহ বাগানৰ সেউজীয়া, বিহুৰ নাচ-গান আৰু যুৱপ্ৰজন্মৰ সপোন। জুবিন গাৰ্গে ১২টা বাদ্যযন্ত্ৰত দক্ষতা লাভ কৰিছিল আৰু তেওঁৰ সংগীতত আছিল এটা সাৰ্বজনীন আকৰ্ষণ। জুবিন গাৰ্গ আৰু অসমৰ সম্পৰ্ক কেৱল সংগীতত সীমাবদ্ধ নাছিল কাৰণ তেওঁ আছিল এজন সমাজসেৱী। তেওঁৰ দানশীলতাৰ কথা অসমৰ প্ৰতিটো ঘৰত জনাজাত। বিশেষকৈ অসমৰ বানপানীৰ সময়ত তেওঁ সহায়ৰ হাত সদায় আগবঢ়াইছিল আৰু লগতে যুৱকসকলক পথ দেখুৱাইছিল, আৰু অসমীয়া ভাষাৰ সুৰক্ষাৰ বাবে সদায় প্ৰতিনিধিত্ব দিবলৈ প্ৰেৰণা যোগাইছিল। তেওঁৰ ব্যক্তিত্বত আছিল এটা বিদ্ৰোহী চৰিত্ৰ, চৰকাৰী নিয়ম বা শাসনৰ বিৰুদ্ধে, প্ৰতিবাদী কণ্ঠ আগবঢ়াইছিল কিন্তু সকলোৰে প্ৰতি আছিল দয়ালু। অসমৰ মুখ্য মন্ত্ৰী ড' হিমন্তবিশ্ব শৰ্মাই কৈছিল, ‘জুবিন অসমৰ প্ৰিয়তম পুত্ৰ আছিল। তেওঁৰ সংগীতে অসমক একত্ৰিত কৰিছিল।’ এই কথাই জুবিন গাৰ্গৰ অসমৰ সৈতে বন্ধনৰ সাৰাংশ; কিন্তু জীৱনৰ এই সুৰৰ মাজতো দুখৰ ছায়া আছিল। জুবিনৰ জীৱনত ব্যক্তিগত ক্ষতি আছিল, পৰিয়ালৰ সদস্যসকলৰ অকাল মৃত্যু আৰু নিজৰ স্বাস্থ্য সমস্যা। ২০২৫ চনৰ মে' মাহত তেওঁ গুৰুতৰ অসুস্থতাত ভুগিছিল; কিন্তু তেওঁ কেতিয়াও থমকি ৰোৱা নাছিল।

জুবিন গাৰ্গৰ মৃত্যুৱে অসমক এটা অপূৰ্ব শোকত ডুবাই দিলে। জুবিন গাৰ্গৰ মৃত্যুত দেশৰ নেতাৰ পৰা লৈ শিল্পীলৈকে শোক প্ৰকাশ কৰিছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছিল— ‘জুবিনৰ সংগীতে সকলোকে মোহিত কৰিছিল।’ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে তেওঁক ‘অসমৰ কণ্ঠ’ বুলি স্মৰণ কৰিছে। জুবিন নৌটিয়াল, আৰ্মান মালিক আদি শিল্পীসকলে শোক প্ৰকাশ কৰিছে। অসমত স্কুল-কলেজ বন্ধ হৈছিল, বজাৰ বন্ধ হৈছিল। আনকি ক্ৰিকেটৰ মহিলা বিশ্বকাপৰ উদ্বোধনী অনুষ্ঠানতো ৪০ মিনিটৰ শ্ৰদ্ধাঞ্জলি দিয়া হৈছিল। এই সকলোতে জুবিনৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। সৰুসজাই ষ্টেডিয়ামত তেওঁৰ দেহ সকলোৰে বাবে ৰখা হৈছিল আৰু লাখ লাখ লোকে শ্ৰদ্ধা নিবেদন কৰিছিল আৰু ২৩ ছেপ্টেম্বৰত কমাৰকুছি গাঁৱত তেওঁৰ অন্তিম সংস্কাৰ হৈছিল। সেই মুহূৰ্তত সকলোৱে তেওঁৰ গান গাইছিল আৰু ‘জয় জুবিনদা’ ধ্বনিত অসম কঁপি উঠিছিল। যোৰহাটৰ লোকৰ অনুৰোধত তেওঁৰ অংশ অস্থি লৈ যোৱা হৈছিল, য'ত এখন সমাধিস্থল নিৰ্মাণ কৰা হ'ব। এই সকলো ঘটনাই প্ৰমাণ কৰিছে যে জুবিন অসমৰ হৃদয়ৰ অংশ আছিল। জুবিন গাৰ্গৰ জীৱনৰ এক দুখজনক দিশ হৈছে তেওঁৰ মৃত্যুৰ পৰিস্থিতি আৰু ৰহস্য। ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ গৈছিল তেওঁ আৰু য়টৰ পৰা সাঁতোৰাৰ সময়ত হঠাৎ শ্বাসকষ্ট হৈ পৰিছিল আৰু হাস্পতালত মৃত ঘোষণা কৰা হৈছিল। এই ঘটনাৰ তদন্তৰ বাবে অসম আৰক্ষীয়ে এফ আই আৰ ফাইল কৰিছে আৰু এছ আই টিক তদন্তৰ দায়িত্ব দিয়া হৈছে। ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে অভিযোগ আছে; কিন্তু এই তদন্তৰ মাজতো জুবিনৰ স্মৃতি অটুট আছে।

জুবিন গাৰ্গ অসমৰ এক আইকন আছিল। তেওঁৰ গানসমূহত আছিল অসমৰ মাটিৰ গোন্ধ, লোকজীৱনৰ ছবি আৰু যুৱপ্ৰজন্মৰ সপোন। তেওঁৰ বিদায়ত অসমে দেখুৱাই দিলে যে এজন শিল্পী কেনেকৈ জাতিৰ হৃদয় জয় কৰিব পাৰে। যোৰহাট আৰু কমাৰকুছিত সমাধিস্থল নিৰ্মাণ হ'ব। এই সকলোতে জুবিন গাৰ্গৰ চিৰস্থায়িত্ব প্ৰতিফলিত হৈছে। জুবিনদা, তোমাৰ সুৰেই অসমক আলিংগন কৰিব, তোমাৰ গীতসমূহত আমি সদায় জীয়াই থাকিম। অসমে তোমাক কেতিয়াও বিদায় নিদিয়ে। জয় আই অসম, জয় জুবিনদা।

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# অৰ্থনৈতিক স্বাধীনতা বনাম ৰাজনৈতিক স্বাধীনতা

১৯৩৬-৩৭ চনত অসম সন্তান জাতীয়তাবাদী সত্তাৰ প্ৰতীক বিষ্ণু ৰাভাই সৌমেন্দ্ৰ নাথ ঠাকুৰৰ স'তে কলিকতাত সান্নিধ্যত আহে আৰু সাম্যবাদী নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হয়।

সৌমেন্দ্ৰ নাথ ঠাকুৰে অসমলৈ আহি ছাত্ৰ ফেডাৰেচনৰ লগত জড়িত দেৱেন্দ্ৰ নাথ শৰ্মা, উপেন্দ্ৰ দাস, হৰিদাস ডেকা, গোকুল মেধি আদি নেতাক লগ কৰি ৰুছ বিপ্লৱ, হিটলাৰৰ নাজী বাহিনীৰ বৰ্বৰতা, ফেচীবাদ আদিৰ তাত্বিক দিশসমূহ ব্যাখ্যা দাঙি ধৰে। ভাৰতৰ সকলো শ্ৰেণীৰ শ্ৰমজীৱী মানুহক একত্ৰিত কৰিব পাৰিলে সমাজৰ আমুল পৰিৱৰ্তন সম্ভৱ হ'ব বুলি ব্যাখ্যা দাঙি ধৰে। লগতে তেওঁৰ ভাষণত পুঁজিবাদৰ শোষণ, মাৰ্ক্সবাদৰ আদৰ্শ আৰু ভাৰতবৰ্ষৰ সমাজ জীৱনৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। শ্ৰেণী সংগ্ৰাম সফল কৰিবলৈ হ'লে কৃষক, ছাত্ৰ আৰু মহিলাৰ পূৰ্ণ সহযোগিতা লাগিব বুলি কয়। গান্ধীজীৰ নেতৃত্ব চলা স্বাধীনতা আন্দোলত, কংগ্ৰেছে যে স্বাধীনতাৰ বাবে চুড়ান্ত সংগ্ৰামত অৱতীৰ্ণ নহয় আৰু সুযোগ পালেই সাম্ৰাজ্যবাদী ব্ৰিটিছৰ স'তে আপোচ কৰিব সেইটোত কমিউনিষ্ট লিগ নিশ্চিত আছিল। সেইবাবেই জাতীয় কংগ্ৰেছৰ বাহিৰত কৃষক, বনুৱা, ছাত্ৰ, মহিলা আদিৰ সংগঠন এটা গঢ়ি তোলাৰ পোষকতা কৰিছিল। গান্ধীবাদে যে সকলো ক্ষেত্ৰতে শ্ৰেণী সংগ্ৰামৰ সলনি শ্ৰেণী শোষণ বজাই ৰখাৰ উদ্দেশ্যেহে আপোচ কৰি আহিছে, সেই কথাও তেওঁ ভালদৰে ব্যাখ্যা কৰে। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজিবলৈ কংগ্ৰেছ বিৰোধী প্ৰগতিশীল ৰাজনৈতিক মঞ্চৰ তেওঁ পোষকতা কৰিছিল। সংক্ষেপে তেওঁৰ দৃষ্টিভংগী এনেকুৱা যদিও কেইবাদিন ধৰি চলোৱা আলাপ-আলোচনাৰ অন্তত হৰেন কলিতাক সম্পাদক হিচাপে লৈ অসমত কমিউনিষ্ট লীগৰ শাখা এটা গঠন কৰে আৰু লগে লগে এক নতুন ৰাজনৈতিক আদৰ্শৰ জন্ম হয়।

মহাত্মা গান্ধীৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা আন্দোলনত কংগ্ৰেছ দল ওপৰত সৰ্বসাধাৰণৰ আস্থা থাকিলেও বিশেষকৈ এচাম যুৱকে বিনা ৰক্তপাতে প্ৰকৃত স্বাধীনতা আনি দিব পাৰিব বুলি পতিয়ন যোৱা নাছিল। তদুপৰি উদ্যোগপতি ঘনশ্যাম বিৰলাৰ দৰে লোকৰ স'তে গান্ধীজীৰ ঘনিষ্ঠ সম্পৰ্কয়ো কংগ্ৰেছ দলৰ উদ্দেশ্য আৰু লক্ষ্য সম্পৰ্কে তেওঁলোকক সন্দিহান কৰি তুলিছিল। সৌমেন্দ্ৰ নাথ ঠাকুৰৰ আগমনৰ আগলৈকে নিৰ্দিষ্ট সংগ্ৰামী পথৰ সন্ধান বিচাৰি হাবাথুৰি খাই ফুৰা যুৱচামে যেন আকাশৰ জোনটি হাতত পালে। সৌমেন্দ্ৰ নাথ ঠাকুৰেও গুৱাহাটীৰ বিভিন্ন শ্ৰেণীৰ লোকৰ স'তে আলোচনা কৰি অনুভৱ কৰিলে যে শ্ৰেণী সংগ্ৰামৰ বাবে অসম হৈ আছে এক সাৰুৱা ভূমি। তেওঁ কলিকতালৈ ঘূৰি গৈ ভালেমান কিতাপ-পত্ৰ স'তে সুধাময় দাশগুপ্তক গুৱাহাটীলৈ পঠিয়াই দিলে। ইতিমধ্যে দেৱেন্দ্ৰ নাথ শৰ্মাৰ উদ্যোগত গুৱাহাটীৰ পাণবজাৰত মাহিলি আঠ টকা ভাড়াত এটি কোঠা লোৱা হৈছিল আৰু এইটোৱেই ৰেডিকেল ইনষ্টিটিউটৰ কাৰ্যালয় হৈ পৰিছিল। প্ৰচলিত ধ্যান-ধাৰণাৰ বিপৰীতে প্ৰগতিশীল চিন্তা-চৰ্চাৰ কেন্দ্ৰ হৈ পৰিল এই ইনষ্টিটিউট। দাশগুপ্তই নিয়মীয়াকৈ মাৰ্ক্সবাদ, লেনিনবাদ, শ্ৰেণী-সংগ্ৰাম আদিৰ সম্পৰ্কত অনুশীলনী আৰম্ভ কৰিলে। স্তৰে স্তৰে বিভিন্ন ছাত্ৰ গোটৰ সমাগম হ'ল এই কাৰ্যালয়ত। উমা শৰ্মা, অৰবিন্দ ঘোষ, খগেন বৰবৰুৱা, হৰেন কলিতা, কৃপৰেন্দ্ৰ দাশগুপ্ত আদি বহুতেই ৰেডিকেল ইনষ্টিটিউটৰ সদস্য হ'ল আৰু নিয়মীয়াকৈ সুধাময় দাশগুপ্তৰ ব্যাখ্যা শুনিবলৈ ল'লে। মাৰ্ক্সবাদৰ প্ৰায়বোৰ কিতাপ হেতুকে ছাত্ৰসকলে পঢ়িবলৈ টান পাইছিল বহুতে বাংলা ভাষাৰ কিতাপো পঢ়িছিল। খগেন বৰবৰুৱাই কাৰ্ল মাৰ্ক্সৰ ব্ৰিটিছ ৰুল ইন ইণ্ডিয়াৰ অসমীয়া ভাঙনি— 'ভাৰতত ইংৰাজ শাসন' প্ৰকাশ কৰে। এনেদৰে কম দিনৰ ভিতৰতে ৰেডিকেল ইনষ্টিটিউট জীৱন্ত হৈ পৰে।

১৯৩৯ চনত জাতীয় কংগ্ৰেছৰ সভাপতি পদত নেতাজী সুভাষ চন্দ্ৰ জয়ী হোৱাত গান্ধীজীয়ে সেয়া তেওঁৰ নিজৰ পৰাজয় বুলি ঘোষণা কৰাত বসুৱে পদত্যাগ কৰে আৰু কংগ্ৰেছৰ বিকল্প হিচাপে। 'ফ'ৰৱাৰ্ড ব্লক' গঠন কৰে। ব্ৰিটিছৰ প্ৰতি সমৰ্থন জনোৱা হেতুকেই ১৯৪২ চনৰ জুনত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ওপৰত নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হয়; কিন্তু তাৰ লগে লগে যেন কমিউনিষ্ট পাৰ্টিয়ে প্ৰকৃত চৰিত্ৰ হেৰুৱাই পেলালে। ইয়াৰ সুযোগ বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে গ্ৰহণ কৰিবলৈ আগবাঢ়ে আৰু সৌমেন্দ্ৰ নাথ ঠাকুৰে ১৯৩৪ চনত কমিউনিষ্ট লীগ আৰু তাৰ পিছত ১৯৩৭ চনত ৰেডিকেল ইনষ্টিটিউট গঠন কৰি দৃঢ়তাৰে ব্ৰিটিছবিৰোধী নীতি গ্ৰহণ কৰে। ৰেডিকেল ইনষ্টিটিউটেই পাছলৈ ১৯৪৩ চনত ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিলৈ ৰূপান্তৰিত হয়। দ্বিতীয় মহাসমৰৰ ব্ৰিটেইন আৰু জাৰ্মানীৰ মাজৰ যুদ্ধৰ ফিৰিঙতি যেন গুৱাহাটীৰ ৰাজপথলৈকে সম্প্ৰসাৰিত হ'ল। এই সংকটাপন্ন সময়ত ইংৰাজ চৰকাৰে বিচাৰিলে ভাৰতবাসীৰ সাহায্য ভাৰতৰ জাতীয় কংগ্ৰেছ আৰু কমিউনিষ্ট পাৰ্টিয়েও তাৰ প্ৰতি সমৰ্থন আগবঢ়াইছে; কিন্তু বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ প্ৰভাৱাধীন কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ ইয়াত সমৰ্থন নাছিল। ব্ৰিটিছবিৰোধী ছাত্ৰসকলে কটন কলেজত পতা যুদ্ধ মেলা প্ৰদৰ্শনী উঠাই নিবলৈ প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ কৰাত হৰেন কলিতা, ৰাজেন কলিতা, পদ্ম কাকতি (বগা পালোৱান), হৰিদাস ডেকা, তৰুণ সেন ডেকা, কামিনী শৰ্মাক পুলিচে লাঠিচালনা কৰে। তাৰ পাছতেই উমা শৰ্মা, হৰেন কলিতা, গকুল মেধি আৰু হৰিদাস ডেকাক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰা হ'ল। কাৰাগাৰৰ ভিতৰতেই তেওঁলোকৰ মাজত নিতৌ আলাপ-আলোচনা হয় আৰু সশস্ত্ৰ সংগ্ৰামৰ জৰিয়তেহে স্বাধীনতা লাভ কৰাটো সম্ভৱ বুলি পতিয়ন যায়। তাৰ লগে লগে আৰম্ভ হ'ল এক নতুন অধ্যায়ৰ।

পৰৱৰ্তী ১৯৪৫ চনত বিষ্ণু ৰাভাই বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগদান কৰে। অসমৰ নেতৃত্বই ছত্ৰসিংহ টেৰণ আৰু বিষ্ণু ৰাভাক উজনি আৰু নামনি অসমৰ জনসাধাৰণৰ মাজত দলৰ ৰণনীতি আৰু সশস্ত্ৰ সংগ্ৰামৰ মাজেৰে গেৰিলা বাহিনী, কৃষক পঞ্চায়ত, নাৰী সংগঠন, নাৰী মুক্তি বাহিনী গঠন কৰি বিপ্লৱী কমিউনিষ্ট দলটোক নতুন মাত্ৰা প্ৰদান কৰে। বহুমুখী প্ৰতিভাৰ আকৰ বিষ্ণু ৰাভাই যিখন ঠাইলৈ যায় তাতেই গীত-মাত, অভিনয়, খেল-ধেমালিৰে সেই ঠাইখনত নতুন জাগৰণ আনি দিয়ে। ঠায়ে ঠায়ে উজনি-নামনিৰ গেৰিলা বাহিনীক অস্ত্ৰচালনাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰে। অনিৰাম বসুমতাৰী নামৰ সংগ্ৰামীজন ব্ৰিটিছৰ অধীনত প্ৰাক্তন পুলিচ বিষয়া আছিল। ব্ৰিটিছ বিষয়াক গুলিয়াই হত্যা কৰাৰ অপৰাধত অনিৰাম বসুমতাৰীয়ে তিনি বছৰ জেল খাটি মুক্তি পাই আহি ১৯৪৩ চনত বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগদান কৰি বিষ্ণু ৰাভাৰ দেহৰক্ষী হিচাপে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আত্মগোপনৰ সময়ত সংগ দিয়ে।

১৯৪২-৪৩ত উপেন দাসক ৰাজ্যিক দলীয় সম্পাদকৰ দায়িত্ব দিয়া হৈছিল, অসম উপত্যকাত উজনি আৰু নামনি দুটা ভাগত ভগোৱা হৈছিল। নামনিৰ ভিতৰত কামৰূপ, গোৱালপাৰা আৰু দৰং পৰিছিল। এই তিনিখন জিলাৰ দায়িত্ব তৰুণ সেন ডেকাৰ ওপৰত অৰ্পণ কৰা হৈছিল। তিনিখন জিলাৰে ঠায়ে ঠায়ে পাৰ্টিৰ বৃহৎ সংগঠন গঢ়ি তোলা হৈছিল; কিন্তু কৰ্মীসকলে আত্মগোপন কৰি থাকিব লগা হোৱা কাৰণে সকলো কাম গোপনে কৰিব লগা হৈছিল। ডেকা-ডেকেৰীসকলক বন্দুক, ষ্টেনগান আৰু গ্ৰেনেড চালনাৰ প্ৰশিক্ষণ দিয়া হৈছিল। প্ৰশিক্ষণবোৰ পাহাৰৰ নামনি আৰু অন্যান্যত দিয়া হৈছিল। প্ৰশিক্ষণপ্ৰাপ্ত সদস্যসকলৰ সহযোগত 'গণ বাহিনী' গঠন কৰা হৈছিল। চৰকাৰৰ বিৰুদ্ধে যুদ্ধ কৰি মুক্ত অঞ্চল একোটা ঘোষণা কৰাটোৱেই লক্ষ্য আছিল।

পৰৱৰ্তী সময়ত ১৯৪৫-৪৬ চনত নামনি অসমৰ দায়িত্ব বিষ্ণু ৰাভাক আৰু উজনি-নামনি উভয়ৰে ছত্ৰসিংহ টেৰণ আৰু বিষ্ণু ৰাভাক গধুৰ দায়িত্ব দলে প্ৰদান কৰিছিল।

১৯৪৭ চনত ১৫ আগষ্টত ভাৰতৰ স্বাধীনতা ঘোষণা কৰা হ'ল যদিও বিপ্লৱী কমিউনিষ্ট পাৰ্টি আৰু প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টিৰ তথা বাওঁ দলসমূহে এই স্বাধীনতা ভুৱা বুলি প্ৰতিপন্ন কৰি ঠায়ে ঠায়ে ক'লা পতাকা উত্তোলন কৰি 'ইয়ে আজাদী ঝুথা হেয়' শ্লʼগান দি প্ৰতিবাদ কৰে।

উজনি প্ৰতিবাদী কাৰ্যসূচী নেতৃত্ব দিয়ে খগেন বৰবৰুৱা তথা দলৰ গেৰিলা বাহিনীৰ সদস্যসকলে। বিষুপ্ৰসাদ ৰাভাই নামনিৰ টিহু, দীঘেলীত, নবীন মেধি, তৰুণ সেন ডেকা, মহেন্দ্ৰ বৰ্মন আদি নেতাই বেলশৰৰ পশ্চিম দিশৰ পিপলিবাৰীত ক'লা পতাকা উত্তোলন কৰি প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ কৰে। গুৱাহাটীৰ বেলতলাত বলোৰাম বসুমতাৰী, হৰিদাস ডেকা, হৰেন কলিতা আৰু কাৰ্বি আংলং জিলাত ছত্ৰসিংহ টেৰণে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাত সেই সময়ত অসমৰ ৰাজধানী শ্বিলং আৰু দিল্লীৰ পৰা প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে বিপ্লৱী নেতাসকলক কঠোৰ হাতেৰে দমন কৰিবলৈ গৃহ বিভাগক নিৰ্দেশ দিয়ে, লগতে নেতাসকলৰ জীৱন্তে আটক কৰিবলৈ ১০ হাজাৰ টকাৰ মূৰৰ দাম নিৰূপণ কৰি বিপ্লৱক দমন কৰাৰ নতুন নতুন কৌশল অৱলম্বন কৰিবলৈ ধৰে। আছাম ৰাইফল আৰু কুমায়ুণ্ট ৰেজিমেণ্টৰ দ্বাৰাই বিদ্ৰোহী নেতাসকলক আটক কৰিবলৈ অসমৰ ঠায়ে ঠায়ে নামি পৰে।

কিন্তু বিপ্লৱৰ পৰিভাষা জটিল, এচাম সাম্ৰাজ্যবাদী পুঁজিবাদীৰ দালাল নেতাই বিপ্লৱৰ বাটত হেঙাৰৰূপে থিয় দিয়ে আৰু বিপ্লৱৰ মূল উদ্দেশ্যত উপনীত হ'বলৈ নিদি বৃহত্তৰ সাম্ৰাজ্যবাদী শোষক গোষ্ঠীৰ লগত চামিল হোৱাৰ বাবে ভাৰত স্বাধীন হোৱাৰ পিছতো সৰ্বসাধাৰণ উপকৃত হ'ব পৰাকৈ সাম্যবাদী ধাৰাৰে স্বাধীনতা লাভ নকৰা হেতুকে বৰ্তমান প্ৰেক্ষাপটত ভাৰত তথা অসমৰ জনসাধাৰণ স্বাধীন যদিও অৰ্থনৈতিক স্বাধীনতা লাভ কৰা নাই। বজাৰ দখল কৰিছে পুঁজিবাদী সাম্ৰাজ্যবাদীসকলে। অসম আৰু অসমীয়াৰ ক্ষমতাকেন্দ্ৰিক অৰিয়া-অৰিত অসমীয়াৰ অস্তিত্ব বিপদাপন্ন হ'বলৈ গৈ আছে। অৰ্থনৈতিক স্বাধীনতা আজি পুঁজিবাদীৰ হাতত। অৰ্থনৈতিক স্বাধীনতা অবিহনে জাতিৰ অস্তিত্ব বিপদাপন্ন।

১৯৪৯ চনৰ শেষৰ ফালে কলিকতাত পান্নালাল দাশগুপ্ত আৰু অসমত বিষ্ণু ৰাভা, ছত্ৰসিংহ টেৰণ, খগেন বৰবৰুৱা, তৰুণ সেন ডেকা আদি বিদ্ৰোহীয়ে অৰ্থনৈতিক স্বাধীনতা দলৰ হাতত কুক্ষিগত কৰিবলৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ অৰ্থে মুক্তাঞ্চল ঘোষণা কৰা কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবে বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে মুখ্য কাৰ্যালয় নাৰেংগীত সাত দিনজোৰা আলোচনাত টিহুক মুক্তাঞ্চল ঘোষণা কৰাৰ সিদ্ধান্তত উপনীত হয়। মুক্তাঞ্চল মানে স্বাধীন অঞ্চল। সেই অঞ্চলৰ ওপৰত কৰ্তৃত্ব থাকিব দলৰ। তাত গঠিত হ'ব চৰকাৰ। সেই অঞ্চলৰ লোকে দিব লাগিব এইখন চৰকাৰলৈ কৰ। মানি চলিব লাগিব মুক্তাঞ্চলৰ আইন। চীনৰ কমিউনিষ্ট দলে এইদৰে মুক্তাঞ্চল গঢ়ি তুলিয়েই কৃষক-শ্ৰমিকৰ চৰকাৰ গঠন কৰিছিল।

১৯৫০ চনৰ ১০ ফেব্ৰুৱাৰীত বিষ্ণু ৰাভা, কামিনী মোহন শৰ্মা, তৰুণ সেন ডেকা, ছত্ৰসিংহ টেৰণসহ নেতা-নেত্ৰীৰ সহযোগত তিনিটা দল হৈ টিহু চহৰক উত্তৰ-পূব, দক্ষিণ দিশৰ পৰা বন্দুক-বাৰুদ লৈ অতৰ্কিতে আক্ৰমণ কৰি চক্ৰ বিষয়াৰ কাৰ্যালয়, ডাক বঙলা, লাল গুদাম, ধান মিল, স্থানীয় কংগ্ৰেছ নেতা এগৰাকীৰ চ'ৰা ঘৰটো জুই জ্বলাই ভস্মীভূত কৰে। টিহুৰ এই ঘটনাই কেৱল যে তেতিয়াৰ অসমৰ ৰাজধানী শ্বিলংকেই সন্ত্ৰস্ত কৰি তুলিলে তেনে নহয়, নতুন দিল্লীও চিন্তিত হৈ পৰিল। কলিকতাৰ দমদম বসিহাটৰ পাছতেই এইটো বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ দ্বাৰা সংঘটিত সৰ্ববৃহৎ ঘটনা হিচাপে পৰিগণিত হৈছিল।

প্ৰকৃত নেতাবিহীন নেতৃত্বত গঢ় লোৱা আন্দোলনে অসম আৰু অসমীয়া জাতিটোৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত প্ৰতিটো বিষয়ত শাসক গোষ্ঠীয়ে সহজে আয়ত্তলৈ আনিবলৈ সক্ষম হৈছে নানা প্ৰলোভনেৰে, যাৰ ফলস্বৰূপে আজি বহিৰাগত বণিক গোষ্ঠীৰ দপদপনিত অসমত অসমীয়াৰ অস্তিত্ব বিপদাপন্ন হৈছে।

ব্ৰিটিছৰ দিনত দেশ উদ্ধাৰ আৰু স্বাধীনৰ বাবে বহু অসমীয়াই হাঁহিমুখে ফাঁচিকাঠত ওলমিছিল। বহু কৃষকৰ ৰক্তৰে ৰঞ্জিত কৰিছিল দেশৰ মাটি। ঠিক তেনেদৰে অসম আন্দোলনতো বহুত ডেকাই প্ৰাণ আহুতি দিছিল। এনেবোৰ কাৰণতেই মনত এক অদম্য সাহস জাগ্ৰত হৈ থাকে যে অসম কেতিয়াও নমৰে আৰু মৰিব নোৱাৰে। অৰ্থনৈতিক স্বাধীনতাও আমাৰ প্ৰাপ্য আৰু আঁজুৰি আনিবলৈ সংকল্প লোৱা উচিত আৰু নতুন সংগ্ৰাম এখনৰ প্ৰস্তুতিৰ সময় সমাগত। 'ভাৰতবৰ্ষৰ অৰ্থনীতি নিয়ন্ত্ৰণ কৰি আছে আজি কেইজনমান ধনকুবেৰে। দেশৰ বেছিভাগ সম্পত্তি কুক্ষিগত হৈ আছে পুঁজিবাদী সাম্ৰাজ্যবাদী কেইজনমান ধনকুবেৰৰ হাতত!' চৰকাৰী বহুতো প্ৰতিষ্ঠান, বিভাগ, ব্যক্তিগতকৰণৰ নীতিয়ে জনবিৰোধী, শ্ৰমিকবিৰোধী অৰ্থনীতিত কুঠাৰাঘাত কৰিছে। সাম্ৰাজ্যবাদী পুঁজিবাদী গোষ্ঠীৰ দ্বাৰাই বজাৰ নিয়ন্ত্ৰণ হৈছে। স্বাধীন ভাৰতবৰ্ষত আজি সৰ্বসাধাৰণৰ বাবে অৰ্থনৈতিক স্বাধীনতা নাই! অৰ্থনৈতিক স্বাধীনতা অবিহনে আজি ৰাজনৈতিক স্বাধীনতা মূল্যহীন।

নৰম পৃষ্ঠাৰ পৰা ঃ —

# কথকতা

কামৰ ব্যস্ততাত থকাৰ মাজতেই পৰাশৰ ফোন আহিছিল, খবৰ লৈছিল। সেইদিনা লগ পাই ভাল লগাৰ কথাও কৈছিল। আৰু লাহে লাহে সময়ৰ সোঁতত এদিন সিহঁতৰ অন্তৰঙ্গতাও বাঢ়িছিল। খুব কমকৈ লগ পাই আহিছে যদিও আজিকালি ফোনত প্ৰায়ে কথা পাতে। সুখৰ-দুখৰ সকলো কথাই পাতিবলৈ লৈছে। অদিতিয়ে প্ৰথমতে তাই নিজৰ একান্ত ব্যক্তিগত কথাবোৰ কোৱা নাছিল যদিও আজিকালি যেন পৰাশৰক মনৰ কথাবোৰ নকলেহে বেয়া লাগে। অৱশ্যে পৰাশৰেও কোনোদিনে কাকো নকোৱা কথাবোৰ তাইক কয়। এতিয়া যেন অদিতিৰ মনৰ গহনকোণৰ কোনোবাখিনিত পৰাশৰৰ একান্তই উপস্থিতি অনুভৱ কৰিবলৈ লৈছে। তাই ধাৰণা কৰিছে, পৰাশৰেও যেন অদিতিৰ প্ৰতি ভালপোৱাৰ আছুটীয়া কোঠালী এটা সংগোপনে বুকুৰ মাজত নিৰ্মাণ কৰিছে। কালিৰে পৰা তাইৰ মনটো গধুৰ হৈ আছে। পৰাশৰ হেনো গা বেয়া। ওচৰলৈ যাব খোজে অথচ বিভিন্ন অজুহাতে তাইক বাট আগচি ধৰে। মনটো বেয়া লাগি আছে বাবেই অফিচৰ পৰা ওলায়েই পৰাশৰ প্ৰিয় বুঢ়ালুইতৰ পাৰলৈ আহি অকণমান মুকলি আকাশৰ তলত জিৰণি লৈছে। চাৰিওফালে সংগোপনে সন্ধিয়া নামি আহিবলৈ ধৰিছে। ক্ৰমশঃ বিজুলি লাইটবোৰে পোহৰাই তুলিবলৈ প্ৰয়াস কৰিছে। চিৰন্তৰ সত্য এন্ধাৰক ভেটিবলৈ এই লাইটবোৰে যেন প্ৰতিটো সন্ধিয়াই যুদ্ধ ঘোষণা কৰে আৰু পুৱতি নিশাহে পৰাজিত হয়। এৰা, বাৰে বাৰে আমি পৰাজিত হওঁ। দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি অদিতিয়ে বহাৰ পৰা থিয় হ'ল। পিছফালে ওচৰতে গাড়ীখন ৰখাই চালকজনে অতপৰে ৰৈ আছিল। অদিতিয়ে থিয় হোৱা দেখি তেওঁ মাত লগালে- 'বাইদেউ, এন্ধাৰ নামি আহিল। ঘৰলৈ যাওঁ বলক।'

অদিতিয়ে কোনো উত্তৰ নিদিয়াকৈ লাহে লাহে আগবাঢ়ি আহি গাড়ীখনত বহিল। লগে লগে এন্ধাৰৰ বুকু ফালি গাড়ীখন নৈৰ পাৰে পাৰে ঘৰলৈ আগবাঢ়িল। কিছু সময় পিছত নিৰৱতা ভংগ কৰি চালকজনে সুধিলে- ' বাইদেউ, আপোনাৰ গা বেয়া নেকি ?'

ঃ গা বেয়া নহয়, মনহে বেয়া।

ঃ বেয়া নাপাব বাইদেউ। আপোনাৰ স'তে মই কেবাবছৰো কটালো। মই সদায়ে আগৰ চিতত, আপুনি পিছৰ চিতত। কোনোদিনে আপোনাক ব্যক্তিগত কথা মই সোধা নাই। অৱশ্যে সুখ-দুখবোৰ অনুভৱ কৰিয়েই সকলো সময়তে আপোনাৰ কাষত থিয় হ'ব খোজো। কিন্তু কোনোদিনে একো কোৱা নাই । আজিহে আপোনাক অন্য ধৰণে থকা যেন লাগিছে। কিবা সহায় কৰিব পৰা থাকিলে ক'ব বাইদেউ। আপুনি সদায়ে হাঁহি থকাটো বিচাৰো। আপোনাক এনেদৰে মন মাৰি থাকিলে ভাল নালাগে।

চালকজনৰ কথা শুনি অদিতিয়ে ক্ষন্তেকৰ বাবে থমকি ৰ'ল। তাৰ পিছত দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি তাই ক'লে-' এৰা, এগৰাকী বৰ আপোন মানুহৰ হেনো গা বেয়া। খবৰ লবলৈ ওচৰলৈ যাব নোৱাৰাকৈ অজুহাতবোৰে হাত মেলি আছে। এই যে নৈখনৰ পাৰত আমি ৰৈ আছিলো সেই নৈখনৰ মাজৰ চাপৰিত তেওঁ এখন পাম সাজিছে। পামখনৰ খেতিডৰাৰ মাজতেই আজিকালি দিনবোৰ পাৰ কৰিবলৈ লৈছে। তেওঁ মোৰ প্ৰিয় মানুহ। অসুখ হোৱা বুলি খবৰ পাই ওচৰলৈ যাবলৈ নোৱাৰিলেও ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো, তেওঁ সোনকালে ভাল হ'ব। তেওঁ যেন মোৰ মনৰ কথাবোৰ বুজি পাই তাকেই আশা কৰিছো। তেওঁ ভাল হ'ব। তেওঁ বৰ ভাল মানুহ। তেওঁ...!'

কথাবোৰ কৈ থকাৰ মাজতে হঠাতে অদিতিৰ ফোনটো বাজি উঠিল । লগে লগে তাই বেগৰ পৰা উলিয়াই দেখিলে পৰাশৰে ফোন কৰিছে। তাই অকনো পলম নকৰি ৰিচিভ কৰিলে।

ঃ অলপ ভাল পাইছো। ঘৰলৈ যাম আজি । আপুনি ভালে আছেনে ?

ঃ দিনত বহুবাৰ ফোন কৰিছিলো। ফোনটো লগাই নাছিল। খবৰ এটাও নাপালে ভালে থকাৰ কথা সোধেনে?

ঃ নাই, আজি ফোনটো অফ কৰি শুই আছিলো। এতিয়া অলপ ভাল পাইছো। সেয়েহে ঘৰলৈ যাম। চিন্তা কৰিব বুলি ভাবিয়েই আপোনাক ফোন কৰিছো। আপোনাৰ মনৰ কথা চাগে মই বুজা হৈছো।

ঃ আপোনাৰ প্ৰিয় নৈখনৰ পাৰতে আজি আবেলিটো কটালো। এতিয়া ঘৰলৈ গৈ আছো। নাঁৱত বতাহ লগাকৈ নাহিব। আপুনি নিজেও নচলাব। নহ'লে আকৌ গা বেয়া হ'ব।

ঃ হ'ব বাৰু । পিছে মই নৈখনৰ ইটো পাৰত আৰু আপুনি সিটো পাৰত। কেতিয়াবা যদি আমাৰ মাজৰ দুখন হৃদয় এক হোৱাৰ বাবে এখন সাঁকো তৈয়াৰ কৰিব পৰা যায়, তেতিয়া তাৰ নামাকৰণ কি কৰিব বাৰু!

ঃ এৰা, আপুনি বৰ আচৰিত মানুহহে। এই নৰিয়া দেহাৰেও কি কথাবোৰ যে ভাবি থাকে। ইমান বিশাল নৈখনৰ বুকুত হৃদয়েৰে জানো সাঁকো তৈয়াৰ কৰিব পৰাটো সম্ভৱ! গতিকে নামাকৰণৰ কথাটো চিন্তা কৰি একো লাভ নাই। আমি এনেকৈয়ে সুখী হোৱাৰ সুগম পথ বিচাৰিব লাগিব। সেইবোৰ এতিয়া বাদ দিয়ক। সোনকালে ঘৰলৈ আহক আৰু দুদিনমান জিৰণি লোৱাৰ ব্যৱস্থা কৰক।

ঃ জীৱনটো তেনেই চুটি। জিৰণি লম কেনেকৈ। কাম যে কৰিবলৈ বহু বাকি আছে।

ঃ আপুনি আপোনাৰ হৈ থাকিলেই ভাল লাগে। অৱশ্যে জীৱনৰ পৰা কেতিয়াবা পলায়ন কৰাৰ ভুমিকা ল'ব খোজে বাবেহে আপোনাৰ ওপৰত ভিষণ খং উঠে। কেতিয়াবা কেতিয়াবা আপোনাৰ ওচৰত অধিকাৰ সাব্যস্ত কৰাৰ প্ৰৱণতা জাগে। এতিয়া সোনকালে ঘৰলৈ আহক। নিশা নাওঁ খন কোনে চলাব জানিব পাৰোনে?

ঃ খেতি কৰা মানুহ এগৰাকীয়ে থৈ আহিব। এতিয়া ঘৰলৈ যোৱাৰ কথাহে আৰু।

ঃ বাৰু।

ঃ বাৰু, পিছত কথা হ'ম।

ফোনটোৰ সংযোগ বিচ্ছিন্ন হোৱাৰ পিছতে অদিতিয়ে স্বস্তিৰ নিশ্বাস এৰিলে। দুদিন ধৰি দাঙিব নোৱাৰা বোজা এটা যেন তাই বোকোচাত কঢ়িয়াই ফুৰিছিল। পৰাশৰৰ স'তে কথা পতাৰ লগে লগেই যেন সেই বোজা আঁতৰি গ'ল। লগে লগেই চালকজনক উদ্দেশ্যি কৈ উঠিল- 'তেওঁ হেনো অলপ ভাল পাইছে। এতিয়া ঘৰলৈ আহিব। বলা, আমিও ঘৰলৈ যাওঁ।'

চালকজনে অদিতিৰ মনৰ কথা বুজি পালে নে নাপালে সেয়া তাই নুবুজিলে। কিন্তু তাইৰ মনৰ গোমা আকাশখন আজি সঁচাকৈয়ে ফৰকাল হ'ল। এৰা, সকলোৰে জীৱন আছে। সুকীয়া সুকীয়া জীৱন শৈলীৰে সকলোৱে এই ধৰাৰ বুকুত জীয়াই আছে। হৰ্ষ- বিষাদ আছে, প্ৰাপ্তি-অপ্ৰাপ্তি আছে। তাৰ মাজেৰেই পাখি লগা কাঁড়ৰ দৰে গৈ আছে সময়। আৰু এই সকলোবোৰ থকাৰ পিছতো পৰাশৰ যেন আজি নিঃসংগ নিৰ্বাক এগৰাকী পথিক। তাৰ পিছতো তেওঁ জীয়াই আছে। জীয়াই থকাৰ পণ লৈছে। আৰু অদিতি ...!

এৰা, অদিতিৰো এটা জীৱন আছে। তায়ো জীয়াব খোজে...।

সপ্তম পৃষ্ঠাৰ পৰা ঃ —

# গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু সুফল

আৱিষ্কাৰ, নতুন প্ৰযুক্তি আৰু নতুন চিন্তাধাৰাৰ উদ্ভৱ ঘটে। বিজ্ঞানৰ গ্ৰন্থ অধ্যয়নৰ দ্বাৰা মানুহে নিজৰ দৈনন্দিন জীৱনত ব্যৱহাৰিক জ্ঞান লাভ কৰে। স্বাস্থ্যৰ যত্ন লোৱা, পৰিষ্কাৰ-পৰিচ্ছন্নতা ৰক্ষা কৰা, শক্তিৰ সঞ্চয় কৰা আদি বিষয়ৰ প্ৰতি সচেতন হয়। বিজ্ঞান বিষয়ক জ্ঞানে সমাজৰ অগ্ৰগতিৰ ক্ষেত্ৰতো মুখ্য শক্তি হিচাপে কাম কৰে। বৈজ্ঞানিক চিন্তাধাৰা উদ্ভৱ হোৱা লোকে সমাজত উন্নয়ন আৰু আধুনিকতাৰ পথ প্ৰশস্ত কৰে।

ঐতিহাসিক গ্ৰন্থ, সংস্কৃতিভিত্তিক গ্ৰন্থ আৰু ধৰ্ম-দৰ্শনৰ গ্ৰন্থসমূহে পাঠকসকলক নিজৰ ইতিহাস, সংস্কৃতি, মূল্যবোধ আৰু ঐতিহ্যৰ সৈতে পৰিচয় কৰাই দিয়ে। এটা জাতিৰ ভেটি হৈছে ইয়াৰ সংস্কৃতি আৰু পৰিচয়। গ্ৰন্থসমূহে এই ভেটিটোক সুৰক্ষিত কৰি ৰাখে আৰু ভৱিষ্যতলৈ আগুৱাই নিয়ে। গ্ৰন্থ অধ্যয়নৰ ফলত এটা জাতিৰ মাজত দেশাত্মবোধ আৰু প্ৰকৃতিপ্ৰেম জাগৰিত হয়। ই সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু সাম্প্ৰদায়িকতাক দূৰ কৰি এখন সুশিক্ষিত আৰু সহনশীল সমাজ গঢ়াত সহায় কৰে। জনসাধাৰণক সঠিক জ্ঞানেৰে আলোকিত কৰি গ্ৰন্থই গণতান্ত্ৰিক ব্যৱস্থা আৰু ন্যায়িক প্ৰণালীৰ বিষয়ে সজাগ কৰে। এনেদৰেই গ্ৰন্থই কেৱল অতীতৰ সাক্ষী হৈ নাথাকে, বৰং এটা জাতিৰ বৰ্তমান আৰু ভৱিষ্যতৰ দিশ নিৰ্ণয় কৰাত মুখ্য ভূমিকা পালন কৰে।

ইয়াৰ উপৰি গ্ৰন্থ অধ্যয়নে মানুহক চিন্তাশীল আৰু সৃষ্টিশীল কৰে। উত্তম গ্ৰন্থবোৰত বিভিন্ন বিষয়, চিন্তা আৰু অভিজ্ঞতাৰ সংমিশ্ৰণ থাকে। পাঠকে সেই চিন্তাবোৰ অধ্যয়ন কৰি নিজস্বভাৱে বিশ্লেষণ কৰে, নতুন দিশে ভাবিবলৈ আৰম্ভ কৰে। এই প্ৰক্ৰিয়াই তেওঁৰ মগজুত নতুন চিন্তা সৃষ্টি কৰাৰ ক্ষমতা— অৰ্থাৎ সৃষ্টিশীলতাৰ বিকাশ ঘটে। সেয়ে গ্ৰন্থ অধ্যয়নক কল্পনা আৰু সৃষ্টিশীলতাৰ উৎস বুলি কোৱা হয়। যিমান অধিক পঢ়া হয়, তিমানেই মন সমৃদ্ধ হয়, নতুন চিন্তা জন্মায় আৰু জীৱনৰ সকলো ক্ষেত্ৰতে উদ্ভাৱন শক্তি বৃদ্ধি পায়। কেৱল ব্যক্তিগত লাভালাভৰ বাবেই নহয়, এখন সুস্থ, সবল আৰু প্ৰগতিশীল সমাজ আৰু জাতি গঠনৰ বাবেও গ্ৰন্থ অধ্যয়ন অপৰিহাৰ্য। ফৰাচী দাৰ্শনিক ভল্টেয়াৰে কৈছিল— 'কিতাপেই আধুনিক পৃথিৱীখন শাসন কৰি আছে'। দৰাচলতে যি সমাজত গ্ৰন্থৰ আদৰ নাই, সেই সমাজত মানৱতাৰো মূল্য নাই। গ্ৰন্থই একোখন ৰাষ্ট্ৰক সুচাৰুৰূপে পৰিচালিত কৰাৰ নীতি-নিয়ম ৰচনা কৰাত সহায় কৰে। ই জাতীয়তাবাদী ভাৱধাৰা, বিজ্ঞানসন্মত মানসিকতা আৰু যুক্তিবাদী চিন্তাধাৰাৰ উন্মেষ ঘটায়।

গ্ৰন্থ অধ্যয়নৰ সুফলৰ ভিতৰত এক অন্যতম গুৰুত্বপূৰ্ণ বিষয় হৈছে— আজীৱন শিক্ষণৰ প্ৰতি আন্তৰিকতা গঢ়ি তোলা। যেতিয়া কোনো লোকে পঢ়াৰ গুৰুত্ব অনুভৱ কৰে, তেতিয়া তেওঁৰ মনত নতুন জ্ঞান আৰু অভিজ্ঞতাৰ বাবে কৌতূহল আৰু স্পৃহাৰ সৃষ্টি হয়। গ্ৰন্থৰ অধ্যয়ন আৰম্ভ কৰিলে আৰু গ্ৰন্থৰ প্ৰতিটো পৃষ্ঠাৰ ভিতৰত সোমাই পৰিলে যিমানেই জনা যায় তাতকৈ অধিক জানিবলৈ মন যায়। এই আজীৱন শিক্ষণৰ মানসিকতাই ব্যক্তিক আধুনিক জগতৰ দ্ৰুত পৰিৱৰ্তনৰ সৈতে খোজ মিলাই চলিবলৈ সক্ষম কৰে। আচলতে গ্ৰন্থসমূহ শিক্ষণৰ যাত্ৰাত পথ প্ৰদৰ্শকৰ দৰে। ই ব্যক্তিক নমনীয়, তথ্যপ্ৰেমী আৰু নিজৰ ভুলৰ পৰা শিক্ষা লাভ কৰিবলৈ প্ৰস্তুত কৰি তোলে। বৰ্তমান সময়ত আমাৰ যুৱপ্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নৰ প্ৰৱণতা কমি অহাটো এক চিন্তনীয় বিষয় হৈ পৰিছে। ম'বাইল, দূৰদৰ্শন আৰু সামাজিক মাধ্যমৰ অত্যধিক ব্যৱহাৰে তেওঁলোকক কিতাপৰ পৰা আঁতৰাই নিছে। সেয়েহে বিদ্যালয়, মহাবিদ্যালয়, ঘৰ আৰু সমাজত গ্ৰন্থ অধ্যয়নৰ এক সুস্থ পৰিৱেশ সৃষ্টি কৰাটো প্ৰয়োজন। পুথিভঁৰালসমূহ সক্ৰিয় কৰি তোলা, গ্ৰন্থমেলাসমূহৰ প্ৰসাৰ কৰা আৰু শিশুসকলক সৰুৰে পৰা কিতাপৰ প্ৰতি আগ্ৰহী কৰি তোলাটো আমাৰ সমূহীয়া দায়িত্ব। সেয়ে গ্ৰন্থ অধ্যয়নৰ সুফলসমূহ উপলব্ধি কৰি প্ৰতিজন ব্যক্তিয়ে জীৱনৰ ব্যস্ততাৰ মাজতো দৈনিক কিছু সময় কিতাপৰ বাবে উচৰ্গা কৰিব লাগে। এখন ভাল কিতাপ আমাৰ মন, মগজু আৰু আত্মাক সমৃদ্ধ কৰিবলৈ সদায় সাজু হৈ থাকে।

পৰিশেষত ক'ব পাৰি যে গ্ৰন্থ অধ্যয়ন কেৱল এক অভ্যাসেই নহয়, ই বৰ্তমান আৰু ভৱিষ্যতৰ বাবে অপৰিহাৰ্য প্ৰয়োজনীয়তা। গ্ৰন্থই মানুহক জ্ঞানৰ পোহৰ দিয়ে, মনক শান্ত আৰু স্থিৰ কৰে, কল্পনাশক্তি জাগ্ৰত কৰে আৰু এক সজাগ আৰু সুস্থ সমাজ গঢ়াত সহায় কৰে। যদিও আজিৰ ডিজিটেল যুগত তথ্যৰ প্ৰবাহ অত্যন্ত দ্ৰুত আৰু বহুমুখী হৈছে, তথাপি গ্ৰন্থৰ গভীৰতা, চিন্তাৰ স্পষ্টতা আৰু মানসিক প্ৰশান্তিদায়ক শক্তিক কোনো ইলেক্ট্ৰ'নিক মাধ্যমেই পূৰণ কৰিব নোৱাৰে। কিতাপে আমাৰ চিন্তা গভীৰ কৰে, অনুভৱক মৃদু কৰে আৰু জীৱনৰ প্ৰতি এক অন্তৰ্মুখী বোধ জগায়। সেয়ে যিমানেই সময় আগুৱায়, গ্ৰন্থ অধ্যয়নৰ প্ৰাসংগিকতা সিমানেই বৃদ্ধি পায়। গ্ৰন্থই আমাৰ অতীতৰ জ্ঞান সংৰক্ষণ কৰে আৰু ভৱিষ্যতৰ দিশ নিৰ্দেশ কৰে। সেয়ে গ্ৰন্থ অধ্যয়ন হৈছে মানুহৰ আত্মিক আৰু বৌদ্ধিক বিকাশৰ এক অম্লান উৎস।

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# ভাৰতীয় অৰ্থনীতি

কৰিছে। ডিজিটেল সেৱাৰ এই বিস্তৃত সম্প্ৰসাৰণে ক্ষুদ্ৰ ব্যৱসায়ীসকলক বজাৰৰ সৈতে সংযোগ কৰা, নতুন সেৱা আৰম্ভ কৰা আৰু প্ৰশাসনীয় প্ৰক্ৰিয়াসমূহক অধিক স্বচ্ছ আৰু ক্ষিপ্ৰ কৰি তোলাত সহায় কৰিছে। এই ডিজিটেল বিপ্লৱক অধিক আগুৱাই নিবলৈ চাইবাৰ সুৰক্ষা আৰু ব্যক্তিগত তথ্য সুৰক্ষাৰ নীতিসমূহ শক্তিশালী কৰাটো জৰুৰী, যাতে ডিজিটেল অৰ্থনীতিত জনসাধাৰণৰ বিশ্বাস অটুট থাকে।

ভাৰতীয় অৰ্থনীতিৰ ভৱিষ্যতৰ বাবে উৎপাদন খণ্ডৰ এক বৈপ্লৱিক পৰিৱৰ্তন অত্যন্ত জৰুৰী। বৰ্তমান সেৱা খণ্ডই মুঠ ঘৰুৱা উৎপাদনত সৰ্বাধিক অৰিহণা যোগোৱা সত্ত্বেও, বৃহৎসংখ্যক অৰ্ধ দক্ষ শ্ৰমিকৰ বাবে স্থায়ী আৰু মানসম্পন্ন নিয়োগ সৃষ্টি কৰিবলৈ উদ্যোগ খণ্ডৰ সম্প্ৰসাৰণ অত্যাৱশ্যক। চৰকাৰে আৰম্ভ কৰা উৎপাদন সংযুক্ত উদগনি আঁচনিসমূহে বিশ্বৰ বৃহৎ নিগমসমূহক ভাৰতলৈ আহি উৎপাদন গোট স্থাপন কৰিবলৈ উৎসাহিত কৰিছে, যাৰ ফলত বিশ্বৰ যোগান শৃংখলত ভাৰতৰ ভূমিকা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। এই উদ্যোগসমূহক সমৰ্থন কৰিবলৈ ভূমি অধিগ্ৰহণ, শ্ৰম আইনৰ সৰলীকৰণ আৰু শক্তিৰ নিৰন্তৰ যোগান নিশ্চিত কৰাটো প্ৰয়োজনীয়। উৎপাদন খণ্ডৰ বিকাশে কেৱল ঘৰুৱা চাহিদা পূৰণ কৰাই নহয়, বৰং ৰপ্তানি বৃদ্ধি কৰি দেশৰ বৈদেশিক মুদ্ৰাৰ সংৰক্ষণতো সহায় কৰিব। উদ্যোগসমূহক আধুনিক প্ৰযুক্তি, বিশেষকৈ স্বয়ংক্ৰিয়তা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰে সজ্জিত কৰিব লাগিব যাতে বিশ্ব বজাৰত ভাৰতীয় সামগ্ৰীয়ে প্ৰতিযোগিতা কৰিব পাৰে।

কৃষি খণ্ড, যি এতিয়াও বৃহৎসংখ্যক জনসাধাৰণৰ জীৱিকাৰ ভেটি, তাৰ আধুনিকীকৰণ অবিহনে সামগ্ৰিক বিকাশৰ লক্ষ্যত উপনীত হোৱা অসম্ভৱ। কৃষি খণ্ডৰ ভৱিষ্যৎ বিকাশ শস্য চপোৱাৰ পিছৰ উপযুক্ত ব্যৱস্থাপনা, খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগৰ সম্প্ৰসাৰণ আৰু বজাৰৰ সৈতে কৃষকৰ পোনপটীয়া সংযোগ স্থাপনৰ ওপৰত নিৰ্ভৰ কৰে। জলসিঞ্চনৰ উন্নত প্ৰণালী, মানসম্পন্ন বীজৰ যোগান আৰু বৈজ্ঞানিক কৃষি পদ্ধতিৰ প্ৰচলনে কৃষি খণ্ডৰ উৎপাদনশীলতা বৃদ্ধি কৰিব। তদুপৰি, জলবায়ু পৰিৱৰ্তনৰ প্ৰতি অধিক স্থিতিস্থাপক শস্যৰ বিকাশ আৰু কৃষিৰ সৈতে জড়িত বিত্তীয় সেৱা, যেনে— ঋণ আৰু বীমাৰ সুবিধা কৃষকসকলৰ ওচৰলৈ সহজে লৈ যোৱাটো জৰুৰী। কৃষি খণ্ডক কেৱল খাদ্য উৎপাদনৰ খণ্ড হিচাপে নহয়, এক মূল্য সংযোজন আৰু ৰপ্তানিভিত্তিক উদ্যোগ হিচাপে বিকশিত কৰিবলৈ নীতিগত সমৰ্থনৰ প্ৰয়োজন। ইয়াৰ দ্বাৰা কৃষকৰ আয় বৃদ্ধি পোৱাৰ লগতে গ্ৰাম্য অৰ্থনীতিয়ে এক নতুন গতি লাভ কৰিব। ভাৰতৰ বিত্তীয় বজাৰৰ গভীৰতা আৰু স্থিৰতা অৰ্থনৈতিক বিকাশৰ হাৰ বজাই ৰখাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। বেংকসমূহৰ অনা-কাৰ্যকৰী সম্পত্তিৰ সমস্যা সমাধান কৰা আৰু বিত্তীয় শৃংখলা বজাই ৰখাৰ বাবে গ্ৰহণ কৰা সংস্কাৰসমূহে বেংকিং খণ্ডক শক্তিশালী কৰিছে; কিন্তু বৃহৎ মূলধনী প্ৰকল্পসমূহক বিত্তীয় সাহায্য যোগাবলৈ ঋণ আৰু ইকুৱিটি বজাৰক অধিক শক্তিশালী কৰাৰ প্ৰয়োজন আছে। নতুন বিত্তীয় প্ৰতিষ্ঠানসমূহৰ প্ৰৱেশ আৰু বিত্তীয় উদ্ভাৱনক উদগনি যোগোৱাটো জৰুৰী। বীমা খণ্ডৰ সম্প্ৰসাৰণে অৰ্থনীতিৰ ওপৰত অনিশ্চয়তাৰ প্ৰভাৱ কমোৱাত সহায় কৰিব, বিশেষকৈ স্বাস্থ্য আৰু পেঞ্চন বীমাৰ সম্প্ৰসাৰণে জনসাধাৰণক অধিক নিৰাপত্তা প্ৰদান কৰিব। কেন্দ্ৰীয় বেংকে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰাৰ লগতে বিকাশক সমৰ্থন কৰিবলৈ এক ভাৰসাম্যপূৰ্ণ নীতি গ্ৰহণ কৰাটো অৰ্থনৈতিক স্থিৰতাৰ বাবে অপৰিহাৰ্য। সুদৃঢ় বিত্তীয় পৰিচালনাৰ দ্বাৰা বিশ্বৰ বিনিয়োগকাৰীসকলৰ মাজত ভাৰতৰ প্ৰতি বিশ্বাস বৃদ্ধি পাব, যিটো দীৰ্ঘম্যাদী পুঁজিৰ বাবে অতি জৰুৰী।

বৰ্ধিত অৰ্থনৈতিক বৈষম্য হ্ৰাস কৰি এক সামগ্ৰিক বিকাশৰ আৰ্হি গঢ়ি তোলাটো ভাৰতীয় অৰ্থনীতিৰ ভৱিষ্যতৰ বাবে এক গুৰুত্বপূৰ্ণ সামাজিক আৰু নৈতিক দায়িত্ব। সম্পদ আৰু আয়ৰ অসমতা কেৱল সামাজিক ন্যায়ৰ বিষয় নহয়, ই দীৰ্ঘম্যাদী বিকাশৰ পথতো বাধাৰ সৃষ্টি কৰে, কিয়নো ই বৃহৎসংখ্যক লোকৰ ক্ৰয় ক্ষমতা হ্ৰাস কৰে। এই সমস্যা সমাধান কৰিবলৈ শিক্ষা আৰু স্বাস্থ্যৰ দৰে মৌলিক সেৱাসমূহত চৰকাৰী ব্যয় বৃদ্ধি কৰিব লাগিব, যাতে সকলো শ্ৰেণীৰ লোকে সমসুবিধা লাভ কৰিব পাৰে। দৰিদ্ৰ আৰু পিছপৰা লোকসকলক লক্ষ্য কৰি প্ৰৱৰ্তন কৰা সামাজিক নিৰাপত্তা আঁচনি আৰু জনকল্যাণমূলক কাৰ্যসূচীসমূহৰ ৰূপায়ণত স্বচ্ছতা আৰু দক্ষতা নিশ্চিত কৰিব লাগিব। আঞ্চলিক বৈষম্য দূৰ কৰিবলৈ পিছপৰা অঞ্চলসমূহত আন্তঃগাঁথনি আৰু উদ্যোগসমূহক অধিক উদগনি যোগোৱাটো জৰুৰী। এক সুষম কৰ ব্যৱস্থাই সম্পদৰ যুক্তিযুক্ত বিতৰণত সহায় কৰিব পাৰে, যাৰ ফলত অৰ্থনৈতিক বিকাশ অধিক ন্যায়সংগত আৰু সামাজিকভাৱে বহনক্ষম হ'ব।

বিশ্ব অৰ্থনীতিত ভাৰতৰ ক্ৰমবৰ্ধমান ভূমিকা ইয়াৰ ভৱিষ্যতৰ বিকাশৰ বাবে এক সুযোগ। ভাৰত এক বৃহৎ বজাৰ হিচাপে আত্মপ্ৰকাশ কৰাৰ ফলত বিশ্বৰ দেশসমূহৰ মাজত ইয়াৰ কূটনৈতিক আৰু অৰ্থনৈতিক গুৰুত্ব বৃদ্ধি পাইছে। বিভিন্ন আঞ্চলিক আৰু বিশ্বব্যাপী বাণিজ্য চুক্তিৰ জৰিয়তে ভাৰতে নিজৰ ৰপ্তানি বজাৰ সম্প্ৰসাৰণ কৰাৰ লক্ষ্য স্থিৰ কৰিছে। বিশ্বৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ পৰিৱৰ্তন আৰু যোগান শৃংখলৰ পুনৰ্গঠনৰ ফলত ভাৰতে বিশ্বৰ এক নিৰ্ভৰযোগ্য উৎপাদন আৰু সেৱা প্ৰদানকাৰী কেন্দ্ৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ এক সুৱৰ্ণ সুযোগ লাভ কৰিছে। বিদেশী পোনপটীয়া বিনিয়োগক আকৰ্ষণ কৰিবলৈ এক মুকলি আৰু অনুকূল বিনিয়োগ পৰিৱেশ বজাই ৰখাটো অতি জৰুৰী। আন্তৰ্জাতিক সম্পৰ্কত ভাৰতে গ্ৰহণ কৰা স্বাৱলম্বী আৰু নিৰপেক্ষ স্থিতিয়ে ইয়াক বিশ্বৰ বিভিন্ন অৰ্থনৈতিক শক্তিৰ সৈতে সংযোগ স্থাপন কৰাত সহায় কৰিছে, যিটো বিশ্ব বাণিজ্যৰ অংশীদাৰিত্বৰ বাবে এক ইতিবাচক দিশ।

শিক্ষা খণ্ডৰ সংস্কাৰ আৰু মানৱ সম্পদৰ গুণগত মান বৃদ্ধিৰ ওপৰত দীৰ্ঘম্যাদী গুৰুত্ব দিয়াটোৱে অৰ্থনীতিৰ ভৱিষ্যৎ নিশ্চিত কৰিব। কেৱল সাক্ষৰতাৰ হাৰ বঢ়াই নহয়, শিক্ষাৰ মান বৃদ্ধি কৰি আৰু গৱেষণামূলক শিক্ষণৰ ওপৰত গুৰুত্ব দিহে ভাৰতে জ্ঞানভিত্তিক অৰ্থনীতি হিচাপে আত্মপ্ৰকাশ কৰিব পাৰিব। বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানসমূহক উদ্ভাৱনৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব লাগিব, যিয়ে উদ্যোগসমূহৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা দক্ষ লোক সৃষ্টি কৰে। বিত্তীয় পৰিচালনাত সুশাসনৰ ভূমিকা অনস্বীকাৰ্য আৰু ইয়াত বিত্তীয় নীতিৰ স্থিৰতা আৰু কৰ ব্যৱস্থাৰ দক্ষতাৰ ওপৰত গুৰুত্ব দিয়া উচিত। চৰকাৰী ব্যয়ৰ কাৰ্যকাৰিতা বৃদ্ধি কৰা আৰু ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাত উন্নত প্ৰণালীৰ প্ৰৱৰ্তনে অৰ্থনৈতিক স্থিৰতা বজাই ৰাখিব। এই সকলো দিশত মনোযোগ দিলেহে ভাৰতে নিজৰ অৰ্থনৈতিক ভৱিষ্যতক এক শক্তিশালী আৰু বহনক্ষম পথত আগুৱাই নিব পাৰিব।

মুঠতে ক'বলৈ গ'লে, ভাৰতীয় অৰ্থনীতিৰ ভৱিষ্যৎ এক বৃহৎ সম্ভাৱনাৰে পৰিপূৰ্ণ, কিন্তু এই পথটো প্ৰত্যাহ্বানমুক্ত নহয়। জনগাঁথনিগত সুবিধাক সঠিক দক্ষতা বিকাশৰ দ্বাৰা শক্তিত পৰিণত কৰা, আন্তঃগাঁথনিৰ বিশাল ব্যৱধান পূৰণ কৰা, উৎপাদন খণ্ডৰ এক বৈপ্লৱিক উত্থান সাধন কৰা আৰু বিত্তীয় স্থিৰতা বজাই ৰখা হৈছে মূল চালিকা শক্তি। অৰ্থনৈতিক বৈষম্য হ্ৰাস কৰি এক সামগ্ৰিক বিকাশৰ আৰ্হি গ্ৰহণ কৰা আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰতি সঁহাৰি জনাই বহনক্ষম নীতি গ্ৰহণ কৰাটো এই বিকাশৰ স্থিৰতাৰ বাবে অপৰিহাৰ্য। এই সকলোবোৰ লক্ষ্যত উপনীত হ'বলৈ এক স্থিৰ, স্বচ্ছ আৰু দূৰদৰ্শী নীতিগত পৰিৱেশৰ প্ৰয়োজন, য'ত চৰকাৰ, ব্যক্তিগত খণ্ড আৰু জনসাধাৰণ সকলোৱে সহযোগী ভূমিকা পালন কৰে। ভাৰতে এই জটিল সমস্যাসমূহ সমাধান কৰাত সফল হ'লে, অদূৰ ভৱিষ্যতে ই বিশ্বৰ এক আগশাৰীৰ অৰ্থনৈতিক শক্তি হিচাপে নিজৰ স্থান নিশ্চিত কৰিব, যাৰ ফলত দেশৰ ১৪০ কোটি লোকৰ জীৱনৰ মান উন্নত হ'ব আৰু বিশ্ব অৰ্থনীতিয়ে এক নতুন গতি লাভ কৰিব। এই বৃহৎ অৰ্থনৈতিক সপোনক বাস্তৱ ৰূপ দিয়াৰ সংকল্পই বৰ্তমান ভাৰতীয় নীতি নিৰ্ধাৰণৰ মূল ভেটি হিচাপে কাম কৰি আছে, আৰু ইয়াৰ সফলতাৰ ওপৰতেই সমগ্ৰ পৃথিৱীৰ দৃষ্টি নিবদ্ধ হৈ আছে।


প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# ধলপুৰত পুনৰ বেদখল হাজাৰ হাজাৰ বিঘা

প্ৰশাসন আৰু ৰাজহ চক্ৰ বিষয়াৰ কঠোৰ নিৰ্দেশত ধলপুৰৰ ৫৪৮ টা অবৈধ ভূমি বেদখলকাৰী পৰিয়ালে নিজেই ঘৰ-দুৱাৰ ভাঙি দলগাৱলৈ স্থানান্তৰ হৈছিল। পূৰ্বৰ উচ্ছেদিত ১,৪১৮ টা পৰিয়ালসহ ধলপুৰৰ মুঠ ২০৬৬ টা ভূমি বেদখলকাৰী পৰিয়ালক দলগাঁৱৰ বিভিন্ন চৰলৈ স্থানান্তৰ কৰি এবিঘাকৈ চৰকাৰী ভূমি প্ৰদান কৰে চৰকাৰে। আনহাতে ধলপুৰৰ নৱ নিৰ্মিত মথাউৰিৰ সমীপত গৰুখুঁটি কৃষি প্ৰকল্পৰ ভূমিত বসতি কৰি থকা ১৬৭ টা সন্দেহযুক্ত পৰিয়ালক এমাহ পূৰ্বে ছিপাঝাৰৰে কিৰাকাৰাৰ মৌমাৰী চৰলৈ স্থানান্তৰ কৰে; কিন্তু ধলপুৰৰ উচ্ছেদিত বহু পৰিয়ালে শেহতীয়াকৈ পুনৰ গৰুখুঁটি কৃষি প্ৰকল্পৰ সমীপৰ অপৰীয়া চৰ, কিৰাকাৰাৰ কাহী চৰ, খলিলৰ চৰ, বাঘেচৰ আদিৰ হাজাৰ হাজাৰ বিঘা চৰকাৰী ভূমি বেদখল কৰি বসতি স্থাপন কৰি খেতি-বাতি কৰিবলৈ লৈছে। ধলপুৰৰ উচ্ছেদিত বহু পৰিয়ালে দলগাঁৱত চৰকাৰে প্ৰদান কৰা এবিঘাকৈ চৰকাৰী ভূমি লোৱাৰ পিছত পুনৰ গোপনে ছিপাঝাৰৰ চৰ অঞ্চললৈ আহি বিভিন্ন স্থানত চৰকাৰী ভুমি বেদখল কৰি খেতি-বাতি কৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে চৰকাৰ-প্ৰশাসনে গৰুখুঁটি কৃষি প্ৰকল্পৰ নামত ৮,৭০০ বিঘা চৰকাৰী ভূমি আবণ্টন দিয়ে। দৰং জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীৰ নেতৃত্বত আৰু আৰক্ষী-প্ৰশাসনৰ সহযোগত বলপূৰ্বক উচ্ছেদৰ প্ৰয়োজন নোহোৱাকৈ গৰুখুঁটি কৃষি প্ৰকল্পৰ নামত এতিয়ালৈ ৮১০৩ বিঘা চৰকাৰী ভূমি বেদখলমুক্ত কৰা হয়। ইয়াৰ পিছত চৰকাৰ-প্ৰশাসনে ছিপাঝাৰৰ চৰ অঞ্চলৰ ফুহুৰাতলী-ধানবাৰীত ১২০০ বিঘা পি জি আৰ ভূমি বেদখলমুক্ত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। প্ৰনিধানযোগ্য যে অসম আন্দোলনৰ এগৰাকী নেতাৰ শাসনকালত ১৯৯৩ চনত ছিপাঝাৰৰ চৰ অঞ্চলৰ ফুহুৰাতলী আৰু ধানবাৰীত ১৯৯ টা সন্দেহযুক্ত বাংলাদেশী পৰিয়ালে ৫ বিঘাকৈ পি জি আৰ ভূমি আবন্টন লাভ কৰিবলৈ সক্ষম হৈছিল। জাতি-মাটি-ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতিৰে বিজেপি শাসনলৈ অহাৰ পিছত ছিপাঝাৰৰ চৰ অঞ্চলৰ ৭৭,৪২০ বিঘা চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ দাবীত বিভিন্ন জাতীয় দল সংগঠনে ধাৰাবাহিকভাৱে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাত প্ৰতিবাদত সেও মানি প্ৰশাসনে ২০১৬ চনত ফুহুৰাতলীত উচ্ছেদ অভিযান চলাই প্ৰায় ১২০০ বিঘা পি জি আৰ ভূমি বেদখলমুক্ত কৰিছিল যদিও সেই সময়ৰ বিধায়কগৰাকীৰ ৰহস্যজনক ভূমিকাত উচ্ছেদিত লোকসকলে এসপ্তাহৰ ভিতৰতে সেই স্থানত পুনৰ বসতি স্থাপন কৰিছিল। ইফালে বাঘেচৰৰ দৌৰাঙ্গ কৃষি প্ৰকল্পৰ ভূমিও ভালেসংখ্যক সন্দেহযুক্ত লোকে বেদখল কৰাৰ অভিযোগ উঠিছে। প্ৰকাশযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়া নিৱনুৱা যুৱক-যুৱতীসকলক কৃষিৰ জৰিয়তে আত্মসংস্থাপিত কৰাৰ বাবে ১২৬ জন বিধায়কক একোখনকৈ কৃষি সমবায় সমিতি গঠন কৰিবলৈ নিৰ্দেশ দিছিল। সেই অনুসৰি ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়েও বাঘেচৰত প্ৰায় ২০০০ বিঘা চৰকাৰী ভূমি সংৰক্ষণ কৰি দৌৰাঙ্গ নামৰ এক কৃষি প্ৰকল্পৰ জৰিয়তে বিগত তিনিটা বৰ্ষত কিছুসংখ্যক খিলঞ্জীয়া নিৱনুৱাক নিয়োজিত কৰি খেতি-বাতি কৰিছিল। কিন্তু এইবেলি দৌৰাঙ্গ কৃষি প্ৰকল্পৰ নামত সংৰক্ষিত এই ভূমি ভালেসংখ্যক সন্দেহযুক্ত লোকে বেদখল কৰি খেতি-বাতি কৰাৰ অভিযোগ উঠিছে। বিধায়ক ড° ৰাজবংশীয়ে দৌৰাঙ্গ কৃষি প্ৰকল্পৰ নামত সংৰক্ষিত বাঘেচৰৰ এই ২০০০ বিঘা ভূমিকে ধৰি ইয়াৰ চৰ অঞ্চলৰ বাকী থকা চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়া বুলি সংবাদ মাধ্যমৰ আগত সদৰি কৰে। উল্লেখ্য যে ছিপাঝাৰৰ চৰ অঞ্চলত ৭৭,৪২০ বিঘা চৰকাৰী ভুমি বেদখলত থকা বুলি কেইবছৰমান পুৰ্বে ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়াই এক আৰ টি আই আবেদনৰ উত্তৰত উল্লেখ কৰিছিল। ইয়াৰ বৃহৎ পৰিমাণৰ ভূমি কিৰাকাৰাত ব্ৰহ্মপুত্ৰৰ খহনীয়াত জাহ গৈছে যদিও বিভিন্ন স্থানত নতুন চৰৰ উৎপন্ন হৈছে। নতুনকৈ উৎপন্ন হোৱা এই চৰসমূহতো সন্দেহযুক্ত লোকে নিশাৰ ভিতৰতে ঘৰ-দুৱাৰ সাজি বসতি কৰিবলৈ লোৱাৰ অভিযোগ উঠিছে। ছিপাঝাৰৰ চৰ অঞ্চলৰ বাকী থকা সমগ্ৰ চৰকাৰী ভুমি বেদখলমুক্ত কৰি খিলঞ্জীয়া নিৱনুৱা যুৱকসকলক কৃষিৰ জৰিয়তে আত্মসংস্থাপিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ- প্ৰশাসনৰ ওচৰত দাবী উত্থাপন কৰিছে কুৰুৱা আঞ্চলিক ছাত্ৰ সন্থা, ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থা, জিলা ছাত্ৰ সন্থা, দক্ষিণ -পশ্চিম মঙলদৈ গোৱাল সন্থা, প্ৰব্ৰজন বিৰোধী মঞ্চ আদি বিভিন্ন জাতীয় দল-সংগঠনে।

# পাঠশালাত ‘আলাপ’ শীৰ্ষক অনুষ্ঠানত ‘স্বপ্নমিছিল’ উন্মোচন

**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালীত নৱগঠিত মুক্ত অনুষ্ঠান ‘বন্ধু’ৰ উদ্যোগত আৰু অসম এক্সপ্রেছ শীৰ্ষক পৰ্টেল চেনেলৰ সহযোগত কবি ধীমান বৰ্মনৰ পাঠশালাস্থিত বাসগৃহত আলাপ শীৰ্ষক মনোজ্ঞ অনুষ্ঠান যোৱা ১৩ নৱেম্বৰত সম্পন্ন হয়। বন্ধুৰ সভানেত্ৰী বিভা দেৱীয়ে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্জ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানত গায়ক প্ৰাৰ্থপ্ৰতীম কলিতাৰ নেতৃত্বত সমস্বৰে মায়াবিনী গীত পৰিৱেশন কৰা হয়। বিশিষ্ট কবি ভূষণ কলিতা পৰিচালিত অনুষ্ঠানৰ আঁত ধৰে অসম এক্সপ্রেছৰ স্বত্বাধিকাৰী নীলম শৰ্মা আৰু কবি ধীমান বৰ্মনে। অনুষ্ঠানত অতিথি শিল্পী বসন্ত পাটগিৰিৰ গীতৰ শৰাইয়ে শ্ৰোতা-দৰ্শকৰ মন মুহিবলৈ সক্ষম হয়। অনুষ্ঠানত বজালী গণকৃষ্টিৰ তৰফৰ পৰা সংগীত পৰিৱেশন কৰে অক্ষেন্দ্ৰ কলিতা আৰু চক্ৰধৰ ডেকাই। এই অনুষ্ঠানতে কবি দিগন্ত নিবিড় আৰু হিমাংগ দাসক ‘বন্ধু সাহিত্য বঁটা ২০২৫’, লেখক হৃদয় পাটগিৰিক ‘বন্ধু সাহিত্য সন্মান ২০২৫’ আৰু অনাতাঁৰ শিল্পী অপৰ্ণা দাসক ‘বন্ধু শিল্পী সন্মান ২০২৫’ প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত বিভা দেৱী আৰু ধীমান বৰ্মন সম্পাদিত জুবিন গাৰ্গলৈ কবিতাৰে শ্ৰদ্ধাৰ্ঘ জনোৱা সংকলন ‘স্বপ্নমিছিল’ উন্মোচন কৰে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° হীৰুমণি কলিতাই। অনুপম অনিৰুদ্ধ, পৰাগ কলিতা, অলকা বুজৰবৰুৱা, সুভাৰাণী কলিতা, পীয়ূষ পাঠক, অভিজিত তালুকদাৰকে ধৰি ৫০ গৰাকী কবিয়ে কবিতা পাঠ কৰা অনুষ্ঠানত কামিনী মোহন শৰ্মা, অজয় মালাকৰ, উপন্যাসিক অনুৰাধা দত্ত, সৰোজ চৌধুৰী, গল্পকাৰ অৰূপ ৰাজ কলিতায়ো গীত কবিতাৰ অনুষ্ঠান পৰিৱেশন কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# গানৰ ভগৱান জুবিনৰ

ৰূপ পালে। ৰূপকোঁৱৰৰ অসীম হেঁপাহ আছিল অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ পল্লৱিত ঝংকাৰ এদিন বিশ্বৰ প্ৰান্তে প্ৰান্তে বিয়পি পৰিব। সেয়া আজি সম্ভৱ হ'ল জুবিন গাৰ্গৰ বাবে। দধীচিৰ দৰে মৃত্যুৰ কোলাত নিজকে সঁপি অসমীয়া সংগীতক প্ৰতিষ্ঠা কৰিলে সমগ্ৰ বিশ্বত। জুবিনৰ গীতৰ যাদুকৰী পৰশত উজ্জীৱিত আজি সমগ্ৰ বিশ্ব। আঞ্চলিক ভাষা এটাই যে হঠাতে বিশ্বজনীন ৰূপ পালে তাৰ সমগ্ৰ শ্ৰেয় নিঃসন্দেহে জুবিন গাৰ্গলৈ। জাতিৰ চৰম দুৰ্যোগ, দুৰ্ভাগ্য যে আধুনিক কূটাছৰ ষড়যন্ত্ৰৰ বাবে সাগৰৰ বুকুত চিৰদিনৰ বাবে নিঃশেষ হৈ গ'ল প্ৰাণৰ শিল্পী আমাৰ। সমাপ্ত হ'ল এক মহাজাগতিক বৰ্ণময় অধ্যায়। সংগীত ব্ৰহ্মাণ্ডৰ সম্ৰাটৰূপে যাৰ পৰিচয় সেই উজ্জ্বল জ্যোতিষ্ক আচম্বিতে খহি পৰিল নভোমণ্ডলৰ পৰা। মৃত্যুৰ পিছতে হঠাতে সংগীত বিশ্বই আৱিষ্কাৰ কৰিলে তেওঁলোকৰ ৰজাজন আছিল অসমৰ এগৰাকী ৫২ বছৰীয়া ডেকা। যি নিজেই সংগীতৰ স্ৰষ্টা, সৃষ্টি আৰু অনন্ত প্ৰবাহ। যাৰ গীত শুনিবলৈ দিন-ৰাতি একাকাৰ কৰি হেজাৰ হেজাৰ মানুহ পিছে পিছে দৌৰে। যাৰ এটা মাত্ৰ আহ্বানত ৰাজপথলৈ অগণন যুৱক-যুৱতী ৰাজপথলৈ ওলাই আহে। যাৰ সৃষ্টিশীলতা, সৰলতম জীৱনচৰ্যা, দানশীলতাৰ বাবে সকলোৱে ভগৱানৰ মান্যতা প্ৰদান কৰে। যিয়ে ৰাজহুৱা স্বাৰ্থত ৰজাঘৰ, শাসকক আদেশ দিব পাৰে। সেইজন ভগৱানৰ গীত, শিল্পকৰ্ম আৰু ব্যক্তিত্ব আজি অভিবন্দিত সমগ্ৰ বিশ্বতে। তথাপি জুবিনক হেৰুৱাই মৰ্মান্তিক বেদনাত ক্লিষ্ট, যাউতিযুগীয়া সন্তাপত দগ্ধ আজি অসমবাসী। মনৰ দুখ পাতলাবলৈ তেওঁলোকে প্ৰতিসন্ধিয়া উপস্থিত হয় জুবিনৰ সমাধিস্থলীত। সোণাপুৰ এতিয়া যেন প্ৰতিজন মানুহৰে হৃদয়ৰ মন্দিৰ। সুযোগ পালেই লৰৰি আহে এই ঠাই টুকুৰালৈ য'ত জনতাৰ প্ৰাণৰ শিল্পী পাৰ্থিৱ শৰীৰ জ্বলি জ্বলি শেষ হৈ গ'ল।

৭ অক্টোবৰৰ সন্ধিয়া সহধৰ্মিণী ৰুবী, বৰজীয়ৰী জীয়া আৰু ভাতৃসম ৰিংকু ডেকাৰ সৈতে আমিও গৈছিলো সেই পবিত্ৰ ভূমিলৈ। প্ৰত্যক্ষ কৰিছিলো জুবিনময় হৈ আছে সোণাপুৰৰ সমাধিস্থলী। অজান মুলুকৰ আৱৰণেৰে ঢকা। হঠাৎ যেন সময় থমকি ৰ'ল। বুকুত এক তীব্ৰ মানসিক যুদ্ধ-শোক, প্ৰেম, অবিশ্বাস আৰু উপাসনাৰ এক সংমিশ্ৰ অনুভৱ। এয়াতো শ্মশান নহয়— ভক্তিৰ এক তীৰ্থক্ষেত্ৰ, য'ত দেহ নোহোৱা হ'লেও আত্মা সজীৱ। সমীপত নিৰন্তৰ নাম ধ্বনি। কৃষ্ণৰ চৰণত ভক্তিভাৱেৰে নিজকে সমৰ্পিত ভাবনাৰে এজাক নামতী। নামৰ পদ, নাগাৰাৰ তালে তালে ভক্তিৰ গাম্ভীৰ্য। নামতীসকলে গাইছে জুবিনৰ প্ৰিয় ঘোষা— 'ব্ৰহ্মা আদি কৰি জীৱ য'ত ৰাম ৰাম ৰাম ৰাম' যেন প্ৰতিবাদৰ ভাষাৰে। ৰূপে-ৰংগে-ভক্তিত সোণাপুৰ পৰিণত হৈছে এক মহতী স্থানত, য'ত গীতৰ ভাষাই জীৱনৰ ধৰ্ম বৰ্ণনা কৰে। ৰিংকুৱে চাকি আৰু বন্তি আনিলে। দাঙিব নোৱৰা শোকৰ পাহাৰ বুকুত বান্ধি শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিলো। জ্বলন্ত বন্তিৰ পোহৰত জুবিনৰ প্ৰতিচ্ছবি যেন মুখৰিত হ'ল— চকুত হেজাৰ ৰংৰ সুৰ। ভাবেই নহ'ল সেয়া চিতাভস্মৰ স্থান। বাস্তৱতে শ্মশানত মানুহ জ্বলোৱা হয়; কিন্তু ইয়াত জ্বলিছে অনন্ত আলোক সংগীতৰ, প্ৰেমৰ, মানুহৰ। ই ঈশ্বৰত্বৰ এক জীৱন্তস্বৰূপ।

জুবিন গাৰ্গ এজন শিল্পী নহয়, এক যুগৰ কণ্ঠস্বৰ। তেওঁৰ গীতৰ ভাষা আছিল জীৱনৰ আদিম সুৰ, সমাজৰ প্ৰতিটো স্তৰ, প্ৰতিটো ঢাপৰ নিগূঢ় স্পন্দন। প্ৰতিটো গীত যেন হিয়াৰ পৰা ওলোৱা ঐশিক বাণী। তেওঁৰ গীতত বেদনা আছে, আছে প্ৰতিবাদ, আছে প্ৰেমৰ পবিত্ৰ উন্মাদনা আৰু জীৱনৰ আধ্যাত্মিক মাধুৰ্য। জুবিনৰ গীতৰ ভাষা কেতিয়াও কৃত্ৰিম নহয়— ই সৰল, অথচ অতি গভীৰ। তেওঁ গীতৰ মাজেৰে মানুহৰ বুকুৰ কথা কৈছিল— 'মায়াবিনী ৰাতিৰ বুকুত দেখা পালো তোমাৰ ছবি, ধৰা দিলা গোপনে আহি হিয়াৰ কোণত, তুমি যে মোৰ শুকান মনৰ, নিয়ৰৰে চেঁচা টোপাল, ভাহি অহা ৰ'দৰে নৈ মোৰ দেহত প্ৰতি পুৱা, ধুমুহাৰ সৈতে মোৰ বহু যুগৰে নাচোন, এন্ধাৰো সঁচা মোৰ বহু দিনৰে আপোন।'— এই গীতৰ ভাষা যেন তেওঁৰ জীৱনৰ চূড়ান্ত বাণী। গীতৰ মাধুৰ্যৰ সৈতে মৃত্যু যেন একাকাৰ। এনে লাগে যেন সৰগীয় নীলিমৰ পৰা সুৰৰ পানচৈ সৃষ্টি কৰিছিল। পবিত্ৰ সমাধিস্থলী য'ত গীতৰ জুই জ্বলিছে, নামধ্বনিৰ সুৰ বাজিছে, সেই স্থানত মৃত্যুৱে পৰাজিত। মানুহে কান্দে; কিন্তু সেয়া জুবিনৰ গীতৰ তালে তাল মিলাই কান্দে। এই দৃশ্য এক বিস্ময় মানৰ দুখৰ মাজত শিল্পৰ জয়, অশ্ৰুৰ মাজত আলোকৰ জন্ম। সেয়েহে আজিও তেওঁৰ ভক্তসকল বিশ্বাস কৰে জুবিন ভগৱান। কিন্তু সেই ভগৱান কোনো দূৰ আকাশত নাই, তেওঁ গীতৰ মাজত, ৰাস্তাত, মঞ্চত আৰু প্ৰতিজন দুখী মানুহৰ বুকুত। তেওঁৰ সুৰৰ ভাঁজত এক অদ্ভুত বিশুদ্ধতা আছে— যেন জীৱনৰ ধূলি, দুখ, অবিচাৰ সকলো সম্পৃক্ত। 'প্ৰেমত পাগল হোৱাৰ আনন্দ' আৰু 'মানৱতাৰ ওপৰত অগাধ বিশ্বাস'— এই দুয়োটাই তেওঁৰ শিল্পৰ আত্মা। সেই গীতবোৰেই আজিও মানুহক সংহতিৰ বান্ধোনেৰে জুৰি ৰাখিছে জুবিনৰ জীৱনৰ সাৰমৰ্ম আছিল 'সত্য অনুভৱৰ সংগীত'। তেওঁ জীৱনৰ পৰা গীত গঢ়িছিল, গীতৰ পৰা জীৱন। তেওঁ আছিল এক ধৰ্মপ্ৰাণ শিল্পী, যিয়ে গীতক প্ৰাৰ্থনাৰূপে আৰু প্ৰাৰ্থনাক সংগীতৰূপে জীয়াই তুলিছিল। সোণাপুৰত এতিয়া শোকৰ লগত গীতৰ ঐশ্বৰ্য মিলিছে— মানুহে চাকি জ্বলায়, কান্দে; কিন্তু গীতৰ ভাষাৰে প্ৰেম প্ৰকাশ কৰে।

# গুৰুজনাৰ আদৰ্শ, কৃষ্টি-সংস্কৃতি প্ৰসাৰ

আদৰ্শ, কৃষ্টি-সংস্কৃতি, সাহিত্য আদিৰ প্ৰচাৰ-প্ৰসাৰ, সংৰক্ষণ-সংবৰ্ধন আদিৰ দিশত অসম সত্ৰ মহাসভাই লৈ অহা ভূমিকাৰ শলাগ লোৱাৰ উপৰি আগন্তুক দিনত সমগ্ৰ ভাৰতৰ লগতে বিশ্বব্যাপী প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত বাস্তৱসন্মত আৰু কাৰ্যকৰী তথা ফলপ্ৰসূ পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। উল্লেখ্য যে সংগীত নাটক অকাডেমীয়ে ২০০০ বৰ্ষৰ ১৫ নৱেম্বৰত সত্ৰীয়া নৃত্যক ধ্ৰুপদী নৃত্যৰ মৰ্যাদা প্ৰদান কৰিছিল আৰু তেতিয়াৰে পৰাই অসম সত্ৰ মহাসভাৰ উদ্যোগত প্ৰতিবছৰে বিভিন্ন ঠাইত এই দিৱস পালন কৰি অহা হৈছে। অত্যন্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে গুৰুজনাৰ আধ্যাত্মিক বাণীৰ তাৎপৰ্য সাৱলীলভাৱে অৱলোকন কৰাৰ উপৰি অসমীয়া জাতিক সকলো দিশৰে পৰা সমৃদ্ধ কৰা মহাপুৰুষজনাৰ বিশাল বৰঙণিৰো ব্যাখ্যা আগবঢ়ায়। কোনো এগৰাকী স্বাভিমানী অসমীয়াই এইগৰাকী জগৎ গুৰুৰ কৃষ্টি-সংস্কৃতিৰ অধ্যয়ন অবিহনে সৰলভাৱে নিজকে স্বাভিমানী অসমীয়া হিচপে পৰিচয় দিব নোৱাৰে বুলি তেওঁ কয়। এইগৰাকী জগৎগুৰুৰ সাগৰসম বিশাল ব্যক্তিত্ব, সামাজিক সাংস্কৃতিক আধ্যাত্মিক আদি অৱদানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত অসমীয়া জাতিৰ বহুকৰণীয় আছে বুলি উল্লেখ কৰি ৰাজ্যখনৰ ডেকা শক্তিক এই দিশত আগবাঢ়ি আহিবলৈ তেওঁ আহ্বান জনায়। এই অনুষ্ঠানতে সত্ৰীয়া সংস্কৃতিৰ বিকাশ তথা প্ৰচাৰ-প্ৰসাৰ, সংৰক্ষণ আদিৰ দিশত বিশিষ্ট বৰঙণি যোগোৱা যোৰহাটৰ উজনিয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত, বিশিষ্ট সমাজ সংগঠক নতুন দিল্লীৰ লক্ষ্মী নাৰায়ণ ভালা, বিশিষ্ট শিক্ষাবিদ তথা সংস্কৃতি সাধক ড° অঞ্জনা চলিহা, গোবিন্দভৱন গীতা সত্ৰৰ সত্ৰাধিকাৰ বিজুলী মিত্ৰ, প্ৰাক্তন বিধায়ক শিলাদিত্য দেৱ, বিশিষ্ট সাহিত্যিক, বৈষ্ণৱ পণ্ডিত মুনীন্দ্ৰ কৈৱৰ্তক ক্ৰমে সত্ৰ ৰত্ন, নাৰায়ণ দাস ঠাকুৰ আতা, আই খেৰসুতি, আই কনকলতা, সত্ৰ বন্ধু আৰু সত্ৰ বৈষ্ণৱ উপাধি প্ৰদানেৰে সন্মানিত কৰা হয়। ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰি উলিওৱা এখন স্মৃতিগ্ৰন্থও অনুষ্ঠানত উন্মোচন কৰা হয়। সত্ৰ মহাসভাৰ সভাপতি তথা ৰামৰাইকুটি সত্ৰৰ সত্ৰাধিকাৰ জিতেন্দ্ৰ নাথ প্ৰধানীয়ে সভাপতিত্ব কৰা তথা আদৰণি সমিতিৰ সভাপতি পৰমেশ দত্তই আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত অসমৰ সত্ৰ মহাসভাৰ কাৰ্যকৰী সভাপতি তথা সত্ৰাধিকাৰ ভৱানন্দ গোস্বামী, সম্পাদক প্ৰধান তথা সত্ৰাধিকাৰ কুসুম কুমাৰ মহন্ত, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° জগদীশ পাটগিৰিকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ৰাজ্যত গাহৰিৰ সৰবৰাহ-বিক্ৰীত নিষেধাজ্ঞা

কৰিছে। এই ৰোগবিধৰ সংক্ৰমণৰ হাৰ দ্ৰুত গতিত বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে পশুধন আইন, ২০০৯ৰ অধীনত ই চি এফ ২৪০৯৯০ নং এক অধিসূচনা যোগে সমগ্ৰ ৰাজ্যতে এখন জিলাৰ পৰা আন এখন জিলালৈ গাহৰিৰ সৰবৰাহত নিষেধাজ্ঞা জাৰি কৰা হৈছে। ইয়াৰ উপৰি উল্লেখিত সাতখন জিলা ক্ৰমে ধেমাজি, লখিমপুৰ, শিৱসাগৰ, দৰং, যোৰহাট, ডিব্ৰুগড় আৰু কামৰূপত গাহৰি সৰবৰাহৰ লগতে গাহৰিৰ মাংস বিক্ৰী সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। অন্যান্য জিলাসমূহত গাহৰি মাংস বিক্ৰীৰ ক্ষেত্ৰত পশু চিকিৎসকে পৰীক্ষা কৰি দিয়া গাহৰি পঞ্চায়ত, পৌৰসভা, নিগম-নিকায়ে ধাৰ্য কৰি দিয়া নিৰ্দিষ্ট স্থানতহে বিক্ৰী কৰিব পাৰিব। গুৱাহাটী মহানগৰীৰ ক্ষেত্ৰত অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ কচাইখানাত কটা গাহৰিৰ মাংসহে নীতিগতভাৱে বেচা-কিনা কৰিব পাৰিব। সংশ্লিষ্ট সকলো পক্ষই জৈৱ সুৰক্ষাৰ সকলো নীতি-নিয়ম মানি চলাৰ লগতে স্বাস্থ্যসন্মত পৰিৱেশ বজাই ৰখাটো বাধ্যতামূলক। চৰকাৰে পৰৱৰ্তী নিৰ্দেশনা জাৰি নকৰা পৰ্যন্ত এই নীতি-নিৰ্দেশনা বাহাল থাকিব। উল্লেখ্য যে আফ্ৰিকান ছোৱাইন ফিভাৰ গাহৰিৰ এক অতি সংক্ৰামক ভাইৰাছজনিত ৰোগ আৰু এই ৰোগত মৃত্যুৰ হাৰ এশ শতাংশ পৰ্যন্ত হ'ব পাৰে। বৰ্তমানলৈ ৰোগবিধৰ প্ৰতিষেধক ছিটা ওলোৱা নাই আৰু ফলপ্ৰসূ চিকিৎসা নোহোৱা হেতুকে ইয়াৰ নিয়ন্ত্ৰণৰ বাবে ৰাজ্যৰ পশুপালন আৰু পশুচিকিৎসা বিভাগে আক্ৰান্ত জিলাসমূহৰ অভিকেন্দ্ৰবোৰ চিনাক্ত কৰি তাৰ চৌপাশৰ এলেকাত অৱৰুদ্ধকৰণ, অনাময় ব্যৱস্থা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদি যাৱতীয় ব্যৱস্থাপনা কৰি আছে। লগতে জৈৱ সুৰক্ষা নীতিসমূহ কঠোৰভাৱে মানি চলাৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ হকে কাম কৰি আছে আৰু সকলোকে জৈৱ সুৰক্ষা নীতিসমূহ মানি চলিবলৈ আহ্বান জনাইছে।

# নিজৰটো সত্য বুলি প্ৰতিপন্ন কৰাটোৱে অশুভ

ডাঃ বৰাই কয় যে সাংবাদিকতাৰ বৃত্তিটো পৃথিৱীৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিচাৰধাৰাৰ প্ৰৱাহৰ ওপৰত বেছি প্ৰত্যক্ষভাৱে নিৰ্ভৰশীল। বৰ্তমানৰ যুগটো ফাইনেন্স কেপিটেলৰ যুগ বুলি উল্লেখ কৰি তেওঁ কয় যে এই যুগৰ উদ্দেশ্য বিশ্বায়ন বা গোলকীকৰণ। অৰ্থাৎ ভাষা, ধৰ্ম, সংস্কৃতিৰ বৈচিত্ৰ্যবোৰ নাইকীয়া কৰি আমি সমগ্ৰ পৃথিৱী একেধৰণৰ উপভোক্তা হ'ব লাগে। আমাৰ লগত অনবৰতে থকা ম'বাইলটোৱেও এইক্ষেত্ৰত অৰিহনা যোগাই আহিছে বুলি তেওঁ কয় যে আমি তথ্য-প্ৰযুক্তিক কিন্তু গ্ৰাস কৰিব দিব নালাগিব। ইউৰোপত এই কথা বুজি উঠিছে বুলিও তেওঁ উল্লেখ কৰে। আমিও ম'বাইলক আমাৰ চিন্তা-চেতনাক গ্ৰাস কৰিবলৈ এৰি দিব নালাগে। কাৰণ ই আমাৰ ভাষা, সংস্কৃতি সকলোকে দুৰ্বল কৰিব আৰু ভাষা দুৰ্বল হ'লে আমাৰ পৰিচয়, স্থিতি, ঐতিহ্য সকলো দুৰ্বল হ'ব। নিজৰটো সত্য বুলি প্ৰতিপন্ন কৰাৰ প্ৰবৃত্তি আৰু প্ৰৱণতাই সমাজলৈ অশুভ ধাৰণা আনি দিব বুলি উল্লেখ কৰি তেওঁ কয় যে সংবাদ মাধ্যমে সদায় প্ৰকৃত তথ্য দিয়াত আটাইতকৈ গুৰুত্ব প্ৰদান কৰিব লাগে। অনুষ্ঠানত প্ৰবীণ সাংবাদিক, প্ৰান্তিক আলোচনীৰ সম্পাদক প্ৰদীপ বৰুৱাই তেওঁৰ চমু ভাষণত সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতা সংৰক্ষণৰ বাবে নৈতিক সাংবাদিকতালৈ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতাৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁ আৰু কয় যে সাংবাদিকসকল ৰাটচ্ছৃগ হোৱাতকৈ মৌ মাখি হ'ব লাগে আৰু সমাজৰ প্ৰগতিৰ বাবে আৱশ্যকীয় বাতৰি প্ৰচাৰতহে গুৰুত্ব দিব লাগে। উত্তেজনাপূৰ্ণ সংবাদে নাগৰিকক বিভ্ৰান্ত কৰাৰ লগতে মাধ্যমটোৰ প্ৰতি জনবিশ্বাস নষ্ট কৰে। অনুষ্ঠানত অতিৰিক্ত মুখ্য সচিব মুকেশ চাহুৱে ভাষণ প্ৰদান কৰি প্ৰেছ দিৱস উপলক্ষে সকলোকে অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে ভ্ৰান্ত তথ্য বিয়পোৱাৰ এই যুগত সংবাদ মাধ্যম অধিক সতৰ্ক আৰু দায়িত্বশীল হ'ব লাগিব। সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতা নিৰ্ভৰ কৰে তথ্যৰ সত্যতা নিখুতভাৱে পৰীক্ষা কৰাৰ ওপৰত। অনুষ্ঠানৰ আৰম্ভণীতে তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ আয়ুক্ত-সচিব কুমাৰ পদ্মপাণি বৰাই আদৰণি ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ ১৬ নৱেম্বৰৰ দিনটোৰ ঐতিহাসিক গুৰুত্বৰ কথা উল্লেখ কৰি কয় যে ক্ৰমাৎ বৃদ্ধি পোৱা ভুল তথ্যৰে জনসাধাৰণক মাজে-সময়ে বিপথে পৰিচালিত কৰা বৰ্তমানৰ এই সময়ছোৱাত তথ্যৰ সত্যতা আৰু বিশ্বাসযোগ্যতা অটুত ৰখাত সংবাদ মাধ্যমৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। দৃঢ়তা, নিষ্ঠা আৰু সততাৰে জনসেৱা অব্যাহত ৰাখিবলৈ বাতৰি প্ৰস্তুতিৰ সময়ত তথ্যৰ শুদ্ধতা পৰীক্ষা আৰু নৈতিক বিচাৰৰ প্ৰতি অধিক দায়িত্বশীল হ'ব লাগিব বুলিও তেওঁ কয়। তেওঁ আৰু কয় যে অসম চৰকাৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে সংবাদ কৰ্মীসকলৰ নিজৰ দায়িত্ব সফলতাৰে পালন কৰাত তেওঁলোকৰ নিৰন্তৰ প্ৰচেষ্টাক সদায়েই স্বীকৃতি দি আহিছে। অনুষ্ঠানত তথ্য আৰু জনসংযোগৰ শিল্পীসকলে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষত লিখা সমবেত সংগীত পৰিৱেশন কৰে। উদ্‌যাপনত বিশিষ্ট সাংবাদিক দিলীপ চন্দন, ভূপেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, বিশ্বজিৎ দাসসহ বিভিন্ন সংবাদ সংস্থাৰ প্ৰতিনিধিৰ লগতে কটন বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়, ডাউন টাউন বিশ্ববিদ্যালয়, দক্ষিণ কামৰূপ মহাবিদ্যালয়কে ধৰি বিভিন্ন উচ্চ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী, জনসংযোগ বিভাগৰ সচিব অৰুন্ধতি চক্ৰৱৰ্তী, সঞ্চালক মানবেন্দ্ৰ দেৱ ৰায়কে ধৰি বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলো উপস্থিত থাকে।



## ৰঙিয়াত 'মই বিয়াত নবহোঁ'

**অসম ভূমি সেৱা, ৰঙিয়া ঃ** শিশু দিৱসৰ দিনাই ৰঙিয়া চহৰৰ মাজমজিয়াত বাল্য বিবাহ কেন্দ্ৰীয় এখন কাজিয়া দেখি পথচাৰী হতবাক হৈ পৰে। কণমানি ছোৱালী এগৰাকীক কৰ্মহীন বাপেকে ফুচুলাই বিয়া দিবলৈ আনি ৰাজপথতে মাৰধৰ কৰাক লৈ হঠাৎ হুৱা-দুৱা লাগে ৰঙিয়াত। পিছে পিছে ছোৱালীজনীৰ মাকেও আহি বাপেকক বাধা দিয়াত বাপেকৰ খঙে মূৰৰ চুলি পালেগৈ। বাপেকে মাকক গতা মাৰি দিয়াত আৰক্ষীৰ ওচৰ চাপিল। আচলতে এইয়া সংগীত গ্ৰুপ অৱ ক্ৰিয়েচনয় বেনাৰত সাংস্কৃতিক কৰ্মী পংকজ পল্লৱ শৰ্মাৰ ৰচনা আৰু পৰিচালনাৰে পৰিৱেশন হোৱা এখন বাটৰ নাটকৰ দৃশ্য হে। 'মই বিয়াত নবহোঁ' নামৰ বাটৰ নাটকখনৰ ৰচনা-পৰিচালনা পংকজ পল্লৱ শৰ্মাৰ। নাটকখনত অভিনয় কৰা শিল্পীসকল হ'ল— অঞ্জু কলিতা, মনজিৎ ডেকা, লিপি বৰা, উজ্জ্বল ডেকা, বিভা ৰাণী কলিতা আৰু শিশু শিল্পী ইনায়া ইজদিহাৰ (নানী)। নাটকখন উদ্বোধন কৰে ৰঙিয়া সমজিলাৰ সম আয়ুক্ত দেৱাশীষ গোস্বামীয়ে। নাটকখন উপভোগ কৰি ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱজ্যোতি নাথে শিশুক পঢ়োৱাত অধিক গুৰুত্ব দিবলৈ আহ্বান জনায়।

### গুৱাহাটীৰ কুমাৰভাস্কৰ নাট্যমন্দিৰত বৰ্ণাঢ্য অনুষ্ঠান

# কবি নিলীম কুমাৰক হৰাইজন বঁটা প্ৰদান



**গুৱাহাটী ঃ** অসমৰ অন্যতম জনপ্ৰিয় সামাজিক সাংস্কৃতিক অনুষ্ঠান হৰাইজন চচিঅ' কালচাৰেল অৰ্গেনাইজেচনে অনুষ্ঠানটোৱে ২৫ বছৰ অতিক্ৰম কৰা উপলক্ষে যোৱা ১৫ নৱেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপালীজয়ন্তী বৰ্ষ উদ্‌যাপন কৰে। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ কুমাৰ ভাস্কৰ নাট্যমন্দিৰত অনুষ্ঠানটোয়ে অসমৰ বহুজন বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা জনোৱাৰ লগতে জনপ্ৰিয় কবি নিলীম কুমাৰক হৰাইজন বঁটা ২০২৫ আগবঢ়োৱা হয়। 'প্ৰতিদিন টাইম'ৰ সম্পাদক নিতুমনি শইকীয়া অৱনী বৰা নন্দসিং বৰকোলা কীৰ্তিকমল ভূঞা ড° ইন্দ্ৰাণী দও, হৃষিকেশ গোস্বামী দয়ানন্দ পাঠক আদি বহু সংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশলোৱা গাম্ভিৰ্য্যপূৰ্ণ অনুষ্ঠানত অসমৰ বহু প্ৰতিভাধৰ ব্যক্তিক বিভিন্ন বটাৰে সন্মানিত কৰি তেওঁলোকে সমাজজীৱনলৈ আগবঢ়োৱা অৱদানক স্বীকৃতি প্ৰদান কৰা হয়। হৰাইজনৰ সভাপতি মিফটাউদ্দিন আহমেড আৰু সঞ্চালক শীলভদ্ৰ ডেকাৰাজাই সামগ্ৰীকভাৱে পৰিচালনা কৰা অনুষ্ঠানটো নিখুতভাৱে আঁত ধৰি পৰিচালিত কৰে হৰাইজনৰ মুখ্যসম্পাদিকা অনুৰূপা ডেকাৰাজাই। অনুষ্ঠানৰ আৰম্ভণিতে ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলী আগবঢ়াই বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানৰ শেষত অনুৰূপা ডেকাৰাজাৰ ৰচনা আৰু পৰিচালনাৰে হৰাইজনৰ শিল্পীসকলে দৌৰ নামৰ এখনি মননশীল নাটক পৰিৱেশন কৰি নাট্যপ্ৰেমী ৰাইজৰ মন জয় কৰে। উল্লেখনীয় যে হৰাইজনে বিগত সময়খিনিত ডাইনী হত্যাৰ দৰে কুসংস্কাৰ অন্ধবিশ্বাস আদিৰ বিৰুদ্ধে সজাগতামুলক অনুষ্ঠান ড্ৰাগছ ৰেগিং পানমচলা বিনামুলীয়া চকু চিকিৎসা শিবিৰ আদি বিভিন্ন গণমুখী কাম কৰি আহিছে। তদুপৰি অনুষ্ঠানটোয়ে ৰাষ্টীয় পৰ্যায়ৰ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি অসমলৈ সুনাম কঢ়িয়াই আনিছে।



### জ্ঞানজ্যোতি জাতীয় বিদ্যালয়

# প্ৰাচীৰ পত্ৰিকা 'দূৰবীণ' উন্মোচন

**অসম ভূমি সেৱা, ৰামপুৰ ঃ** বৃহত্তৰ বৰদুৱাৰ অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান জ্ঞানজ্যোতি জাতীয় বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি অনুষ্ঠানৰ বঁটা প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি উদ্‌যাপন কৰা শিশু দিৱসৰ আৰম্ভণিতে যোৱা ১৪ নৱেম্বৰত স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়খনো পৰিচালনা সমিতিৰ সভাপতি সমুদ্ৰ চন্দ্ৰ ৰাভাই, সদ্য প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ৰামচৰণ দাসে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষয়িত্ৰী প্ৰিয়ংকা দাসৰ তত্ত্বাৱধানত প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা 'দূৰবীণ' উন্মোচন কৰে বিদ্যালয়ৰ ৰেক্টৰ আদিত্য চন্দ্ৰ ৰাভাই আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ চিত্ৰশিল্প কৰ্মৰে সজোৱা 'জ্ঞানজ্যোতি কলা বীথিকা' উন্মোচন কৰে বিদ্যালয়ৰ সচিব মনোজ কুমাৰ শৰ্মাই । ইয়াৰ পাছত সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰা হয় সমবেত সংগীতেৰে। অধ্যক্ষ ৰামচৰণ দাসে শিশু দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। বিদ্যালয়ৰ শিক্ষয়িত্ৰী সুজলা বৈশ্য, শিক্ষক শ্বাহৰুখ আহমেদ, সুমিত্ৰা দেউৰীয়ে গীত পৰিৱেশন কৰে। পশ্চিমীয়া সংগীত পৰিৱেশন কৰে শিক্ষক ৰাজা লাক্ৰাই। ছাত্ৰ জাহিৰ হুছেইনে জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। দশম শ্ৰেণীৰ ছাত্ৰী জাহ্নবী ৰাভা আৰু ছাত্ৰ জাহিৰ হুছেইনে আঁতধৰা অনুষ্ঠানটোত শিক্ষক প্ৰসেনজিৎ কলিতাই ভাষণ দি অত্যধিক প্ৰতিযোগিতাৰ মনোভাৱে ছাত্ৰ-ছাত্ৰীক ব্যক্তিকেন্দ্ৰীক কৰি গঢ়ি তোলে বুলি কয়। বিদ্যালয়খনৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ হিমাংশু ৰাভাক ১৪ বছৰৰ অনুৰ্দ্ধৰ পঞ্জাৱত অনুষ্ঠিত ৰাষ্ট্ৰীয় ফুটবল খেল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি গৌৰৱ কঢ়িয়াই অনা বাবে বিদ্যালয়ৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱা হয়।

### অসম বাৰ্তাজীৱী সংঘৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত বৰ্ণাঢ্য অনুষ্ঠান

# ঢেকীয়াজুলিত প্ৰেছ দিৱসত আঠজন সাংবাদিকক সম্বৰ্ধনা



**অসম ভূমি সেৱা, ঢেকীয়াজুলি ঃ** অসম বাৰ্তাজীৱী সংঘৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত ঢেকীয়াজুলি ছহিদ ভৱনত যোৱা ১৬ নৱেম্বৰত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হয়। অসম বাৰ্তাজীৱী সংঘৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি নাৰায়ণ ফয়েলৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে ঢেকীয়াজুলি সম-জিলাৰ আয়ুক্ত দ্যোতিভা বৰাই। তেওঁ উদ্বোধনী ভাষণত কয় যে সংবাদ মাধ্যম হ'ল চৰকাৰ-প্ৰশাসন আৰু সমাজৰ অতি গুৰুত্বপূৰ্ণ অংশ। সেইবাবে সংবাদ মাধ্যমক অধিক শক্তিশালী কৰি তুলিব লাগিব। সংবাদ মাধ্যম অবিহনে আমি চলিব নোৱাৰো। ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি আয়ুক্তগৰাকীয়ে মতপ্ৰকাশ কৰে। অসম বাৰ্তাজীৱী সংঘৰ শোণিতপুৰ জিলা সমিতিৰ সম্পাদক লক্ষণ গোৱালাই আঁতধৰা সভাখনত মাজবাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ কুমাৰ শৰ্মাই নিৰ্দিষ্ট বক্তাৰ ভাষণত কয় যে শব্দই ব্ৰহ্ম আৰু প্ৰতিটো শব্দত শক্তি আছে। গতিকে শব্দৰ ব্যৱহাৰৰ ক্ষেত্ৰত সাংবাদিকসকল সচেতন থাকিব লাগিব। এতিয়াও সংবাদকৰ্মী সকলে প্ৰাপ্য সা-সুবিধা নোপোৱাটো দূৰ্ভাগ্যজনক বুলি শৰ্মাই ভাষণত উল্লেখ কৰাৰ লগতে এই ক্ষেত্ৰত চৰকাৰ আৰু মালিক পক্ষক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সভাত কবি-লেখিকা পলী হাজৰিকাই এটি কবিতা পাঠ কৰে। সভাত বৰছলা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যাপক ড° কৰুণাকৰ পাণ্ডা, ঢেকীয়াজুলি জ্যেষ্ঠ নাগৰিক সংস্থাৰ সভাপতি বগীৰাম বড়ো, ঢেকীয়াজুলি মহকুমা নাগৰিক মঞ্চৰ সভাপতি সুৰেন্দ্ৰ খনাল, ঢেকীয়াজুলি শাখা চৰকাৰী পেন্সনাৰ সন্থাৰ সভাপতি কৰুণাদত্ত বৰা, আটছাৰ উপ-সভাপতি মোহন তাঁতী, অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া খগেন্দ্ৰনাথ শৰ্মা, অৱসৰপ্ৰাপ্ত বন বিষয়া প্ৰফুল্ল দাস, অৱসৰপ্ৰাপ্ত শিক্ষক দীপ্তি কুমাৰ কলিতা, ইন্দ্ৰ প্ৰসাদ ফয়েল, মোহন কুমাৰ ছেত্ৰী, সমাজকৰ্মী বাণেশ্বৰ মিৰ্ধা, উৎপল নন্দী, ভূৱন দাস, ডাঃ উমেশ চন্দ্ৰ দাস, গোকুল বছনেত, অনন্ত কুমাৰ নাথ, অধিবক্তা তথা প্ৰাক্তন সাংবাদিক আনন্দ কুমাৰ চাহানী, অগ্ৰণী মহিলা নুতুন সিনহা, দক্ষিণাদেৱী গজুৰেল, ৰিপেন ৰাভা, টিকেন্দ্ৰ দাহালৰ লগতে অসম বাৰ্তাজীৱী সংঘৰ সদস্যসকল উপস্থিত থাকে। সভাত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে জ্যেষ্ঠ সাংবাদিক আনন্দ কুমাৰ শৰ্মা, অশ্বিনী কুমাৰ শৰ্মা, বগা তপ্ন, হৰেণ ভূমিজ, লক্ষণ গোৱালা, পৱিত্ৰ কুমাৰ দাস, আজিজুৰ ৰহমান, লোহিত বসুমতাৰীক সম্বৰ্ধনা জনোৱা হয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ঢেকীয়াজুলিৰ ঘটনাৰ বহুল প্ৰচাৰৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা বিয়াল্লিছৰ ছহিদ আৰু মুক্তিযোদ্ধা ন্যাসৰ সম্পাদক অনন্ত কুমাৰ নাথক সভাত সম্বৰ্ধনা জনোৱাৰ লগতে স্বাধীনতা আন্দোলনৰ ছহিদ বীৰছা মুণ্ডাৰ জীৱন-দৰ্শনৰ ওপৰত লেখনি প্ৰস্তুত কৰি ৰাইজৰ অৱগত কৰা লেখক বাণেশ্বৰ মিৰ্ধাকো অসম বাৰ্তাজীৱী সংঘৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah